ASSAM

# LEGISLATIVE ASSEMBLY DEBATES

सत्यमेव जयते

REFERENCE
(NOT FOR ISSUE)
Reading Only Inside Library

# OFFICIAL REPORT

SEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA.

October Session

## No. 2

**The 7th October, 1993**

Price Rs.—27·50

REFERENCE
(NOT FOR ISSUE)
Reading Only Inside Library.

# CONTENTS

**October Session**

**No—2**

**Dated, the 7th October 1993**

| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1 |
| 2. | Discussion During Zero Hour | 54 |
| 3. | Call Attention Notice | 82 |
| 4. | Matter Under Rule 301 | 82 |
| 5. | Adjournment Motion | 103 |
| 6. | Annexures—I to X | 104—148 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

## Thursday the 7th October, 1993

The House met at 9 A. M. of the Clock in the Assembly Chamber at Dispur with Prof. Debesh Chakraborty, Speaker in the Chair.

### Starred
### Questions & Answers
### ( To which oral replies were given )

★ ডাঃ কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা জানিব বিচাৰিছো যে, আমাৰ কোৱেশ্যনৰ যিবিলাক ৰিপ্লাই সেইবিলাক মাত্র আধা ঘণ্টাৰ আগতে দিয়ে। কিন্তু আজি দেখা গৈছে যে, মাত্র এটা কৰি চেট দিয়া হৈছে আৰু ৫/৬ জন মাননীয় সদস্যই একেলগে চোৱাত অসুবিধা পাইছো।

★ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ নিজৰ নিজৰ প্ৰশ্নৰ উত্তৰবিলাক চাইহে আমি চাপ্লিমেণ্টৰী কোৱেশ্যন ৰেডি কৰো। কিন্তু আজি দেখিছো এটা একেলগে বন্ধা চেটহে দিছে। এটা চেট আমি সকলো সদসাই একেসময়তে কেনেকৈ চাম ?

Mr. Speaker : I understand your grievence will be removed. Defered Question Nos. 22, 24, 33. Now Question No. 21.

বিষয় : গড়াখহনীয়া আৰু ক্ষতিগ্ৰস্ত পৰিয়ালক পুনৰ সংস্থাপন।

শ্ৰীনজমূল হকে সুধিছে :

★২১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) গোৱালপাৰা আৰু হাত শিঙিমাৰী মহকুমাত ১৯৯১ চনৰ পৰা ১৯৯৩

*Speech not corrected.

চনৰ ৩১ আগষ্টলৈ মুঠ কিমানটা পৰিয়াল নদী ভাঙাত ক্ষতিগ্ৰস্ত হৈছে আৰু তাৰ মাজত কিমানজনক পুনৰ সংস্থাপন দিয়া হৈছে তাৰ সংখ্যা সদনত জনাবনে ?

খ) উক্ত মহকুমা দুটাত কিমানটা পৰিয়ালক নদী ভাঙাত ক্ষতিগ্ৰস্ত হিচাপে পুনৰ বসতি সাহায্য দিয়া হৈছে । যদি দিয়া হৈছে তেন্তে মুঠ কিমান টকা দিয়া হ'ল তাৰ পৰিমাণ জনাবনে ?

গ) যিসকল পৰিয়ালক পুনৰ বাসনৰ সাহায্য দিয়া হোৱা নাই সেইসকলক সাহায্য দিয়া হবনে ?

শ্ৰীমুকুট শৰ্মা ( ৰাজহ মন্ত্ৰী )য়ে উত্তৰ দিছে :

ক) গোৱালপাৰা আৰু হাতশিঙিমাৰী মহকুমাত ১৯৯১ চনৰ পৰা ১৯৯৩ চনৰ ৩১ আগষ্টলৈ মুঠ ১২,৬৯০ টা পৰিয়ালক নদী ভাঙাত ক্ষতিগ্ৰস্ত হৈছে । ১২,৬৯০ টা ক্ষতিগ্ৰস্ত পৰিয়ালৰ ভিতৰত ৩০ টা পৰিয়ালক মাটি আৰু আৰ্থিক সাহায্য দি পুনৰ সংস্থাপন দিয়া হৈছে ।

খ) উক্ত দুয়োটা মহকুমাৰ মুঠ ১২,২৪৪ টা ক্ষতিগ্ৰস্ত পৰিয়ালক পুনৰ সংস্থাপনৰ বাবে ৩১,৭৮ ৪০০ টকা আৰ্থিক সাহায্য বাবদ দিয়া হৈছে ।

গ) বৰ্তমান চৰকাৰৰ বিবেচনাধীন হৈ আছে ।

★ শ্ৰীনজমূল হক—অধ্যক্ষ মহোদয় মই ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ক সুধিব বিচাৰো যে ১২ ৬৯০ টা পৰিয়াল নদী ভাঙাত ক্ষতিগ্ৰস্ত হৈছে । এই ক্ষতিগ্ৰস্ত লোকসকলক পুনৰ সংস্থাপন দিবৰ বাবে আৰু এই নদী ভাঙাত ক্ষতিগ্ৰস্ত হোৱা মানুহখিনিক ৰক্ষা কৰাৰ বাবে অসম চৰকাৰৰ হাতত থকা যিবিলাক ফৰেষ্ট ৰিজাৰ্ভৰ মাটি সেই মাটিবলাকত এই ক্ষতিগ্ৰস্ত লোকসকলক পুনৰ বাসন দিয়াৰ বাবে চৰকাৰে চিন্তা কৰিবনে ?

★ শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয় চৰকাৰে সকলোখিনি মানুহক পুনৰ বসতি দিয়াৰ কাৰণে চেষ্টা চলাই আছে । কিন্তু মানুহ অনুপাতে খাচ মাটি নোহোৱাৰ কাৰণে আমি এতিয়াও সকলোকে পুনৰ বসতি দিব পৰা নাই । কাৰণ আজি যিবিলাক ফৰেষ্ট ৰিজাৰ্ভ আছে সেই ৰিজাৰ্ভ বিলাক মুকলি কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা বাধা নিষেধ আছে । তথাপিও

*Speech not corrected

আমি প্ৰচেষ্টা চলাই আছো । যাতে এই সকলো লোকক পুনৰ সংস্থাপন দিব পাৰি ।

★ শ্ৰীদেৱান জয়নাল আবেদিন –অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে প্ৰশ্নৰ উত্তৰত যি দুটা মহকুমাৰ কথা কৈছে তাত মোৰ সমষ্টিও পৰিছে । মোৰ সমষ্টিৰ হেড কোৱাৰ্টাৰ দক্ষিণ শালমাৰাত আছে । গতিকে এই দুয়োটা মহকুমাৰ ভিতৰত কোনটোত কিমানজন গড়াখহনীয়াত সৰ্বশ্ৰান্ত হৈছে সেই কথা মন্ত্ৰী মহোদয়ে বেলেগে বেলেগে দেখুৱাবনে ?

★ শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটোত এইটো বেলেগে বেলেগে বিচৰা নাছিল । প্ৰশ্নটোত কোৱা হৈছে যে উক্ত মহকুমা দুটাত কিমানটা পৰিয়ালক নদী ভাঙাত ক্ষতিগ্ৰস্ত হিচাপে পুনৰ বসতিৰ সাহায্য দিয়া হৈছে । গোৱালপাৰা মহকুমাত ১০৯৮ টা পৰিয়াল গৰাখহনীয়াত ক্ষতি-গ্ৰস্ত হৈছে আৰু হাত শিঙিমাৰী মহকুমাত ১৯৯১ চনত ৪৮৮৬ টা পৰিয়াল, ১৯৯২ চনত ১৯২৬ টা পৰিয়াল আৰু ১৯৯৩ চনৰ ৩১ আগষ্টলৈকে ৪৭৮০ টা পৰিয়াল মুঠ ১১,৫৯২ টা পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে । গৃহহীন হৈছে ।

★ শ্ৰীদেৱান জয়নাল আবেদিন—অধ্যক্ষ মহোদয়, ১২,৬৯০ টা ক্ষতিগ্ৰস্ত পৰিয়ালৰ ভিতৰত মাত্ৰ ৩০ টা পৰিয়ালকহে পুনৰ সংস্থাপন দিয়া হৈছে বুলি মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে । মই জনাৰ বাবেহে কৈছো । যিবিলাকক পুনৰ সংস্থাপন দিয়া হৈছে সেই বিলাকক টকাহে দিয়া হৈছে আৰু নদীৰ মাজত পুনৰ বাসন দিয়া হৈছে । এতিয়া সেই মানুহবিলাক তাত নাই । ইয়াত কোনো এটা পৰিয়াল কাৰ্য্যতঃ পুনৰ বাসন দিয়া হোৱা নাই । মন্ত্ৰী মহোদয়ে কৈছে যে, কেন্দ্ৰীয় চৰকাৰৰ অনুমতি নোহোৱাৰ কাৰণে ফৰেষ্ট বিভাগৰ ভিতৰত মাটি দিব নোৱাৰ । কিন্তু মন্ত্ৰী মহোদয়ে জানে যে, ধুবুৰী জিলাৰ ভিতৰতে তেখেতক ১১ ঠাইত মাটি দেখুৱা হৈছে । যত ফৰেষ্টৰ লগতে ৰেভিনিউ বিভাগৰো মাটি আছে । যিবিলাক ঠাইত এই পীড়িত ক্ষতিগ্ৰস্ত মানুহখিনিক পুনৰ বাসন দিব পৰাতো সম্ভৱ । মন্ত্ৰী মহোদয়ৰ সেই পৰিকল্পনাতো কি হল সেই কথাটো জনাবনে ।

★ শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, মই মাননীয় সদস্যৰ লগত একে-লগে গৈ হাতশিঙিমাৰী আৰু দক্ষিণ শালমাৰা আৰু গোৱালপাৰাত মাটি

*Speech not corrected

চাইছিলো। কিন্তু সেইবিলাক অঞ্চলত যিবিলাক মাটি সেই মাটিবিলাক চৰ অঞ্চলত। আইৰনজঙ্গ চৰতো মাটি চাইছিলো। কিন্তু সেই অঞ্চল বিলাকলৈ মানুহ যাবলৈ ইচ্ছা নকৰে। সেই কাৰণে অসুবিধা হৈছে। অন্য চৰত মাটি দিয়াৰ বাবে চেষ্টা চলাই আছে। কোনো চৰতে কোনো মানুহ যাবলৈ নিবিচাৰে। সেইকাৰণে আমি কিছু অসুবিধা অনুভব কৰিছো। কিন্তু এই ক্ষেত্ৰত চৰকাৰে চেষ্টা চলাই আছে।

★Shri Mission Ranjan Das : Sir, in my constituency Karimganj (North) the village Lafasail stands on the international border river Kuchiara. The villagers of the said village are victims of river erosion. I want to draw the attention of the Hon'ble Minister and an assurance from him that they would also be included in ihe list.

★শ্ৰীনজমূল হক : অধ্যক্ষ মহোদয়, ৰাজহ মন্ত্ৰী মহোদয়ে কৈছে যে, গোৱালপাৰা অঞ্চলত পুনৰবাসন দিয়াৰ বাবে মাটি নাই। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে, ৰাজহ মন্ত্ৰী মহোদয়ে অসমৰ যিকোনো ঠাইতে মাটি দিয়াৰ ব্যৱস্থা কৰিবনে ?

Mr. Speaker : Mr. Haque, you yourself are giving the reply. So that Minister not reply. What is your question ?

শ্ৰীনজমূল হক—অধ্যক্ষ মহোদয়, ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অসমৰ যিকোনো ঠাইতে কেন্দ্ৰীয় চৰকাৰৰ অনুমতি নোহোৱাকৈ ৰিজাৰ্ভৰ মাটি দিব পাৰে। ৰিজাৰ্ভত মাটি বহুত আছে যিকোনো ঠাইতে পুনৰ বাসন দিব পাৰে।

Mr. Speaker—Mr. Haque you have got the specific reply from the Minisier. So. their should not be any further discussion on the question.

শ্ৰীনজমূল হক : অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক পুনৰ অনুৰোধ কৰো যে, অসমৰ যিকোনো ঠাইতে এই ক্ষতিগ্ৰস্ত লোকসকলক পুনৰ বাসন দিয়াৰ বাবে মাটিৰ ব্যৱস্থা কৰিব লাগে।

Mr. Speaker : As question No. 22 is deferred. Now,

★Speech not corrected

question No. 23. Questioner Shri Hitendra Nath Goswami, Hon'ble Minister, Revenue is to reply.

### বিষয়ঃ চৰকাৰী মাটি বেদখল।

★২৩। শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামীয়ে সুধিছে ঃ

মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৰহাট পৌৰ এলেকাৰ ভিতৰত কিমান পৰিমাণৰ চৰকাৰী মাটি বেদখলীৰ হাতত আছে ?

(খ) টোকলাই নদীত উক্ত এলেকাৰ ভিতৰত বেদখল কৰি থকা ব্যক্তিসকল কোন আৰু তেওঁলোকক উচ্ছেদ কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা হ তত লৈছে ?।

(গ নগৰ এলেকাৰ ভিতৰত গড় আলিৰ কোনো চৰকাৰী মাটি ব্যৱসায়ী সকলে অবৈধভাৱে দখল কৰি আছে নেকি আৰু যদি আছে, তেওঁ-লোকৰ তালিকা দাখিল কৰিব আৰু উচ্ছেদৰ বাবে কি ব্যৱস্থা লোৱা হৈছে জনাব ?

শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) যোৰহাট পৌৰ এলেকাৰ অন্তৰ্গত ৩ বিঘা ১ কঠা ১৪ লোছা সাধাৰণ চৰকাৰী আৰু পৌৰ সভাৰ নামত সংৰক্ষিত মাটি বেদখলীৰ কব্জাত আছে।

(খ যোৰহাট পৌৰ এলেকাৰ ভিতৰৰ টোকলাই নদীত বেদখল কৰি থকা ব্যক্তিসকল হ'ল ঃ

(১) শ্ৰীমুকুলীধৰ মালপানী।
(২) ,, ৰামঅৱতাৰ আগৰৱালা।
(৩) ,, মালচান্দ গাটানী।
(৪) ,, ভাওবিলাল বাহাটি
(৫) ,, ৰমে মালপানী
(৬) ,, মদনলাল আগৰৱালা
(৭) ,, ইন্দ্ৰচান্দ জাজু।

উপৰোক্ত বেদখলকাৰীক উচ্ছেদৰ বাবে ৰুজু কৰা বেদখল গোচৰৰ সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয় আৰু অসম ৰাজহ বোৰ্ডৰ উচ্ছেদ বন্ধৰ আদেশক্ৰমে বৰ্তমানে বেদখল উচ্ছেদ কৰিব পৰা নাই।

(গ) হয়, আছে। বেদখলকাৰী ব্যৱসায়ীসকলৰ তালিকা পিতৃৰ নামসহ তলত উল্লেখ কৰা হ'ল :

১) শ্ৰীচৰ্দাৰ কৃষাণ সিং—পিতা—কাৰ্টাৰ সিং।
২) ,, ওমপ্ৰকাশ ঠাকুৰাল—পিতা—লালকি প্ৰাই।
৩) ,, লীলা কমল ভোৱাল—পিতা—হিৰেন্দ্ৰ।
৪) ,, মঃ হানিফ।
৫) ,, অজিত সিং—পিতা—সহান সিং।
৬) ,, সুশিল কুমাৰ ঘোষ—পিতা—সতিশ।
৭) ,, লাহতি ব্ৰাদাৰ্ছ।

উক্ত বেদখলকাৰীসকলক উচ্ছেদৰ বাবে গোচৰ ৰুজু কৰা আছে। কিন্তু বেদখলকাৰীসকলে উচ্চ ন্যায়ালয় আৰু ৰাজহ বোৰ্ডৰপৰা উচ্ছেদ স্থগিতাদেশ অনাৰ বাবে উচ্ছেদ কৰিব পৰা নাই।

মহামান্য উচ্চ ন্যায়ালয় আৰু অসম ৰাজহ বোৰ্ডৰ উক্ত গোচৰবোৰ চৰকাৰৰ পক্ষে নিষ্পত্তি কৰাৰ পিছতহে উচ্ছেদকৰণ সম্পৰ্কে চৰকাৰে যাবতীয় ব্যৱস্থা ল'ব পাৰিব।

★ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰৰ পৰা এইটো কথা স্পষ্ট হৈছে যে যোৰহাট নগৰখনৰ এটা এলেকা এচাম ব্যৱসায়ীৰ দ্বাৰা বেদখল হৈছে। এই লোক সকলে টোকলাই নদীৰ ওপৰত যোৱা ৩০-৩৫ বছৰ ধৰি বেদখল কৰি বহি আছে। এই বেদখলকাৰী সকলৰ বাবে আজি যোৰহাট টাউনৰ টোকলাই নদীখন বন্ধ হৈ গৈছে। ইয়াৰ বাবে যোৰহাট টাউন আৰু কাষৰ অঞ্চলত কৃত্ৰিম বানপানীৰ সৃষ্টি হৈছে। মন্ত্ৰী মহোদয়ে কৈছে যে ৰেভিনিউ বোৰ্ড আৰু হাইকোৰ্টে উচ্ছেদ কাৰ্য্য ষ্টে কৰাৰ কাৰণে চৰকাৰে এতিয়া উচ্ছেদ কৰিব পৰা নাই। হাইকোৰ্ট বা ৰেভিনিউ বোৰ্ড চৰকাৰ পক্ষই নিজৰ বস্তু শক্তিশালী ভাবে ৰাখিব পাৰিব লাগিব, চৰকাৰে ভালকৈ প্লিড কৰিব পাৰিব

*Speech not corrected

লাগিব। নহ'লে এই কৃত্ৰিম বানপানীয়ে যোৰহাটৰ বিভিন্ন অফিচ, কাছাৰী অন্যান্য অঞ্চল সদায়েই ক্ষতিগ্ৰস্ত কৰিব। মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে এই উচ্ছেদ কাৰ্য্য প্ৰথমবাৰৰ কাৰণে কেতিয়া ষ্টে হৈছিল আৰু শেষবাৰৰ কাৰণে কেতিয়া ষ্টে কৰা হৈছে?

☆ শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, মোৰ হাতত বৰ্তমান ডিটেইলচ তথ্য নাই এই ক্ষেত্ৰত। হাইকোৰ্ট আৰু ৰেভিনিউ বোৰ্ডত উচ্ছেদ কাৰ্য্য ষ্টে হৈ আছে বুলি যোৰহাটৰ উপায়ুক্তই জনাইছে। আমাৰ ফালৰ পৰা ৰাজহ বিভাগ আৰু আইন বিভাগক কোৱা হৈছে এই ষ্টে অৰ্ডাৰ সোনকালে ভেকেট কৰাৰ কাৰণে ব্যৱস্থা লবলৈ। যোৰহাটৰ উপায়ুক্তৰ লগতে এই বিষয়ে আলোচনা কৰা হৈছে।

☆ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী: মাননীয় অধ্যক্ষ মহোদয়, অকল যোৰ-হাট নগৰেই নহয়, অসমৰ প্ৰায় সকলোবোৰ নগৰেই আজি এনে এচাম কোটিপতি বে-দখলকাৰীৰ বে দখলৰ কবলত পৰিছে আৰু এইবোৰ উচ্ছেদ কৰিব নোৱাৰিলে এক ভয়ানক অৱস্থাৰ সৃষ্টি হব। এই কোটিপতি সকলক উচ্ছেদ কৰাৰ বাবে চৰকাৰে বিশেষ দক্ষ উকীল নিযুক্তি দিব লাগে, হাই কোৰ্টত ফাইট কৰিবৰ কাৰণে। চৰকাৰে সাধাৰণ দুখীয়া নিচলা বেপাৰী বা অন্য লোকক উচ্ছেদ কৰিব পাৰে কিন্তু এই কোটিপতি সকলক উচ্ছেদ কৰিব নোৱাৰে। তেওঁলোকে হাইকোৰ্টৰ পৰা ষ্টে অৰ্ডাৰ নিয়ে। মোৰ বোধেৰে যোৰহাটৰ উপায়ুক্তও ইয়াৰ লগত লিংক থাকিব পাৰে। মন্ত্ৰী মহোদয়ে জনাবনে যে এই উচ্ছেদ কাৰ্য্য অহা ৬ মাহৰ ভিতৰত সম্পূৰ্ণ কৰিব পাৰিব বুলি?

☆ শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী): অধ্যক্ষ মহোদয়, আমি এই কেচ সোনকালে নিষ্পত্তি কৰিবৰ কাৰণে ৰেভিনিউ আৰু আইন বিভাগৰ পৰামৰ্শ লৈ ব্যৱস্থা গ্ৰহণ কৰা হব।

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী: অধ্যক্ষ মহোদয়, ইয়াৰ কাৰণে এ পেনেল অৱ লয়াৰ্চ' নিযুক্তি দিব লাগে। যাতে বিভাগৰ হৈ ভালদৰে কোৰ্টত প্লিড কৰিব পাৰে।

Mr. Speaker : Mr. Goswami you have got the specific

*Speech not corrected

reply from the Minister. So, there should not be any further discussion on the Question.

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা ভেগ এনচাৰ বিচৰা নাই। বিভাগে এডভোকেট জেনেৰেলক পেনেল অৱ লয়াৰ্চ নিয়োগ কৰিবলৈ কব লাগে।

★ শ্ৰীগিয়াছুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে কি যুক্তিত ৰেভিনিউ বোৰ্ড আৰু হাইকোৰ্টে এই উচ্ছেদ কাৰ্য্য ষ্টে কৰিছে ?

★ শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মোৰ হাতত বৰ্তমান ডিটেইলচ নাই। আমাৰ চৰকাৰী চিনিয়ৰ এডভোকেটৰ পেনেল থাকে আৰু সেই পেনেলৰ পৰাই কেচৰ কাৰণে উকীল নিযুক্তি দিয়ে—এইটোৱেই প্ৰচলিত প্ৰথা।

★ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : অধ্যক্ষ মহোদয়, কাৰ্বিআংলঙৰ কেচ ফাইট কৰিবৰ কাৰণে চৰকাৰে বাহিৰৰ পৰা এডভোকেট আনিব পাৰে কিন্তু এইটোৰ ক্ষেত্ৰত আনিব নোৱাৰে কিয় ?

Mr. Speaker : It is not relevant. The Answer was very specefic. I also request the Minister to look into the matter.

★ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : অধ্যক্ষ মহোদয়, হাইকোৰ্টে দিয়া অৰ্ডাৰৰ তথ্য পাতি মন্ত্ৰী মহোদয়ে সদনত দাখিল কৰিবনে নকৰে জনাবনে ?

★ Shri Mukut Sarma ( Minister ) : I can give some details. Sir, the name of the person are, Shri Murulidhar Malpani—year of encroachment 1986, date of institution of case by D.C. 1.8.86 and the date of stay order 23.12.87, Shri Ramesh Ch, Malpani............

(Voices—Not necessary, we have got it.......)

Mr. Speaker : After the question hour I will not allow to put any more question. Therefore, the question

---

*Speech not corrected

must be specific otherwise the Minister Incharge will not be able to give the answer.

*শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : অধ্যক্ষ মহোদয়, ১৯৮৬ চনৰ পৰা কেচ আছে, কিন্তু চৰকাৰে কোনো সিদ্ধান্ত লোৱা নাই।

( Starred question No. 24 is defereed )

Mr. Speaker . Now Starred Question No. 25. Questioner Shri Sahidul Alam Choudhury.

**Re : Settlement of land**

Shri Sahidul Alam Choudhury, asked :

★25. Will the Minister, Revenue be pleassed to state :

(a) Whether any land of Sri Ananta Vidya Neketan of Hailakandi Town Ward No. III was settled with Sri Gobinda Chakraborty, Additional Deputy Commissioner, Hailakandi or any Member of his family ?

(b) Whether the provisions of Assam Land Policy, 1989 was followed in such settlement ?

(c) Whether the Government received any complaint regarding the settlement and if so what actions the Government have taken in the matter ?

Shri Mukut Sarma (Minister, Revenue) replied :

a) No.

b) Does not arise.

c) Yes, Government received two complaints regarding the settlement of land with Shri Gopendu Chakraborty ( not Shri Gobina Chakraborty ). These have been

★Speech not corrected

sent to D. C.. Hailakandi for enquiry and report which is still awaited.

*শ্ৰীছহিদুল আলম চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, এক নম্বৰত ন' বুলি কৈছে, দুই নম্বৰত দাজ ন'ট এৰাইজ বুলি কৈছে আৰু তিনি নম্বৰত কৈছে, হয় দুটা কমপ্লেইন চৰকাৰে পাইছে। সেই কমপ্লেইন পঢ়ি শুনাব নেকি আৰু ৰেকৰ্ড কি পাইছে জনাব নেকি?

*শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, হাইলাকান্দিৰ ডি, চিয়ে শ্ৰীগোপেন্দ্ৰ চক্ৰবৰ্ত্তীৰ নামত মাটি ছেটেলমেন দিবৰ কাৰণে প্ৰস্তাৱ দিয়ে। আমি বৰ্ত্তমান তেওঁৰ নামত চেটেলমেন দিয়া নাই।

★শ্ৰীছহিতুল আলম চৌধুৰী : অধ্যক্ষ মহোদয়, কমপ্লেইনটো কি মই সেইটোহে জানিব বিচাৰিছো।

*শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, কমপ্লেইনটো হৈছে এখন স্কুলৰ মাটি দিয়া হৈছে বুলি কৈছে। হাইলাকান্দি ডি, চি, ৰ পৰা গোটেই কমপ্লেইন বিচৰা হৈছে।

★শ্ৰীছহিতুল আলম চৌধুৰী : অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন আছিল কমপ্লেইনটো পঢ়ি শুনাব লাগে। তাত নিশ্চয় কিবা কথা আছে সেই কাৰণে পঢ়ি দিয়া নাই। শ্ৰীগোপেন্দ্ৰ চক্ৰবৰ্ত্তী এ, ডি, চি, হাইলাকান্দি, আমাৰ লোকেল মিনিষ্টাৰৰ কৃপাত বহুত ধন কৰিছে। (গণ্ডগোল)

Mr. Speaker : The remarks made by the Hon'ble member against the Minister is totally expanged from the proceedings.

*শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, কমপ্লেইনটো কি আছিল পঢ়ি শুনাব লাগে।

★Shri Mukut Sarma (Minister) : Sir, I want the help of my Minister of State and he will reply to this question.

Shri Jaman Singh Brahma (Minister of State) : Sir, I Shall read out a letter addressed to Secretary, Revenue by the President Ananta Vidyaniketan. I on behalf of

● Speech not corrected

the Managing Committee of 52 No. Ananta Bidyaniketan LP school, Hailakandi Town have the honour to refer to the letter dated the 29th March/93 addressed to the Deputy Commissioner, Hailakandi with a copy endorsed to you and to state that on reply has yet been received from either hand. That it is not understood as to know a top-ranking officer of the District, Shri Gopendu Chakraborty can take possession of 5 katha 8 lbs of land and can start construction of walls the said land without Government's approval and only on the basis of the recommendation by the Land Anvisory Committee Hailakandi. Moreover, the said land actually belongs to 522 No. Ananta Bidyaniketan LP School Hailakandi Town and the said land was donated by one Hemanta Kr. Chakraborty of Hailakandi to the Managing Committee of Ananta Vidyaniketan LP School by a regitered deed on 24.3.58. Since then the said land had been under the possession of the L.P. School for last 35 years and was used as play ground for the students of the School. The Latrine and Urinal of the school was situated on the said land also.

That a strong resentment is prevailing in Hailakandi among the elite and educated people because the land of an educational institution is being taken possession of by the top-ranking officer of the district illegally.

That now the donor of the land and also the Managing committe of Ananta Bidyankentan LP School are contemplating to file a case against the local administration

*Speech not corrected

and the Government of Assam for taking no action in the matter.

A final decision will be taken in the matter after receiving a reply from your end. This may kindly be treated on priority basis.

Yours faithfully,
President
522 No. Ananta Bidyaniketan;

Copy to the Honourable Minister, Revenue, Government of Assam, Dispur for information and necessary action etc ....
copy to the Deputy Commissioner, Hailakandi for information;

*শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, এই কমপ্লেইনৰ ওপৰত আজি দুমাহ ধৰি কি কাৰণে কমেণ্ট দিয়া নাই। ইয়াত স্পষ্টকৈ এ, ডি, চি জড়িত হৈ আছে, সেই কাৰণে ডি চি, মাটি দিয়াৰ সপক্ষে থাকিব পাৰে। গতিকে ডি,চি, ক তৎকালীন ভাবে তাৰ পৰা আতৰ কৰিব নে ? ডি, চি, বা এ. ডি, চি, স্কুলৰ মাটি দখল কৰাত ব্যস্ত হৈ পৰিছে। স্কুলৰ মাটি পৰীক্ষা নকৰাকৈ ব্যক্তি এজনক দিব ওলাইছে সেই কাৰণে সঠিক উত্তৰ নাপাব। তাত আন ডি, চি বা এ, ডি চি, দিব লাগে। তেতিয়াহে সঠিক উত্তৰ পাব।

Mr. Speaker : No. the land has not been allotted. It is in the process of being alloted. So, in the process Government has asked for a report and to that extent the Government have done its duty. I tnink this should not be a problem.

*শ্ৰীছহিদুল আলম চৌধুৰী : অধ্যক্ষ মহোদয়, এ, ডি চি য়ে স্কুলৰ মাটি দখল কৰিবলৈ গৈছে, প্ৰস্তাৱ এটা চৰকাৰলৈ আহিছে, সেইটো যাতে আৱণ্টন নিদিয়ে।

★Speech not corrected

* শ্ৰীগিয়াছুদ্দিন আহমেদ : অধ্যক্ষ মহোদয়, উপায়ুক্ত মহোদয়ে যদি মাটিখিনি পট্টন দিয়া বাবে চৰকাৰে কিবা প্ৰস্তাৱ পঠিয়াইছিল নেকি, যদি পঠিয়াইছিল তেন্তে লেণ্ড এডভাইচৰী বোৰ্ডৰ অনুমোদন সাপেক্ষে পঠিয়াইছিল নেকি ?

★ শ্ৰীমুকুট শৰ্মা : অধ্যক্ষ মহোদয়, জিলা উপায়ুক্তই এই জন লোকৰ নামত মাটি পট্টন দিবৰ কাৰণে চৰকাৰলৈ প্ৰেৰণ কৰিছিল। ইতিমধ্যে অভিযোগ আহিছে, সেইবিলাক চাই ইয়াৰ কমেণ্ট দিবলৈ জিলা উপায়ুক্তলৈ পঠিয়াইছো। দ্বিতীয়তে চাব ডিভিজনেল লেণ্ড এডভাইচৰী কমিটিয়ে পাছ কৰিছে।

★ শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, যি জন ডি, চি, য়ে মাটি দিব লাগে বুলি প্ৰস্তাৱ দিছে সেই ডি, চি, য়ে সহযোগী এজনৰ বিৰুদ্ধে কি ৰিপোৰ্ট দিব। সচা ৰিপোৰ্ট নিদিয়ে।

* শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰস্তাৱটো লেণ্ড এডভাইচৰী কমিটি প্ৰস্তাৱ কৰাৰ পিছত ডি, চি, দায়িত্বত আছে, চৰকাৰলৈ পঠাব লাগে।

Mr. Speaker : This is not necessary.

(Noise, interruption)

★ শ্ৰীচহিদুল আলম চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, এ, ডি, চি, শ্ৰীগোপেন্দু চক্ৰৱৰ্তীৰ গুৱাহাটীত ঘৰ মাটি আছে আৰু শিলচৰটো আছে। তেনে মানুহৰ নাম ডি চি, য়ে অনুমোদন জনাইছে এখন স্কুলৰ মাটি। এই মাটি দিয়াৰ পৰিপেক্ষিতত আমাৰ হাইলাকান্দিত কেচ কৰিছে। শ্ৰীচিত্ত দেৱক এই সংক্ৰান্তত 'ৰেপ' কেচত এৰেষ্ট কৰিছে। (হুলস্থুল)

Mr. Speaker : Now, I am going to Question No. 26 Smti. Renupoma Rajkhowa, please. (Interruption) .... .... .... Well, well, I will definitely discuss this matter with the Hon'ble Minister......... So, I am going to take the initiative.

(Voice, interruption)

---

*Speech not corrected

Now Starred Question No 26, Questioner Smti. Renupoma Rajkhowa, Minister, Irrigation to reply.

বিষয় : জলসিঞ্চনৰ নতুন আঁচনি।

শ্ৰীমতী ৰেণুপমা ৰাজখোৱাই সুধিছে :

★ ২৬। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বৰ্তমান অসম চৰকাৰে অসমৰ প্ৰতিখন জিলাতে কিমান জলসিঞ্চনৰ নতুন আঁচনি গ্ৰহণ কৰিছে ? (আঁচনিৰ তালিকা সদনৰ মজিয়াত দাখিল কৰিব)

খ) অসমত মুঠ জলসিঞ্চনৰ কিমান আঁচনি অসম্পূৰ্ণ হৈ আছে ? (সদনৰ মজিয়াত তালিকা দাখিল কৰিব)

শ্ৰীজেহিৰুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ১৯৯১-৯২ বছৰত এই চৰকাৰে লোৱা নতুন আঁচনিৰ তালিকা মেজত দিয়া হ'ল। ১৯৯২-৯৩ চনত কোনো নতুন আঁচনি লোৱা হোৱা নাই। ১৯৯৩-৯৪ চনৰ বাবে নতুন আঁচনি নিৰ্দ্ধাৰিত তালিকাত দিয়া হ'ল।

((See the Annexure—I)

খ) অসমত ১৯৯২ চনৰ ৩১ মাৰ্চলৈ ক্ষেত্ৰ উন্নয়ন আৰু জলপথ আঁচনি সমন্বিতে অসম্পূৰ্ণ হৈ থকা চৰকাৰী জলসিঞ্চন আঁচনিৰ সংখ্যা ১৪৭৪ টা। জিলা ভিত্তিত উক্ত সংখ্যা দেখুৱাই তালিকা দাখিল কৰা হৈছে।

(See the Annexure—II)

শ্ৰীমতী ৰেণুপমা ৰাজখোৱা : মাননীয় অধ্যক্ষ মহোদয়, এই আঁচনি সমূহ জিলা ভিত্তিত কেনেদৰে লোৱা হৈছিল। দ্বিতীয়তে মোৰ প্ৰশ্ন আধাকৈ লিখা হৈছে। এইবিলাকৰ মোৰ প্ৰশ্নৰ লগত জড়িত আছিল—টীয়ক সমষ্টিৰ অন্তৰ্গত কিমান আঁচনি বৰ্তমানলৈকে বাকী আছে আৰু কিমান অসম্পূৰ্ণ হৈ আছে আৰু কিমান কৰা হব।

★ শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, টীয়ক সমষ্টিৰ কথা ইয়াত উল্লেখ নাই।

★শ্ৰীমতী ৰেণুপমা ৰাজখোৱা : মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আধা দিছে, আধা কাটিছে।

Mr. Speaker : I will enquire into the question definitely. I will take action.

★ শ্ৰীফণী ভূষণ চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, জিলা ভিত্তিত কিমান আঁচনি লৈছে মন্ত্ৰী মহোদয় জনাব নেকি ?

★ শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, তালিকাত দিয়া হৈছে।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমান বানপানীৰ ফলত কিমান জলসিঞ্চন আঁচনি ক্ষতিগ্ৰস্ত হৈছে। যিবিলাক পুৰণি আঁচনি আছিল সেইবিলাকৰ কাম কৰিবলৈ কিমান বাকী আছে ? নতুনকৈ আঁচনি লোৱাৰ যুক্তিযুক্ততা আছে বুলি চৰকাৰে ভাবে নেকি ?

★ শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মেজৰ ৯ টা আৰু মাইনৰ ১৪৬৫ টা কাম চলি আছে ইয়াৰ কাৰণে আমাৰ ১৬০ কোটি টকাৰ দৰকাৰ।

★শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, মেজৰ ৯ টা আৰু মাইনৰ ১৪৬৫ টা ১/২ বছৰৰ ভিতৰত হব নেকি ? মাই-ৰ ইৰিগেশ্যন স্কীম তেল বা ইলেকট্ৰিচিটিৰ বাবে বন্ধ হৈ আছে নেকি ?

★ শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এইটো পুঁজিৰ কথা। বানপানীত যথেষ্ট পৰিমাণে ক্ষতি হৈছে।

★ শ্ৰীমতী ৰেণুপমা ৰাজখোৱা : মাননীয় অধ্যক্ষ মহোদয়, অসমৰ জলসিঞ্চন আঁচনিবিলাকৰ কামবিলাক মাত্ৰ তিনিটা প্ৰতিষ্ঠানৰ নামত কৰিবলৈ দিয়া হৈছে নেকি ?

★ শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইটো প্ৰশ্ন নাহে। অসমত তেনে ধৰণৰ হাজাৰ হাজাৰ ঠিকাদাৰ আছে।

★ শ্ৰীনজমুল হক : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ জলসিঞ্চন আঁচনিৰ

★Speech not corrected

কিমান টকা 'কাট' কৰা হৈছে আৰু কিমান টকা 'ডাইভাট' কৰা হৈছে।

*শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, বাজেটত আছে, কাট কৰা হোৱা নাই।

Shri Misson Ranjan Das : Sir, in Karimganj district, how many irrigation schemes have been adopted, among this how may will be completed and how many will remain incomplete during the current financial year ?

Shri Zahirul Islam (Minister, Irrigation ) : Not relevant

*শ্ৰীনগেন শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মই জানিব খুজিছো মাইনৰ ইৰিগেশ্যনৰ টকা কাটি নি মেজৰ ইৰিগেশ্যনক দিয়া হৈছে নেকি ?

*শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাইনৰ ইৰিগেশ্যনৰ টকা কাটি নি মেজৰ ইৰিগেশ্যনক দিয়াটো সম্ভৱ নহয়।

Mr. Speaker : Question No 27. Questioner is absent. Question No 28. Questioner is absent, Now Question No 29. Minister, Revenue will reply.

বিষয় : বানপানীত ক্ষতিগ্ৰস্ত ৰাইজৰ সাহায্য।

শ্ৰীনিজামুদ্দিন খানে, সুধিছে :

*২৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ১৯৯৩ চনৰ বানপানীত ক্ষতিগ্ৰস্ত ৰাইজক সাহাৰ্য্য দিয়াৰ বাবে কিমান টকা খৰচ কৰা হৈছে ? :

খ) সাহাৰ্য্য দিয়াৰ ভিত্তি কি ?

গ) বৰপেটা জিলাৰ কিমান ৰাইজক এই সাহাৰ্য্য দিয়া হৈছে ?

শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ১৯৯৩ চনৰ বানপানীত ক্ষতিগ্ৰস্তলোকক পাৰিতোষিক সাহায্যৰ বাবে এতিয়ালৈকে ৪,৩৩,৪৭,৮৯১ টকা জিলাধিপতি আৰু মহকুমাধিপতিক মুকলি কৰি দিয়া হৈছে ?

★Speech not corrected

খ) বানপানীৰ ফলত যিসকল লোকে ঘৰবাৰী এৰি আশ্ৰয় শিবিৰত আশ্ৰয় লব লগীয়া হয় আৰু যিসকল লোকে বানপানীত আবদ্ধ হৈ পৰে এই সকল লোকৰ জীৱন ৰক্ষাৰ বাবে তলত উল্লেখ কৰা মতে পাৰিতোষিক সাহায্য প্ৰদান কৰা হয়।

১) চাউল—৬০০ গ্ৰাম প্ৰতিদিন প্ৰতিজন প্ৰাপ্তবয়স্ক লোকৰ বাবে।
চাউল— ৪০০ গ্ৰাম প্ৰতিদিন প্ৰতিজন নাবালক/নাবালিকাৰ বাবে।

২) দাইল—১০০ গ্ৰাম প্ৰতিদিন প্ৰতিজনৰ বাবে।

৩ নিমখ ৩০ গ্ৰাম প্ৰতিদিন প্ৰতিজনৰ বাবে।

৪) সৰিয়হ তেল ৩০ গ্ৰাম প্ৰতিদিন প্ৰতিজনৰ বাবে। অথবা
চিৰা ৬০০ গ্ৰাম প্ৰতিদিন প্ৰতিজন প্ৰাপ্তবয়স্ক লোকৰ বাবে।
চিৰা— ৪০০ গ্ৰাম প্ৰতিদিন প্ৰতিজন অপ্ৰাপ্তবয়স্ক ল'ৰা-ছোৱালীৰ বাবে।

গ) বৰপেটা জিলাৰ ৫৮ খন গাওঁৰ বানপীড়িত লোকক পাৰিতোষিক সাহায্য দিয়া হৈছে।

★শ্ৰীনিজামুদ্দিন খান মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে, চাৰি কোটিৰো ওপৰত টকাৰ সাহায্য দিয়া হৈছে। মই জানিব বিচাৰিছো এই সাহায্য টকা হিচাপে দিয়া হৈছে নে সামগ্ৰী হিচাপে দিয়া হৈছে। যদি সামগ্ৰী হিচাপে দিয়া হৈছে তেন্তে তালিকাৰ নিৰিখ মতে দিয়া হৈছে নে তাৰ ব্যতিক্ৰম হৈছে।

*শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী)- অধ্যক্ষ মহোদয়, সাধাৰণতে এই সাহায্যবোৰ সামগ্ৰী হিচাপেই দিয়া হয়। কিন্তু কিছু কিছু ক্ষেত্ৰত অসুবিধা হলে টকা হিচাপেও দিয়া হয়। সামগ্ৰী হিচাপে দিওঁতে নিৰ্দ্ধাৰিত নিৰিখ মতে দিবলৈকে আমি উপায়ুক্ত আৰু মহকুমাধিপতি সকলক নিৰ্দেশ দিও আৰু এই ক্ষেত্ৰত এতিয়ালৈকে কোনো অভিযোগ আমি পোৱা নাই।

*শ্ৰীনিজামুদ্দিন খান মাননীয় অধ্যক্ষ মহোদয়, আশ্ৰয় শিবিৰত থকাৰ বাবে সাহায্যৰ ব্যৱস্থা কৰা হয়; আমাৰ বৰপেটা জিলাত কিমানটা এনে আশ্ৰয় শিবিৰ খোলা হৈছিল?

*শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, এই সংখ্যা বৰ্তমান মোৰ হাতত নাই।

---

●Speech not corrected

★শ্রীনিজামুদ্দিন খান—মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে উপায়ুক্ত আৰু মহকুমাধিপতি সকলক যি নিৰিখত সাহায্য দিবলৈ নিৰ্দেশ দিয়া হৈছে, সেই নিৰিখত আমাৰ বৰপেটা জিলাত সাহায্য পোৱা নাই। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে তদন্ত কৰাৰ ব্যৱস্থা কৰিব নেকি আমাক জনাব লাগে।

*শ্রীমুকুট শর্মা (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, বান সাহায্য দিয়াৰ ক্ষেত্ৰত কোনো অনিয়ম হোৱাৰ অভিযোগ মই পোৱা নাই। কিন্তু মাননীয় সদস্যজনে যেতিয়া কৈছে, মই জিলা উপায়ুক্তৰ পৰা এটা ৰিপোৰ্ট বিচাৰিম।

★শ্রীদিলীপ কুমাৰ শইকীয়া—মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে চাৰি কোটিৰো অধিক টকা সাহায্য দিয়া বুলি কৈছে, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে অসম চৰকাৰে বান সাহায্যৰ নামত কেন্দ্ৰীয় চৰকাৰৰ পৰা কিমান টকা দাবী কৰিছে আৰু যোৱা তিনি বছৰত বান সাহায্যৰ নামত কিমান টকা জমা আছিল আৰু তাৰে কিমান টকা আজি-লৈকে খৰচ কৰিছে। মোৰ সমষ্টিতো বানপানী হৈছিল, কিন্তু তাত সপ্তাহত দুদিনহে সাহায্য দিছিল। ইতিমধ্যে ধেমাজীত এজন যুৱকে অনাহাৰত মৃত্যু-বৰণো কৰিছে। মন্ত্ৰী মহোদয়ে বান সাহায্যৰ বাবে যি চাউল, দালি, নিমখ আদি দিয়াৰ কথা কৈছে সেইখিনি মোৰ সমষ্টিত নিৰিখমতে পোৱা নাই। গতিকে ইয়াৰ এটা তদন্তৰ ব্যৱস্থা কৰিব নেকি।

*শ্রীমুকুট শর্মা (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰৰ পৰা আমি কিমান টকা দাবী কৰিছিলো আৰু কিমান টকা খৰচ কৰিলো এই বিষয়ত এটা বেলেগ প্ৰশ্ন কৰিলে ভাল হয়। কিন্তু চাউল, চেনি, দালি আদি নোপোৱাৰ কোনো অভিযোগ আমি পোৱা নাই। গতিকে এইটো তদন্ত কৰাৰ প্ৰশ্ন নুঠে।

(এইখিনিতে কেইবাজনো সদস্যই একেলগে কবলৈ আৰম্ভ কৰে)

*শ্রীআলাউদ্দিন সৰকাৰ: মাননীয় অধ্যক্ষ মহোদয়, আজি ইয়াত বান সাহায্যৰ কথা আলোচনা কৰা হৈছে। বানপানীত আক্ৰান্ত হৈ মানুহে ৰাস্তাত আশ্ৰয় লব লগা হৈছে। ইতিমধ্যে বানপানীত ডুবি কেইবাজনো

★Speech not corrected

মানুহ মৰিছে । কিন্তু চৰকাৰৰ প্ৰতিশ্ৰুতি অনুসৰি সেই মৃত্যু হোৱা লোকৰ পৰিয়ালে যি দহ হাজাৰ কৈ সাহায্য পাব লাগিছিল সেইখিনি পোৱা নাই। এইখিনি লোকক সাহায্য দিয়াৰ ব্যৱস্থা কৰিব নেকি, লগতে বানপানীত আক্ৰান্ত সকলক পুনৰ সংস্থাপনৰ কিবা ব্যৱস্থা কৰিব নেকি ?

*শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী : অধ্যক্ষ মহোদয়, এইকেইজন মানুহ কেনেকৈ মৰিলে আমি সেই সম্পৰ্কে আমি একো খবৰ পোৱা নাই বা তেওঁলোকৰ পৰিয়ালেও আমাক একো জনোৱা নাই । যিহেতু মাননীয় সদস্যজনে অভি-যোগ কৰিছে, মই জিলা উপায়ুক্তৰ পৰা এই বিষয়ে এখন প্ৰতিবেদন বিচাৰিম।

★শ্ৰীআলাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে আমাৰ তাত এখন ৰাজহুৱা সভাত ঘোষণা কৰিছিল যে, যিসকল বানপানীত মৃত্যু হৈছে, তেওঁলোকৰ পৰিয়ালক দহ হেজাৰ টকা আৰু যিসকল আততায়ীৰ গুলিত নিহত হৈছে তেওঁলোকৰ পৰিয়ালক পৈশচ হেজাৰ টকাকৈ সাহায্য দিয়া হ'ব ।

★শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আমাৰ ৰাজহ বিভাগৰ এইটো নিৰ্দেশ আছেই, যে বানপানীত মৃত্যু হোৱা লোকৰ পৰিয়ালক ১০ হেজাৰ টকা দিব লাগে। মাননীয় সদস্যজনে কোৱাৰ দৰে কোন কোন পৰিয়ালৰ কোন কোন সদস্য মৰিছে এই সম্পৰ্কে আমাৰ ওচৰত কোনো অভিযোগ নাই । এই বিষয়ত মই উপায়ুক্তৰ পৰা প্ৰতিবেদন বিচাৰিম ।

*শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে বান সাহায্যৰ বাবে দুটা নীতি ঘোষণা কৰিছে । প্ৰথমটো হ'ল আশ্ৰয় শিবিৰত থকা আৰু আনটো হ'ল বানত আৱদ্ধ হৈ থকা। আমাৰ ৰঙিয়া মহকুমাৰ পুঠিমাৰী নদীৰ বানত আক্ৰান্ত হৈ মানুহে আঠগাওঁত আৱদ্ধ হৈ আছে, কিন্তু সেই মানুহবিলাকে আজিলৈকে কোনো চৰকাৰী সাহায্য পোৱা নাই। ৰঙিয়া মহকুমাত যি তিনি গৰাকী লোক বানপানীত মৃত্যুবৰণ কৰিছে তেওঁলোকৰ পৰিয়ালেও কোনো সাহায্য পোৱা নাই। গতিকে মন্ত্ৰী মহোদয়ে সাহায্যৰ ব্যৱস্থা কৰিব নেকি ?

*শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো আছিল বৰপেটা জিলাৰ। কিন্তু যি নহওক, অকল ৰঙিয়া মহকুমা বুলিয়েই নহয়, গোটেই

---

*Speech not corrected

অসমৰ পৰাই যদি এনে অভিযোগ পোৱা হয় তেন্তে সেইবিলাক পৰীক্ষা কৰি ব্যৱস্থা গ্ৰহণ কৰিম।

*শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যি সাহায্য নীতিৰ কথা কৈছে সেই নীতি ৰঙিয়া মহকুমাত প্ৰযোজ্য নহব নেকি ? তাৰোপৰি যোৱা বানপানীত মৃত্যুবৰণ কৰা সেই তিনি গৰাকী ব্যক্তিৰ পৰিয়ালক ১০ হেজাৰ টকাৰ সাহায্য দিয়া হ'ব নেকি ?

*শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, যি তিনিগৰাকী ব্যক্তিৰ মৃত্যু হোৱা বুলি কৈছে তেওঁলোকৰ নাম বা পৰিয়ালৰ তালিকা মাননীয় সদস্যজনে মোৰ হাতত দিলে মই উপায়ুক্তৰ পৰা ৰিপোৰ্ট আনি সাহায্য দিয়াৰ ব্যৱস্থা কৰিম ।

( সদনত গণ্ডগোলৰ সৃষ্টি হয় )

*শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, যোৱা তিনি বছৰত কেন্দ্ৰীয় চৰকাৰে প্ৰাকৃতিক দুৰ্যোগৰ নামত ৰাজ্য চৰকাৰক ৯০ কোটি টকা দিছিল। ইয়াৰ ভিতৰত ১৮ কোটি টকা খৰচ হয় আৰু বাকীখিনি বেংকত জমা ৰখা হৈছে। অধ্যক্ষ মহোদয়, জানিব পৰা মতে আৰু অধিক ধন কেন্দ্ৰীয় চৰকাৰে দিবলৈ অমান্তি হৈছে বুলি স্পষ্টভাৱে জনাই দিছে এই কাৰণেই যে ৰাজ্য চৰকাৰে আগৰ তিনি বছৰৰ টকা হিচাব দিব নোৱাৰাৰ বাবে। এইটো বৰ গুৰুত্বপূৰ্ণ কথা। অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে চৰকাৰে এতিয়ালৈ কিয় হিচাপ দাখিল কৰা নাই ? এই বিষয়ে মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা লৈছে আমাক জনাব লাগে।

*শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইটোৰ কাৰণে এটা পৃথক প্ৰশ্ন দিলে ভাল হয়।

**Mr. Speaker**—Please take your seat. Now question No. 30. Questioner Dr. Kamala Kalita.

---

*Speech not corrected.

## বিষয়—পৰ্য্যটকৰ বাবে আঁচনি ।

ডাঃ কমলা কলিতাই সুধিছে :

★ ৩০। মাননীয় পৰ্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসমত পৰ্যটক সকলৰ আকৰ্ষণৰ বাবে ১৯৯১-৯২ আৰু ১৯৯২-৯৩ চনত কি কি আঁচনি লৈছে জনাবনে ?

খ) যদি কোনো আঁচনি লোৱা হৈছে তেন্তে কত লোৱা হৈছে আৰু কি পৰ্য্যায়ত আছে ?

শ্ৰীমুকুট শৰ্মা (পৰ্যটন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) অসমত পৰ্য্যটন উন্নয়নৰ আৰু পৰ্যটকক আকৰ্ষণ কৰিবৰ বাবে বিভিন্ন আঁচনি লোৱা হৈছে। ১৯৯১-৯২ আৰু ১৯০২-৯৩ চনত লোৱা আঁচনি সমুহৰ বিষয়ে 'খ' প্ৰশ্নৰ উত্তৰত উল্লেখ কৰা হ'ল ।

খ) ১৯৯১-৯২ চনত নিম্নলিখিত আঁচনিসমূহ লোৱা হৈছে ।

১) ৰাষ্ট্ৰীয়পথত পৰ্য্যটকৰ সা-সুবিধাৰ বাবে লোৱা আঁচনিসমূহ হ'ল :

| | |
|---|---|
| ক) জখলাবন্ধা | —কাম আৰম্ভ হোৱা নাই। |
| খ) মৰাণ | —কাম প্ৰাৰম্ভিক পৰ্য্যায়ত আছে। |
| গ) বোকাখাট | —৪০% কাম সম্পুৰ্ণ । |
| ঘ) বিশ্বনাথ চাৰিআলি | —৭৫% কাম সম্পুৰ্ণ। |
| ঙ) জাগীৰোড | —৫০% কাম সম্পূৰ্ণ । |
| ২) চান্দডুবি উন্নয়ন | —৩০% কাম সম্পুৰ্ণ। |
| ৩) যাত্ৰীনিবাস গুৱাহাটী | —কাম আৰম্ভ হোৱা নাই। |
| ৪) চান্দডুবিৰ বাবে জলকীয়া সামগ্ৰী সংগ্ৰহ | - ৩০% সংগ্ৰহ কৰা হৈছে। |
| ৫) শিলাৰোহনৰ আহিলা সংগ্ৰহ | —৫০% সংগ্ৰহ কৰা হৈছে । |
| ৬) পেৰাচিলিং সামগ্ৰী সংগ্ৰহ | —৫০% সংগ্ৰহ কৰা হৈছে। |
| ৭) পৰ্বতাৰোহনৰ বাবে বাইচাইকেল সংগ্ৰহ | —সম্পূৰ্ণ । |
| ৮) কাজিৰঙা পৰ্য্যটক নিবাস উন্নতিকৰণ | —৬০% কাম সম্পূৰ্ণ । |
| ৯) গুৱাহাটীৰ আশে-পাশে পৰ্য্যটক উদ্যান উন্নয়ন | —সম্পূৰ্ণ । |
| ১০) ডিগবৈ পৰ্য্যটক স্থান উন্নয়ন | —কাম চলি আছে। |
| ১১) চামগুৰি হ্ৰদৰ পৰ্য্যটক সা-সুবিধা উন্নয়ন | —কাম প্ৰায় সম্পূৰ্ণ । |

★ Speech not corrected

১২) মাজুলীত পৰ্য্যটকৰ নৌকা বিহাৰৰ ব্যৱস্থা – কাম প্ৰায় সম্পূৰ্ণ।

১৯৯২-৯৩ চন :

১) তীৰ্থযাত্ৰী নিবাস, কামাখ্যা – কাম আৰম্ভ হোৱা নাই।

২) পৰ্য্যটকৰ সা-সুবিধাৰ বাবে কালাইনত পথযাত্ৰীৰ বাবে ব্যৱস্থা —কাম আৰম্ভ হোৱা নাই।

৩) বৰদলনি পক্ষী উদ্যান উন্নয়নৰ ব্যৱস্থা – কাম আৰম্ভ হোৱা নাই।

৪) মদন কামদেৱ দেৱালয়ৰ পৰ্য্যটক স্থান উন্নয়ন – কাম আৰম্ভ হোৱা নাই।

৫) শিৱসাগৰত পৰ্য্যটক উন্নয়নৰ আঁচনি —কাম সম্পূৰ্ণ হোৱা নাই।

৬) হাফলং হ্ৰদৰ উন্নয়ন —কাম সম্পূৰ্ণ হোৱা নাই।

★ডাঃ কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি যে এতিয়া ১৯৯২-৯৩ চনৰ বছৰ শেষ হবৰ হ'ল কিন্তু ইয়াৰে ৬টা আঁচনিৰ ভিতৰত ৫টা আঁচনিৰে কাম কিয় আৰম্ভ কৰিব পৰা হোৱা নাই ?

*শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, ১৯৯২-৯৩ চনত অসমলৈ কিমান বিদেশী পৰ্য্যটক আহিছিল আৰু তাৰ পৰা চৰকাৰে কিমান ৰাজহ সংগ্ৰহ কৰিছে। তাৰোপৰি ১৯৯২-৯৩ চনত লোৱা আঁচনিৰ কাম কিয় এতিয়ালৈ আৰম্ভ কৰিব পৰা হোৱা নাই ?

★শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই আঁচনিবোৰৰ কাম আৰম্ভ কৰিবলৈ কিছুমান অসুবিধা আছে আৰু এই অসুবিধাবোৰ দূৰ হোৱাৰ পিচত কাম আৰম্ভ কৰিব পৰা যাব।

★ডাঃ কমলা কলিতা : অধ্যক্ষ মহোদয়, কি অসুবিধা হৈছে মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি ?

★শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমি এই আঁচনিবোৰৰ কাম আৰম্ভ কৰিবলৈ বিশেষকৈ মাটি পোৱা অসুবিধা হৈছে। কাৰবি আংলং জিলাতে আমি মাটি পোৱা নাই। মাটি লোৱাৰ বাবে আমি ব্যৱস্থা ইতিমধ্যে কৰিছো আৰু অতি সোনকালেই এই আঁচনিৰ কাম আৰম্ভ কৰিব পৰা যাব।

*Speech not corrected

Mr. Speaker : Now question hour is over.

★শ্ৰীচহিদুল আলম চৌধুৰী : অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে সদনত এটা কথা দৃষ্টি গোচৰ কৰিব খুজিছো যে মই আজি যি প্ৰশ্ন কৰিছিলো সেই প্ৰশ্নৰ চাপলিমেণ্টৰী বিপ্লাই পোৱা নাই। আপুনি মোক জোৰ কৰি বহুৱাই দিলে। আনহাতে অন্য বিভাগৰ মন্ত্ৰী এজনে সেই সময়ত মোক ধমকিহে দিলে। আমি বিধান সভালৈ আহিছো ৰাইজৰ প্ৰতিনিধি হিচাপে। তেনে ক্ষেত্ৰত বিধান সভাৰ ভিতৰতে অন্য বিভাগৰ মন্ত্ৰী এজনে আমাক ধমকি দিব সেইটো কেনে ধৰণৰ কথা। তেওঁলোকে আমাক বিধান সভাৰ ভিতৰতো ধমকি দিয়ে আৰু বাহিৰতো ধমকি দিয়ে। গতিকে এই ক্ষেত্ৰত আপুনি কি ব্যৱস্থা গ্ৰহণ কৰিব।

মাননীয় অধ্যক্ষ : বিধান সভাৰ ভিতৰত সকলোৰে কাৰণে সমানে নিৰাপত্তা আছে গতিকে সেই বিষয়ে কোনেও চিন্তা কৰিব নালাগে।

★শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই যোৱা কালি বন বিভাগৰ প্ৰশ্নৰ উত্তৰত কেইটামান পইণ্ট পিছত সদনক জনাম বুলি কৈছিলো। আজি সেই কেইটা সদনত দাখিল কৰিলো।

( Starred question No. 31 to 40 excepts question No. 34 which is deferred could not be taken up for disposal as the question hour was over. However the replies of the said questions deemed to have been laid on the Table of the House.)

## বিষয় : কেন্দ্ৰীয় চৰকাৰৰ পৰা লোৱা ঘেহু আৱণ্টন

শ্ৰীমুনিন মহন্তই সুধিছে :

★৩১। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ বাবে আমাৰ ৰাজ্যখনে কেন্দ্ৰীয় ভড়ালৰ পৰা প্ৰতিমাহে কিমান মেট্ৰিকটন ঘেহু আৱণ্টন পায় ?

খ) উক্ত ঘেহু আৱণ্টনৰ বাবে চৰকাৰৰ যোগান বিভাগে কি নীতি গ্ৰহণ কৰে ?

---

*Speech not corrected

গ) বৰ্তমান প্ৰচলিত নীতিৰ পৰিবৰ্তন কৰি মিল সমূহক দিয়াৰ পৰিবৰ্ত্তে স্থলভ মূল্যৰ দোকানৰ জৰিয়তে গ্ৰাহকক পৰিচয় পত্ৰৰ বিপৰীতে ঘেহুৰ আবণ্টন দিয়া সম্পৰ্কে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ১৯৯৩ চনৰ আগষ্ট মাহলৈ পায় থকা ২০,০০০ টন ঘেহুৰ পৰিবৰ্ত্তে বৰ্তমান চেপ্তেম্বৰ মাহৰ পৰা প্ৰতিমাহে ২৫,০০০ টন হিচাপে ঘেহুৰ আবণ্টন কেন্দ্ৰীয় ভড়ালৰ পৰা পাই থকা হৈছে ।

খ) কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা এই ঘেহুৰ পৰা চাকি মিল, আধুনিকৃত চাকী মিল আৰু বোলাৰ ফ্লাৱাৰ মিলত আটালৈ ৰূপান্তৰিত কৰি ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ যোগেদি উপভোক্তা সকলৰ মাজত বিতৰণ কৰা হয় । কেন্দ্ৰৰ পৰা পোৱা ঘেহুৰ এটা অংশ চাহ বাগান আৰু অন্যান্য (Industry) সমূহকো দিয়া হয় ।

গ) চৰকাৰে বিবেচনা কৰি চাব ।

## বিষয় : অসমৰ মাটি কালি

শ্ৰীযতীন মালিয়ে সুধিছে :

★৩২। মাননীয় অসমৰ ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসমৰ বৰ্তমান মুঠ মাটিকালি কিমান ?

খ) অসমৰ মাটিকালিৰ সম্পৰ্কে তথ্য-পাতি জোখমাখ কোন বিভাগে চৰকাৰক দি আহিছে । অৱগত কৰি আহিছে ?

গ) Survey of India য়ে অসমৰ মাটিকালি সম্পৰ্কে বৰ্ত্তমানলৈ কিমান বাৰ ৰিপোৰ্ট দিলে বিতংভাৱে জনাবনে আৰু প্ৰতিটো ৰিপোৰ্টত অসমৰ মাটিকালি কিমান বুলি দেখুৱাইছে জনাবনে । ( বিতং তথ্য দিয়ে যেন )

ঘ) চুবুৰীয়া ৰাজ্য কেইখনমানে অসমৰ মাটি বেদখল কৰাৰ ফলতেই অসমৰ মাটিকালি দিনক দিনে কমি আহিব ধৰাটো সঁচানে ?

ঙ) চুবুৰীয়া ৰাজ্যই বেদখল কৰা বুলি ৰাজ্যিক চৰকাৰে নেজানেনে, যদি জানে কি ব্যৱস্থা লৈছে জনাবনে ?

শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) অসমৰ বৰ্ত্তমান মুঠ মাটিকালি ৭৮৫৪৯.৫৩ বৰ্গ কিলোমিটাৰ ।

খ) অসমৰ মাটিকালিৰ সম্পৰ্কে তথ্যপাতি জোখ-মাখ ভূমিলেখ্য ও জৰীপ সঞ্চালকালয়ে অৱগত কৰি আছিছে ।

গ) ভাৰত চৰকাৰৰ জৰীপ বিভাগে এই সম্পৰ্কে কোনো তথ্য ৰাজহ বিভাগক দিয়া নাই ।

ঘ) সত্য নহয় ।

ঙ) বিভিন্ন পৰ্য্যায়ত সময়ে সময়ে চৰকাৰে আলোচনাৰ মাধ্যমেৰে বেদখলৰ মীমাংসা সমাধা কৰিবলৈ যত্ন কৰি আছে ।

## বিষয় : D. T. W. আঁচনি

শ্ৰীফনীভূষণ চৌধুৰীয়ে সুধিছে :

* ৩৩। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বঙাইগাওঁ সমষ্টিৰ বৰপাৰা, বাকুৱাপাৰা আৰু বাখাৰাপাৰা ভাকাৰীভিটা D.T.W. আঁচনি কেইটাৰ জৰিয়তে খেতি পথাৰত নিয়মীয়া পানী যোগানৰ ব্যৱস্থা কৰা হৈছেনে ?

খ) যদি হোৱা নাই, উক্ত আঁচনি কেইটাৰ জৰিয়তে নিয়মীয়াকৈ পানী যোগানৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীজেহিৰুল ইছলাম জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয় হৈছিল ।

খ) যান্ত্ৰিক বিজুতিৰ বাবে উক্ত আঁচনি তুখনৰ ৫টা পইণ্টৰ ভিতৰত ৩টা পইণ্টৰ পৰা বৰ্ত্তমান পানী যোগান ধৰিব পৰা হোৱা নাই ।

(Starred question No. 24 was deferred)

## Re : Fund allocation of Irrigation Department.

Shri Parameswar Brahma asked :

★ 35. Will the Minister of Irrigartion be pleased to state :

a) How many Divisions are there in the Irrigation Department of the State ? (Mention Divisions).
b) What is the fund allocation to each Division ? (Furnish Divisionswise fund allocation).
c) What is the amount of pending bill to be paid to contractors in the North Goalpara Division, Kokrajhar ?

Shri Zehirul Islam (Irrigation Minister) replied :

a) 65 (sixty five) nos. (List showing the names of the Divisions is placed on the floor of the house). (See the Annexure III)
b) Divisionwise allocation is placed on the floor of the house, (See the Annexure IV)
c) There is no such Division by the name of "North Goalpara Division, Kokrajhar".

## বিষয় : কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুদান

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতাই সুধিছে :

★ ৩৬৷ মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ১৯৯১-৯২, ১৯৯২ ৯৩ আৰু ১৯৯৩-৯৪ চনত ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰাকৃতিক দুৰ্যোগৰ বাবে বছৰি কিমান টকা পাইছে ?
খ) উল্লেখিত চন কেইটাত কিমান টকা খৰচ কৰা হ'ল ? (জিলা ভিত্তিত টকাৰ আবণ্টন ও খৰচৰ হিচাব দাখিল কৰিব)
গ) উল্লেখিত চন কেইটাত হোৱা খৰচৰ হিচাপ কেন্দ্ৰীয় চৰকাৰক দিয়া হৈছেনে ?
ঘ) "পাৰ্ছজিং ষ্টক" শিতানৈ উল্লেখিত চন কেইটাৰপৰা টকা স্থানান্তৰ কৰি বেংকত জমা ৰখা কথাটো সঁচানে ?

শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ১৯৯১-৯২ আৰু ১৯৯২-৯৩ বিত্তীয় বছৰত প্ৰাকৃতিক দুৰ্যোগৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰতি বছৰে ২২ কোটি ৫০ লাখ টকাকৈ আৰু ১৯৯৩-৯৪

চনৰ বৰ্ত্তমানলৈ ১১ কোটি ২৫ লাখ টকা পোৱা হৈছে।

খ) ১৯৯১-৯২ বিত্তীয় বছৰত মুঠ ৩০ কোটি টকা, ১৯৯২-৯৩ বিত্তীয় বছৰত মুঠ ১৩ কোটি ৪৭ লাখ টকা আৰু ১৯৯৩-৯৪ বিত্তীয় বছৰৰ বৰ্ত্তমানলৈকে ১৮ কোটি ৯৬ লাখ ৯৯ হাজাৰ টকা চৰকাৰী ভড়ালৰ পৰা মোকলাই নিয়া হৈছে। বানপীড়িত লোকৰ সাহায্য পুনৰ সংস্থাপন আৰু বানত ক্ষতিগ্ৰস্ত ৰাষ্টাঘাট দলং আৰু মথাউৰি আদি মেৰামতি আৰু খোৱা পানীৰ ব্যৱস্থা আদিৰ বাবে।

(জিলাভিত্তিত পাৰিতোষিক আৰু পুনৰসংস্থাপনৰ বাবে আবণ্টন দিয়া আৰু খৰচৰ তালিকা সংলগ্ন কৰি দেখুওৱা হৈছে)

( See the Annexure—V )

গ) হয়, জনোৱা হৈছে।

ঘ) সঁচা নহয়।

### বিষয়: মৰিয়নী সমষ্টিৰ জলসিঞ্চন আঁচনি

শ্ৰীমতী ৰূপম কুৰ্মীয়ে সুধিছে:

* ৩৭। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

ক) মৰিয়নী সমষ্টিৰ লোজনীয়া, গজপুৰীয়াৰ জলসিঞ্চন আঁচনি চৰকাৰে লোৱা কথাটো সঁচানে ?

খ) যদি সঁচা, উক্ত আঁচনিখনৰ কাম বৰ্ত্তমান কি অৱস্থাত আছে আৰু ইয়াৰ সম্পূৰ্ণ হোৱাৰ কাম কেতিয়া আশা কৰিব পাৰি ?

গ) চৰকাৰে এই বছৰতে কৰিবৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীজেহিৰুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

ক) লোৱা হোৱা নাই। কিন্তু বিভাগীয় কমিটিয়ে এটা বছৰত প্ৰবন্ধটো লোৱাৰ বাবে অনুমোদন কৰিছে।

খ) প্ৰশ্ন নুঠে।

গ) প্ৰশ্ন নুঠে।

### Re : Percentage of ST (H) Employment

Shri Monsing Rongpi
Shri Dipendra Rongpi } asked :

★38. Will the Minister of Employment be pleased to state :

a) What is the percentage of ST (H) employment in all Government Departments in both the Hills Districts of Assam in all different grades of employment ?

b) How many ST (H) are registered in the employment exchanges in both the Hills District ?

c) If the percentage is lower than the average please state the reasen for low employment ?

d) Is there any proposal to raise the percentage of ST (H) employees to na ional average ?

Shri Silvius Condpan (Minister of Employment) replied :

a) As per information received from various Department, 19·25% in both the Hill Districts.

b)

| | | | | |
|---|---|---|---|---|
| N.C. Hills | .... | ... | .... | 3059 |
| Karbi Anglong | .... | ... | .... | 6385 |
| | | | Tatal.... | 9444 |

c) Does not arise.

d) There is no proposal under consideration of Government to raise the percentage of reserved quota for ST (H) in services and posts beyond existing 5%.

বিষয় : জাৰতালুক গাঁওৰ ক্ষতিগ্ৰস্ত পৰিয়াল।

শ্ৰীপানী ৰাম ৰাভাই সুধিছে :

★ ৩৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ৰৰমা সমষ্টিৰ জাৰতালুক গাওঁখনৰ ৮ ঘৰ মানুহৰ পাগলদিয়া নদীয়ে যোৱা বানপানীত ঘৰ-দুৱাৰ ভাঙি পেলোৱাটো সঁচা নেকি ?

খ) যদি সঁচা, পুনৰ সংস্থাপনৰ ব্যৱস্থা লোৱা হৈছে নেকি ?

গ) যদি হৈছে কি কি জনাবনে ?

শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) বৰ্তমান বছৰত বানপানীত জাৰতালুক গাওঁত ৫টা পৰিয়ালৰ বসবাস কৰা ঘৰৰ ক্ষতি হৈছে ।

খ) ক্ষতিগ্ৰস্ত পৰিয়াল কেইটাৰ পুনঃ সংস্থাপনৰ কাৰণে সাহায্য দিয়াৰ বাবে জিলা উপায়ুক্তক নিৰ্দেশ দিয়া হৈছে ।

গ) প্ৰশ্ন নুঠে ।

### Re : Lilabari Aerodrome

Shri Borgoram Deuri asked :

★ 40 Will the Minister of Revenue be pleased to state :

a) Whether land required for Lilabari Aerodrome has been acquired and handed over to the Concerning Department ?

b) If not, why ?

Shri Mukut Sarma (Revenue Minister) replied :

a) Acquisition proceeding has been started and is in process. Possession not yet handed over to National Airport Authority.

b) Compensation of land is to be paid to the affected pattadars but the Airport Authority has requested State Government to give the land free of cost. N. E. C. has offered to make payment of 60% of patta land and the balance 40% is to be borne by the state Government. The matter is under active consideration of the Government.

## UNSTARRED QUESTIONS AND ANSWERS

### Re : Agriculture Development Schemes

Shri Derhagra Mushahary asked :

32. Will the Minister of Agriculture be pleased to state :

a) Whether Government has proposed to develope Agriculture Schemes in the villages ?

b) If so, whether Sub-Divisional Agriculture Officers are working in their respective Offices ?

c) If so, why Tamulpur Sub-Divisional Agriculture Officer is not posted for long months for the purpose of development of the department as well as to serve Agriculturist public ?

Sayeda Anowara Taimur, (Agriculture Minister) replied :

a) Yes.

b) Yes.

c) The Agriculture Development Programme are being looked after by the District Agriculture Officer, Nalbari in the absence of the Sub-Divisional Agriculture Officer, Tamulpur.

In the meantime a Sub-Divisional Agriculture Officer has already been posted at Tamulpur and he has been directed to join duty very soon.

**Re : Ramkrishna Nagar Fishery Sub-Division**

Shri Rampyare Rabidas, asked -

83. Will the Minister of Fishery be pleased to state :

a) Whether Government is aware about the fact that the Ramkrishna Nagar Fishery Sub-Division Office is functioning at Karimganj since its inception ?

b) If yes, why it is not functioning at its own place ?

c) Is it not a discriminatory attitude towards the people of R. K. Nagar and its vicinity areas ?

d) If so, will the Government make early arrangement for shifting the Office to Ramkrishna Nagar ?

Shri Silvius Condpan ( Fishery Minister ) replied :

a) It was earlier attached to the Directorate of Fisheries, and then subsequently attached to the S. D. F. D. O., Karimganj.

b) The area of operation of S.D.F.D.O. office at Ramkrishna Nagar could not be determined. The post of S.D.F.D.O., Ramkrishna Nagar alongwith its staff was sanctioned in the year 1985. This was done in anticipation of creation of Civil Sub Division. However, as subsequently no Sub-Division was created there, the post was attached to two other offices.

c) All areas including the area Ramkrishna Nagar were looked after by Sub-divisional Fishery Development Officer at Karimganj.

d) Already shifting order has been issued. The Deputy Commissioner, Karimganj was also asked by sending a W. T. vide Message No. FISH. 94/93/78 dt. 29.9.93 for necessary action. ( Copy of formal notification enclosed herewith).

(See the Annexure – VI)

Re : Allotment of Government Khas land to N.R.I.

34. Will the Minister, Revenue be pleased to state :

a) Whether the Government has alloted or is going to allot a plot of Khas land within Karimganj Municipal area to a so-called N.R.I. despite of objection raised by Municipality, S.L.A.C. and the questioner himself ?

b) If yes, what is the interest behind it please state it in detail ?

Shri Mukut Sarma ( Revenue Minister ) replied :

a) Government have received a proposal and it is under consideration.

b) Question does not arise.

( Unstarred Question No. 35 was disallowed.)

## বিষয় ঃ বদলি প্ৰসঙ্গ

শ্ৰীচন্দন কুমাৰ সৰকাৰে সুধিছে ঃ

৩৬। মাননীয় খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) উত্তৰ শালমাৰা মহকুমাৰ অধীক্ষকজনক কি কাৰণত বদলি কৰা হৈছিল আৰু ২ মাহ পিছত আকৌ ঘুৰাই উত্তৰ শালমাৰা অভয়াপুৰীলৈকে বদলি কৰা হ'ল জনাবনে ?

খ) বৰ্ত্তমান যিজন অধীক্ষক মহকুমাৰ (অভয়াপুৰী দায়িত্বত আছে স্থানীয় ৰাইজে বহুত অভিযোগ দিয়াৰ পিছতো কিয় বদলি কৰা নহল জনাবনে ?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) উত্তৰ শালমাৰা মহকুমাৰ অধীক্ষকজনক প্ৰশাসনীয় কাৰণত ওদালগুৰিলৈ আৰু ওদালগুৰিৰ অধীক্ষকজনক অভয়াপুৰীলৈ বদলি কৰা হৈছিল। অভয়াপুৰীৰ অধীক্ষকজনৰ ঘৰুৱা অসুবিধা থকা কাৰণে তেওঁৰ আবেদনৰ ভিত্তিত তিনিমাহৰ বাবে বদলিকৰণ স্থগিত কৰা হৈছিল। পিছলৈ ওদালগুৰিৰ অধীক্ষকজনৰ অসুস্থতা আৰু যিহেতু তেওঁ ৩১/১২/৯৩ তাৰিখে অৱসৰ গ্ৰহণ কৰিব সেয়েহে উক্ত বদলিকৰণ স্থগিত কৰা হয়।

খ বৰ্ত্তমান অধীক্ষকজনৰ বিৰুদ্ধে কোনো লিখিত অভিযোগ পোৱা হোৱা নাই। মহকুমাধিপতিক অধীক্ষকজনৰ বিৰুদ্ধে কিবা অভিযোগ আছে নেকি সোধা হৈছিল আৰু কোনো লিখিত অভিযোগ নাই বুলি জনাইছে।

## Re : Tourism Centre.

Shri Derhagra Mushahari asked :

37. Will the Minister Tourism etc. be pleased to state :

a) Whether Government has proposed to open a Tourism Centre at Indo-Bhutan Border near Darrang under Tamulpur constituency ?

b) If so, when construction works will be started ?

c) If not, why ?

Shri Mukut Sarma (Tourism Minister) replied :

a) At present the Department have no proposal to open a Tourist Centre at Indo-Bhutan Border near Darrang under Tamulpur constituency.

b) Does not arse.

c) Does not arise.

## বিষয় ঃ উপ নিয়োগ বিনিময় কেন্দ্ৰ

শ্ৰীমতী ৰূপম কুৰ্মীয়ে সুধিছে :

৩৮। মাননীয় নিয়োগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বিভিন্ন বিচাৰ বিবেচনা কৰি মৰিয়নিত থকা পূৱ যোৰহাট উন্নয়ন খণ্ডত (চেলেংহাট খণ্ড উন্নয়ন) এটি উপ নিয়োগ বিনিময় কেন্দ্ৰ খোলাৰ দিহা কৰিবনে ?

খ) যদি কৰে কেতিয়ালৈ কৰিব ?

শ্ৰীচিলভিউয়াচ কন্দপান (নিয়োগ মন্ত্ৰী)য়ে উত্তৰ দিছে :

ক) বৰ্তমান তেনে প্ৰস্তাৱ চৰকাৰৰ হাতত নাই ।

খ) প্ৰশ্ন নুঠে ।

## বিষয় : বিজনী মাৰ্কেট কমিটি

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামীয়ে সুধিছে :

৩৯। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) তিতাবৰ, নলবাৰী আৰু বিজনী মাৰ্কেট কমিটিসমূহ মহকুমা পৰ্য্যায়লৈ সম্প্ৰসাৰণ কৰি গঠন কৰা সম্পৰ্কে চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছেনে ?

খ) যদি লৈছে, সবিশেষ উল্লেখ কৰিব আৰু উক্ত কমিটিসমূহ মহকুমা পৰ্য্যায়লৈ আনুমানিক কোন সময়ৰ পৰা সম্প্ৰসাৰিত হব জনাব।

শ্ৰীমতী আনোৱাৰা টাইমুৰ (কৃষি মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয়, নলবাৰী আৰু বিজনী মাৰ্কেট কমিটি দুখন জিলা পৰ্য্যায়লৈ আৰু তিতাবৰ মাৰ্কেট কমিটিখন মহকুমা পৰ্য্যায়লৈ সম্প্ৰসাৰণ কৰাৰ প্ৰস্তাব অসম ৰাজ্যিক মাৰ্কেটিং বোৰ্ডৰ তৰফৰ পৰা পোৱা হৈছে ।

খ) প্ৰস্তাব বিবেচনাধীন । এতেকে এতিয়াই সবিশেষ জনাব পৰা নহয়।

## বিষয় : চিৰা মিলৰ অনুজ্ঞাপত্ৰ

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

৪০। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ১৯৯২-৯৩ চনত Rice Chira Mill ৰ কিমান অনুজ্ঞাপত্ৰ দিয়া হৈছে ?

খ) বৰপেটা মহকুমাৰ সকলো বিধায়কৰ প্ৰতিজনৰ তিনিটাকৈ অনুজ্ঞাপত্ৰ Recommendation দিবলৈ দিয়া কথাটো সঁচানে ?

গ) যদি সঁচা, বৰপেটা জিলাত কিমান অনুজ্ঞাপত্ৰ দিয়া হৈছে ?

ঘ) বিধায়কক Recommendation দিয়াৰ বাহিৰেও প্ৰতি জিলাত কিমান অনুজ্ঞাপত্ৰ দিয়া হৈছে ?

ঙ) বিধায়ক সকলৰ Recommendation ৰ বাহিৰেও অনুজ্ঞাপত্ৰ দিয়াৰ কাৰণ কি ?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ১৯৯৩ চনৰ সৰ্বমুঠ (ইং ৩০।৯।৯৩ লৈ) ৫৯৩ খন অনুজ্ঞাপত্ৰ দিয়া হৈছে।

খ) সঁচা ।

গ) ৪৬ খন অনুজ্ঞাপত্ৰ (ইং ২৯।৯।৯৩) লৈ দিয়া হৈছে।

ঘ) প্ৰক্ৰিয়া এতিয়াও শেষ হোৱা নাই ।

ঙ) স্থানীয় প্ৰয়োজনীয়তা ও উপায়ুক্ত/মহকুমাধিপতিৰ প্ৰতিবেদনৰ ভিত্তিত বিধায়ক সকলৰ Recommendation ৰ বাহিৰেও অনুজ্ঞাপত্ৰ সমূহ দিয়া হৈছে । Rice Milling Act, 1958 অনুসাৰে অনুজ্ঞাপত্ৰ দিয়াৰ সময়ত বিধায়কৰ Recommendation লোৱাটো বাধ্যতামূলক নহয় ।

**Re : Irrigation Sub-Division at Ramkrishna Nagar**

Shri Rampyare Ravi Das, asked :

41. Will the Minister Irrigation be pleased to state :

a) Whether Government has any proposal to set up an "Irrigation Sub-Division" at Ramkrishna Nagar as the necessary infrustructure facilities for the same is available there ?

b) How many acors of paddy land has been provided with Irrigation facilities so for under the Ramkrishna Nagar Circle.

c) Whether any Irrigation scheme has been undertaken by the Government during the current financial year under Ramkrishna Nagar Circle.

Shri Zahirul Islam (Irrigation Minister) replied :

a) There is no proposal to set up an Irrigation "Sub-Division" at Ramkrishna Nagar at present.

b) 516 Acors.

c) One new Irrigation scheme is proposed to be takenup during 1993-94.

(Unstarred question No. 42 was deferred.)

## বিষয় : খেতি পথাৰত পানী যোগান

শ্ৰীপানী ৰাম ৰাভাই সুধিছে :

৪৩। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বৰমা সমষ্টিৰ উত্তৰকুছিৰ (Uttarkuchi) ওচৰত চকীত বান্ধ নিৰ্মাণ কৰি খেতি পথাৰত পানী যোগানৰ ব্যৱস্থা লবলৈ চৰকাৰে কিবা আঁচনি ১৯৯৪-৯৫ ইং বিত্তীয় বৰ্ষত লব নেকি ?

শ্ৰীজেহিৰুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ১৯৯৪-৯৫ চনত উত্তৰকুছিৰ চকিত নতুনকৈ বান্ধৰ আঁচনি লোৱা সম্পৰ্কে কোনো সিদ্ধান্ত এতিয়ালৈকে কৰা হোৱা নাই ।

## বিষয় : পদোন্নতিৰ ব্যৱস্থা

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে :

৪৪। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বৰ্তমান খাদ্য আৰু অসামৰিক যোগান বিভাগত যুটীয়া সঞ্চালক, সহঃ সঞ্চালক, অধীক্ষক আৰু পৰিদৰ্শকৰ কিমান পদ কিমান দিন ধৰি পদোন্নতিৰে পূৰণ নকৰাকৈ খালি ৰখা হৈছে আৰু এই খালি হৈ থকা পদসমূহ পদোন্নতিৰে পূৰণ নকৰাৰ কাৰণ কি ?

খ) মহকুমা ভেদে উল্লেখিত প্ৰতি পদ মৰ্য্যদাৰ বিপৰীতে মঞ্জুৰীপ্ৰাপ্ত পদৰ সংখ্যা প্ৰকৃততে কাৰ্য্যনিৰ্বাহ কৰি থকা বিষয়াৰ সংখ্যা আৰু খালি হৈ থকা পদৰ সংখ্যা জনাবনে ?

গ) ২২।১।৯৩ তাৰিখে পদোন্নতিৰ বাছনি সভা অনুষ্ঠিত হোৱাৰ পিছত এই পৰ্য্যন্ত খালি হৈ থকা পদসমূহ পদোন্নতিৰে পূৰণ নকৰাৰ প্ৰকৃত কাৰণ সমূহ কি জনাবনে ?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ১।১০।৯৩ তাৰিখলৈ খাদ্য আৰু অসামৰিক যোগান বিভাগত খালি হৈ থকা পদৰ তালিকা তলত দেখুওৱা হ'ল ।

| | | |
|---|---|---|
| ১। | যুটীয়া সঞ্চালক | ২ টা |
| ২। | উপ-সঞ্চালক | ১১ টা |
| ৩। | সহঃ সঞ্চালক | ১২ টা |
| ৪। | অধীক্ষক | ৫ টা |
| ৫। | পৰিদৰ্শক | ২৭ টা |

ওপৰোক্ত পদসমূহ বিভিন্ন সময়ত বিষয়া সকলৰ অৱসৰ গ্ৰহণ ও পদোন্নতিৰ ফলত খালি হৈছে। পদসমূহ পূৰণৰ বাবে খাদ্য আৰু অসামৰিক যোগান বিভাগৰ সেৱা বিধি অনুযায়ী অৰ্হতাসম্পন্ন বিষয়া নথকা হেতুকে যথাসময়ত পূৰণ কৰিব পৰা হোৱা নাই। বৰ্তমানে সেৱা বিধিখনৰ নিয়ম কিছু শিথিল কৰি পদোন্নতিৰ ব্যৱস্থা কৰা হৈছে।
(See the annexure—VII)

খ) যাৱতীয় তথ্য পৰিশিষ্ট ১, ২, ৩, ৪ আৰু ৫ৰ জৰিয়তে ডাণ্ডি ধৰা হৈছে। তথ্যসমূহ ১।১০।৯৩ তাৰিখলৈ দেখুওৱা হৈছে।

গ) কেইবাটাও শ্ৰেণীৰ খালি থকা পদসমূহ পূৰণৰ বাবে সংৰক্ষণৰ ক্ষেত্ৰত ভৈয়াম জনজাতি আৰু পিচপৰা শ্ৰেণীৰ বিভাগৰ পৰা অনুমোদন লবলগীয়া হোৱাত আৰু সেই বিভাগে বিচৰা স্পষ্টীকৰণো দিবলগীয়া হোৱাত খাদ্য আৰু অসামৰিক যোগান বিভাগৰ তৰফৰ পৰা সিদ্ধান্ত লোৱাত কিছু পলম হৈছে।

**Re : Amount Sanctioned for Flood Affected District.**

Shri Mission Ranjan Das asked :

45. Will the Minister of Relief & Rehabilitation be pleased to state :

a) How much amount has been granted by the Government amongst flood affected districts in Assam after flood of this year for relief and rehabilitation of flood victims (please furnish) ?

**b) Is it sufficient for flood victims ?**

c) If not, what steps of Government is contemplating

Shri Mukut Sarma (Minister, Revenue and Relief and Rehabilitation) replied :

a) Till 28.9.93 an amount of Rs. 4,63.19,891·00 has so far been released to the flood affected districts for providing relief and rehabilitation etc. to the flood affected people of 1993-94.

b) Additional funds are being released to meet committed expenditure.

c) Does not arise in view of 'b' above.

## বিষয় : জলসিঞ্চন আঁচনি

শ্ৰীনজমূল হকে সুধিছে :

৪৬। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ১৯৯২-৯৩ আৰু ১৯৯৩-৯৪ চনত গোৱালপাৰা জলসিঞ্চন সংমণ্ডলৰ অধীনত গোৱালপাৰা জিলাৰ ৪ খন বিধান সভা সমষ্টিত মুঠ কিমানটা আঁচনি গ্ৰহণ কৰা হৈছে ?

খ) উক্ত সংমণ্ডলৰ অধীনত মানকাচাৰ সমষ্টিত কিমানটা আঁচনি গ্ৰহণ কৰা হৈছে ?

গ) উক্ত আঁচনিসমূহৰ ভিতৰত মুঠ কিমানটা আঁচনিয়ে খেতি পথাৰত পানী যোগান ধৰিব পাৰিছে আৰু আঁচনিবোৰৰ নাম উল্লেখ কৰিবনে ?

শ্ৰীজেহিৰুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ১৯৯২-৯৩ আৰু ১৯৯৩-৯৪ চনত গোৱালপাৰা জলসিঞ্চন সংমণ্ডলৰ অধীনত এতিয়ালৈকে কোনো নতুন আঁচনি গ্ৰহণ কৰা হোৱা নাই।

খ) ওপৰৰ প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

গ) প্ৰশ্ন নুঠে।

( Unstarred question No. 47 was deferred )

## বিষয় : বানপানীত ক্ষতিগ্ৰস্ত গাৱঁৰ সংখ্যা

শ্ৰীমুনিন মহন্তই সুধিছে :

৪৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) মৰিগাওঁ জিলাত এইবছৰ বানপানীত ক্ষতিগ্ৰস্ত গাওঁৰ সংখ্যা কিমান? কিমান বৰ্গ কিলোমিটাৰ বানপানীয়ে বুৰালে। ক্ষতিগ্ৰস্ত কৃষক পৰিয়ালৰ সংখ্যা কিমান? ধান, মৰাপাট অন্যান্য শস্য ধ্বংসৰ পৰিমাণ কিমান হ'ব জনাৱনে?

খ) বৰ্ত্তমানলৈকে সংস্থাপিত নোহোৱাকৈ থকা পৰিয়ালৰ সংখ্যা কিমান?

গ) উক্ত পৰিয়াল সমূহ সংস্থাপিত কৰা সম্পৰ্কে কি কি ব্যৱস্থা লোৱা হৈছে আৰু ক্ষতিগ্ৰস্ত পৰিয়াল সমূহক কি কি সাহায্য দিয়া হৈছে?

ঘ) সংস্থাপিত নোহোৱাকৈ থকা পৰিয়াল সমূহৰ সংস্থাপনৰ বাবে শীঘ্ৰে ব্যৱস্থা লোৱা হবনে?

শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) যোৱা বানপানীত মৰিগাওঁ জিলাত ২৩৩ খন গাওঁ ক্ষতিগ্ৰস্ত হয়। প্ৰায় ২৯৩,৯০ বৰ্গ কিলোমিটাৰ এলেকা বানপানীয়ে বুৰাইছিল। ক্ষতিগ্ৰস্ত কৃষক পৰিয়ালৰ সংখ্যা ১৭,৫২২। ধান প্ৰায় ৮,৬৬৩ মেঃ টন, মৰাপাট ১,১৯৪ মেঃ টন আৰু অন্যান্য শস্যৰ ক্ষতিৰ পৰিমাণ ৬৬৯ মেঃ টন।

খ) এইবছৰ বানপানীত সংস্থাপিত নোহোৱাকৈ থকা পৰিয়ালৰ সংখ্যা নাই।

গ) ঘ) } উপৰুক্ত উত্তৰমতে প্ৰশ্ন নুঠে।

## বিষয় : ক্ষেত্ৰ পরিচালনা সমিতি

শ্ৰীপ্ৰণব কুমার নাথ জিজ্ঞাসা করছেন :

৪৯। মাননীয় কৃষি বিভাগের মন্ত্ৰী মহোদয়ায় অনুগ্ৰহ করে জনাবেন কি :

ক) সমগ্ৰ আসামে সৰ্বমোট কয়টি ক্ষেত্ৰ পরিচালনা সমিতি (FMC) আছে, জিলা ভিত্তিক প্ৰতিটি FMC এর নাম ও ঠিকানা সহ তালিকা সমূহ সদনের মেঝে দাখিল করবেন?

খ) করিমগঞ্জ জেলায় কোন কোন এলেকায় কয়টি FMC গঠিত হইয়াছে নিৰ্বাচন চক্ৰ ভিত্তিক প্ৰতিটির নাম ও এলেকা গঠনের তারিখ সহ

সভাপতি ও সম্পাদকের নাম ও ঠিকানা সদনের মেঝে দাখিল করবেন ?

গ) করিমগঞ্জ জেলায় প্রতিটি FMC তে কয়টি করে water pump কত মিটার খনন করে বসানো হয়েছে এবং প্রতিটি FMC এর আওতায় কোন কোন গ্রামের কতটুকু কৃষিভূমি অন্তর্ভূক্ত হয়েছে প্রতিটির পৃথক পৃথক বিশদ বিবরণ সদনের মেঝে দাখিল করিবেন ?

ঘ) করিমগঞ্জ জিলার কোন কোন FMC তে কৃষকদের জন্যে কি কি সামগ্রী বিনামূল্যে ও রেহাই মূল্যে কোন কোন তারিখে বিতরণ করা হয়েছে ৯১-৯২, ৯৩ ইং পর্য্যন্ত তালিকা সদনের মেঝে দাখিল করিবেন ?

চৈয়দা আনোয়ারা টাইমুর (কৃষি বিভাগের মন্ত্রী) য়ে উত্তর দিয়েছেন :

ক) আসামে বিভাগীয় পঞ্জীয়নভুক্ত মুঠ ৮০১১ টি FMC আছে। জিলা ভিত্তিক FMC এর সংখ্যা সদনের মেঝেতে দেওয়া হইল। সময় নেহাৎ কম হওয়ার দরুণ FMC গুলোর নাম ও ঠিকানা পরে দাখিল করা হবে।

(See the Annexure—VIII)

খ) করিমগঞ্জ জেলায় মুঠ ২২৫ টি FMC আছে।

| | |
|---|---|
| উত্তর করিমগঞ্জ | ৫৮ টি |
| দক্ষিণ করিমগঞ্জ | ৫৩ টি |
| বদরপুর | ৪৮ টি |
| পাথারকান্দি | ২৭ টি |
| রাতাবাড়ী | ৩৯ টি |

বিশদ তালিকা দেওয়ার জন্য সময় কম হওয়ায় পরে দেওয়া হবে।

গ) করিমগঞ্জ জেলায় মুঠ ২৪৪ টি অগভীর নলীনাদ বসানো হয়েছে। বিশদ তালিকা সময়ের অভাবের জন্য এখন দেওয়া হইলোনা। পরে দেওয়া হবে।

ঘ) সময় কম হওয়ায় বিশদ তালিকা প্রস্তুত করতে পারা গেল না। অবশ্যে এই তালিকা গুলো পরে দেওয়া হবে।

## Re : Relief to the Riot Victims

Shri Parameswar Brahma, asked :

50. Will the Minister, Relief & Rehabilitation be pleased to state :

a) Whether relief has been provided to riot victims of 4-5-93 of Panbari Tea Estate ?

b) If not why ?

Shri Gopinath Das (Minister of Relief & Rehabilitation) replied :

a) Government have no information regarding occurance of riot on 4-5-93 in Panbari Tea Estate.

b) Does not arise.

## Re : Tourism Project

Shri Monsing Rongpi & Shri Dipendra Rongpi asked :

51. Will the Minister of Tourism etc. be pleased to state :

a) Whether there was any project undertaken by the Department of Tourism for promotion of Tourism at Silveta in Karbianglong ?

b) If so, how much construction work is completed so far ?

c) What are the Tourism facilities in this project ?

d) When it was supposed to be commissioned ?

Shri Mukut Sarmah (Minister of Tourism) replied :

a) The Department have a scheme at Silbheta for promotion of Tourism. A scheme construction of way-side facilities-cum viewing Gallary at Silbheta was undertaken during the year 1988-89 at an estimated cost of Rs. 21.17 lakhs.

b) Priliminary stages of the work have been completed but later work is held up due to non settlement of land.

c) The Tourist facilities are—

   a) Wayside Restaurant.

   b) Two rooms.

   c) Sitting Gallary.

d) The work will be undertaken as soon as the land problem is solved.

### Re : Irrigation Scheme

Shri Derhagra Mochahary asked :

52. Will the Minister of Irrigation be pleased to state :

a) Wherher Government has proposed to take up now Irrigation Scheme in the Tamulpur Constituency ?

b) If so, how many numbers of Schemes have been proposed & what are the names of the proposed Project ?

c) Whether Bonda Bund at Suagpur area and Lebra Bund of Peharpur area taken up for Projection Work ?

Shri Zehirul Islam (Minister Irrigation) replied :

a) No.

b) Does not arise.

c) Does not arise.

---

### বিষয় : চাহ কোম্পানীৰ মাটি ।

শ্ৰীমতী ৰুপম কুৰ্মীয়ে সুধিছে :

৫৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) মৰিয়নী টাউন অঞ্চলৰ সোনোৱাল চাহ কোম্পানীৰ মাটি, কঠালগুৰি

চাহ কোম্পানীৰ মাটি আৰু অসম চাহ নিগমৰ মাটি ৰাইজে দখল কৰি থকাটো সঁচানে ?

(খ) এই মাটিৰ দখলি পট্টা দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) সঁচা।

(খ) উপযুক্ত পট্টা দিয়াৰ ব্যৱস্থা লোৱা হৈ আছে ।

## বিষয় : চাহ শ্ৰমিকৰ পৰিকল্পনা ।

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামীয়ে সুধিছে :

৫৪। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) আজিৰ চাহ শ্ৰমিকৰ সন্তানসকলৰ মাজত উচ্চ শিক্ষাৰ প্ৰসাৰৰ বাবে শ্ৰম বিভাগে নিজাকৈ কোনো পৰিকল্পনা তৈয়াৰ কৰিছে নেকি ? যদি কৰিছে উল্লেখ কৰিব ?

(খ) বিভিন্ন কাৰিকৰী শিক্ষানুষ্ঠান আৰু অন্যান্য উচ্চ শিক্ষানুষ্ঠানত চাহ শ্ৰমিকৰ সন্তানৰ বাবে আসন সংৰক্ষণ কৰা হৈছে নেকি, যদি হৈছে ক'ত কিমান আসন সংৰক্ষণ কৰা হৈছে জনাব ?

(গ) শিক্ষা গ্ৰহণৰ সুবিধাৰ বাবে চাহ শ্ৰমিকসকলৰ বস্তি অঞ্চলত অগ্ৰাধিকাৰৰ ভিত্তিত বিজুলী যোগানৰ বিষয়ে শ্ৰম বিভাগে কোনো প্ৰচেষ্টা চলাইছেনে সবিশেষ জনাব ?

শ্ৰীদিলেশ্বৰ তাঁতী (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) চাহ শ্ৰমিকৰ সন্তানসকলৰ মাজত উচ্চ শিক্ষা প্ৰসাৰৰ বাবে শ্ৰম বিভাগে প্ৰত্যক্ষভাৱে কাৰ্য্যকৰী কৰিবলৈ কোনো পৰিকল্পনা প্ৰস্তুত কৰা নাই । পৰোক্ষভাৱে শ্ৰম বিভাগৰ অধীনস্থ চাহ শ্ৰমিক কল্যাণ পৰিষদৰ যোগেদি এই ক্ষেত্ৰত কিছু ব্যৱস্থা লোৱা হৈছে । এই ব্যৱস্থাসমূহ—

(১) অষ্টমমান শ্ৰেণীৰপৰা বিশ্ববিদ্যালয় পৰ্য্যন্ত পঢ়া ছাত্ৰ-ছাত্ৰীৰ বাবে কিতাপ কিনাৰ অনুদান ( Book Grant ), (২) ৰাজ্যৰ তেৰখন চহৰৰ বিভিন্ন শিক্ষানুষ্ঠানত আৰু মেঘালয়ৰ শ্বিলঙত চাহ শ্ৰমিকৰ শিক্ষা গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰী থাকিবৰ বাবে বিনামূলীয়া ছাত্ৰাবাসৰ ব্যৱস্থা আৰু (৩) ৰাজ্যৰ কেইখনমান কাৰিকৰী শিক্ষানুষ্ঠানত শিক্ষাৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থা ।

(খ) হয়। কাৰিকৰী শিক্ষানুষ্ঠানত তলত উল্লেখ কৰা মতে আসন সংৰক্ষণ কৰা হৈছে—

| | | |
|---|---|---|
| ১) এ, এন, এম (নাচিং) পাঠ্যক্ৰমৰ বাবে | — | ১২৭ খন |
| ২) বি, এচ, চি (নাচিং) পাঠ্যক্ৰমৰ বাবে | — | ১ খন |
| ৩) ফাৰ্মাচী পাঠ্যক্ৰমৰ বাবে | — | ৯ খন |
| ৪) এম, বি, বি, এচ পাঠ্যক্ৰমৰ বাবে | — | ৬ খন |
| ৫) বি, ডি, এচ পাঠ্যক্ৰমৰ বাবে | — | ১ খন |
| ৬) ইঞ্জিনিয়াৰিং পাঠ্যক্ৰমৰ বাবে | — | ২ খন |
| ৭) কৃষি পাঠ্যক্ৰমৰ বাবে | — | ১ খন |
| ৮) পশুপালন পাঠ্যক্ৰমৰ বাবে | — | ১ খন |
| ৯) আয়ুৰ্বেদিক পাঠ্যক্ৰমৰ বাবে | — | ১ খন |
| ১০) প্ৰত্যেক আই, টি, আইত | — | ২ খনকৈ। |

গ) চাহ শ্ৰমিকৰ বাসগৃহত অগ্ৰাধিকাৰ ভিত্তিত বিজুলী যোগান দিয়া সম্পৰ্কে ৰাজ্যিক শ্ৰম কমিটীত বিতংভাবে আলোচনা কৰাৰ পিচত চাহ বাগিছাৰ মালিক সন্থা সমূহে আৰ, ই, চি আঁচনিৰ অধিনত ইচ্ছুক শ্ৰমিক গ্ৰাহকক বিজুলী সংযোজন লবৰ বাবে আপত্তি বিহীন প্ৰমাণ পত্ৰ (N.O.C.) দিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। এই ক্ষেত্ৰত চৰকাৰ ও বাগিছাৰ মালিক সন্থা সমূহে আৰ, ই, চি বা ঘৰুৱা নিৰিখত (Domestic Rate) এনে গৃহ সমূহলৈ বিজুলী সংযোজন ও যোগান দিবৰ বাবে ৰাজ্যিক বিদ্যুৎ পৰিষদৰ লগত যোগাযোগ কৰি আছে।

## Re : I. T. I. at Karimganj

Shri Rampyare Rabidas asked;

55 Will the Minister of Employment be pleased to state :

a) Whether it is a fact that the permanent site of Karimganj I. T. I. has not been finalised till to-date ?

b) If so why ? It not an indifferent attitude towards people of Karimganj District ?

c) Why the Government is unable to finalise a permanent site of the said I. T. I. within a couple of years ?

d) Whether the Government is taking any immediate steps to select a permanent site of the same ?

Shri Silvius Condpan ( Employment Minister ) replied

a) The Government selected Kankalash under Karimganj Sub-Division, as the site for I. T. I. Karimganj, but subsequently had to review the decision on the ground of financial involvement of Rs. 1.47 crores for earth filling as pointed out by the state P. W. D.

b) The delay in selection of the permanent site for I.T.I. Karimganj is due to Governments sincere desire for locating a suitable site with minimum cost on land development and other avoidable expenses and not due to indifferent attitude.

c) & (d) In view of the position mentioned at (a) above, the Government constituted a new Site Selection Committee for locating a permanent site for I. T. I. Karimganj with Deputy Commissioner, Karimganj as Chairman. The Committee has since submitted its report and the same under active consideration of the Government. It is expected that a final decision could be taken shortly.

**Re : Construction of Buffer Stock Godown at Karimganj.**

Shri Mission Ranjan Das asked,

56 Will the Minister of Food & Civil Supplies be pleased to state :

(a) Whether the Government is pursuing the F. C. I. for constrution of a Buffer Stock Godown at Karimganj Town ?

(b) If yes, what is the response of the F.C.I.

(c) If not why, please state reasons thereof ?

Dr. Ardhendu Kumar Dey, ( Minister, Food & Civil Supplies) replied;

(a) Yes.

(b) No response received.

(c) Does not arise.

### বিষয়ঃ চৰ অঞ্চলৰ মাটি পট্টন।

শ্ৰীনজমুল হকে সুধিছে ;

৫৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ বিভিন্ন জিলাৰ চৰ অঞ্চলৰ মাটি জৰীপ কৰি চৰ অঞ্চলৰ ৰায়ত সকলৰ নামত পট্টা দিয়াৰ ব্যৱস্থা কৰা হবনে ?

(খ) চৰ অঞ্চলৰ যিসকল ৰায়ত গড়া খহনীয়াত ক্ষতিগ্ৰস্ত হৈ চৰকাৰী খাচ মাটিত বসতি কৰি আছে সেইবোৰ মাটি নদীভঁঙা ক্ষতিগ্ৰস্ত হিচাবে দখলদাৰৰ নামত পট্টা দিয়াৰ ব্যৱস্থা চৰকাৰে হাতত লৈছেনে ?

(গ) যদি লোৱা নাই তেন্তে বৰ্ত্তমান চলিত সময়ত পট্টা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

(ঘ) চৰকাৰী হিচাবমতে গোৱালপাৰা পশ্চিম, জলেশ্বৰ আৰু দক্ষিণ শালমৰা বিধান সভা সমষ্টিত মুঠ কিমানটা পৰিয়াল গৰাখহনীয়াত ক্ষতিগ্ৰস্ত হৈছে ?

শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী, )য়ে উত্তৰ দিব ঃ

(ক) হয়, হব।

(খ) হয়, লৈছে। গাওঁ অঞ্চলত যোগ্যতাৰ ভিত্তিত আৰু ১৯৮৯ চনৰ ভূমিনীতিৰ ১'৫ দফামতে গড়াখহনীয়াত ক্ষতিগ্ৰস্ত আৰু ভূমিহীনলোকক চৰকাৰী মাটি আৱণ্টন/পট্টন দিবৰ বাবে, উপায়ুক্ত সকলক কৰ্ত্তৃত্ত্ব প্ৰদান কৰা হৈছে।

(গ) এইটো এটা চলিত ব্যৱস্থা।

( Continuous Process )

(ঘ) ধুবুৰী জিলাৰ দক্ষিণ শালমৰা উপায়ুক্তৰ প্ৰতিবেদন মতে ৫৬৩৮ টা গড়াখহনীয়াত ক্ষতিগ্ৰস্ত পৰিয়াল আছে।

## বিষয় ঃ বানপানীত নষ্ট হোৱা খেতি

শ্ৰীনিজামুদ্দিন খানে, সুধিছে ;

৫৮। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯৩ চনৰ বানপানীত ৰাজ্যখনৰ কিমান বিঘা মাটিৰ খেতি বাতি নষ্ট হৈছে ?

(খ) বানপানীত ক্ষয়ক্ষতিৰ পৰিমান কিমান টকা ?

(গ) বানপানীত ক্ষতিগ্ৰস্ত কৃষকক কঠিয়াৰ বিধান যোগান ধৰা হৈছে নে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (কৃষি বিভাগৰ মন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ

(ক) ২২, ৯১, ৯৩২ বিঘা মাটিৰ খেতি নষ্ট হৈছে। জিলাভিত্তিত নষ্ট হোৱা মাটিৰ পৰিমানৰ তালিকা সদনৰ মেজত দিয়া হ'ল ।

(See the Annexure-IX)

(খ) বানপানীত আনুমানিক ৯২'৭৫ কোটি টকাৰ ক্ষতি হৈছে।

(গ) হয়। ২৮'০০ লাখ টকা উপায়ুক্তৰ জৰিয়তে বিভিন্ন জিলাত কঠিয়া আৰু বীজৰ কাৰণে দিয়া হৈছে। তালিকা সদনৰ মেজত দিয়া হ'ল।

(See the Annexure-IX)

## বিষয় ঃ কৃষকৰ বাবে জলসিঞ্চন আচনি

শ্ৰীমুনিন মহন্তই সুধিছে ঃ

৫৯। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰ কৃষি বিভাগে ক্ষুদ্ৰ উপান্ত কৃষকৰ বাবে সমূহীয়া জলসিঞ্চন আচনি প্ৰবৰ্ত্তন কৰাটো সত্যনে ?

(খ) যদি সত্য হয়, উক্ত আচনিৰ পৰা উপকৃত হোৱা কৃষকৰ সংখ্যা কিমান ?

(গ) বৰ্ত্তমান উক্ত আচনিৰ বাবে প্ৰয়োজনীয় ধন মুকলি নকৰাকৈ বন্ধ কৰি ৰখাটো সচা নেকি?

(ঘ) যদি সচা হয়, কাৰণ সমূহ জনাবনে ?

(ঙ) কৃষক সকলৰ স্বাৰ্থত উক্ত ধন মুকলি কৰি দিয়াৰ ব্যৱস্থা লবনে ঃ

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমূৰ ( কৃষি মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) সত্য

(খ) ১৬,১১০ জন ।

(গ) আগতে ৰখা হৈছিল আৰু মুকলি কৰি দিয়া হৈছে ।

(ঘ) প্ৰশ্ন নুঠে ।

(ঙ) প্ৰশ্ন নুঠে ।

## বিষয় ঃ লঙ্গাঁই জলসিঞ্চন প্ৰকল্প

শ্ৰীপ্ৰনৱ কুমাৰ নাথে, সুধিছে ;

৬০। মাননীয় জলসিঞ্চন বিভাগের মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করিয়া জনাবেন কি ঃ

(ক) করিমগঞ্জ জিলার সুপ্রাকান্দি গাওঁ সভার অন্তর্গত লঙ্গাঁই জলসিঞ্চন প্রকল্পের অধীন NH 44 থেকে পুঠিমারা গ্রাম হয়ে লঙ্গাঁই নদীর তীর পর্য্যন্ত Irrigation বিভাগের সড়কটি বিগত বন্যায় মারাত্মক ক্ষতিগ্রস্ত হয়ে জলসিঞ্চন বিভাগের যানবাহন চলাচল ও স্থানীয় জনসাধারনের চলাচলের পক্ষে অনুপযোগী অবস্থায় আছে— এই বিষয়ে সরকার অবহিত আছেন কি ?

(খ) যদি হয়, তাহা হইলে বর্ত্তমান অর্থ বছরে উক্ত সড়কের মেরামতির জন্য অর্থ মঞ্জুর করবেন কি ?

(গ) যদি না, কেন ?

শ্রীজেহিরুল ইছলাম ( জলসিঞ্চন বিভাগর মন্ত্রী ) য়ে উত্তর দিছে ঃ

(ক) হ্যাঁ ।

(খ) ধন আবণ্টন সাপেক্ষে বিবেচনা করা যাবে ।

(গ) প্রশ্ন উঠে না ।

## বিষয় : বশিষ্ঠ গ্ৰাণ্ট

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে :

৬১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বেলতলা মৌজাৰ বশিষ্ঠ গ্ৰাণ্টৰ ১৭ আৰু ১৮ নং দাগৰ মাটিখিনি কাৰ কাৰ নামত আৱণ্টন দিয়া হৈছে ?

(খ) উল্লেখিত দাগৰ মাটিখিনি ইয়াৰ পূৰ্বে কাৰ নামত বা কোন বিভাগৰ নামত পট্টন দিয়া হৈছিল ?

(গ) উল্লেখিত দাগৰ মাটিৰ পট্টন বাতিল নকৰাকৈ কি নিয়মৰ ভিত্তিত মাটিখিনি অন্য ব্যক্তিক আৱণ্টন দিলে ?

(ঘ) যোৱা অসম বিধান সভাৰ মজিয়াত দিয়া প্ৰতিশ্ৰুতি অনুসৰি তদন্ত কমিটিৰ দ্বাৰা তদন্ত কৰিলেনে ?

(ঙ) যদি কৰিলে, তদন্তৰ প্ৰতিবেদন কি ?

(সদনৰ মজিয়াত দাখিল কৰিব)

শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) কামৰূপ জিলাৰ অতিৰিক্ত উপায়ুক্তৰ প্ৰস্তাৱ আৰু বৃহত্তৰ গুৱাহাটীৰ বিশেষ ভূমি উপদেষ্টা সমিতিৰ অনুমোদন ক্ৰমে আৰু ১৯৮৯ চনৰ ভূমিনীতি মতে তলত উল্লেখ কৰা প্ৰতিজন ব্যক্তিৰ নামত বেলতলা মৌজাৰ বশিষ্ঠ গ্ৰাণ্টৰ ১৭ আৰু ১৮ নম্বৰ দাগৰ অংশ ১ কঠা ১০ লেচাকৈ ঘৰ বস্তিৰ বাবে পট্টন দিয়া হৈছে।

(১) শ্ৰীমতী ছায়াৰানী ৰয়, স্বামীৰ নাম শ্ৰীঅসীম ৰয়, প্ৰাক্তন গুৱাহাটী মহানগৰী পুলিচ অধীক্ষক।

(২) শ্ৰীমতী দিপ্তী গগৈ, স্বামীৰ নাম শ্ৰীভূপেন্দ্ৰ গগৈ, ভৰলুমুখ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া।

(৩) শ্ৰীমতী ৰুনা ঠাকুৰ, স্বামীৰ নাম শ্ৰীসুৰজিৎ ঠাকুৰ। প্ৰাক্তন বশিষ্ঠ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া।

(খ) উল্লেখিত দাগ দুটাৰ মুঠ ৪ বিঘা ১৮ লেচা মাটি ১৯৭৮ চনত জলসিঞ্চন বিভাগৰ নামত আৱণ্টন দিয়া হৈছিল।

(গ) যি অনুষ্ঠানে আৱণ্টন দিয়া মাটি ৩ বছৰৰ ভিতৰত ব্যৱহাৰ নকৰে,

তেনেকুৱা অব্যৱহৃত মাটি ভূমিনীতি অনুসাৰে আপোনা আপুনি ( automatically ) ৰাজহ বিভাগলৈ ঘূৰি আহে আৰু তেনেকুৱা অন্য অনুষ্ঠানক আৱণ্টন বা কোনো ব্যক্তিক পট্টন দিয়াত বাধা নাই। এই সম্পৰ্কত এই বিভাগৰ আৰ, এচ, এচ ৪৭/৮৯/৬ তাং ৩/১০/৮৯ ইং তাৰিখৰ চাৰ্কুলাৰৰ জৰিয়তে সকলো উপায়ুক্ত আৰু মহকুমাধিপতিলৈ জনোৱা হৈছে।

(ঘ) এই বিষয়টো তদন্ত কৰিবলৈ নামনি অসমৰ আয়ুক্তক নিৰ্দেশ দিয়া হৈছে আৰু অতি সোনকালে প্ৰতিবেদন দাখিল কৰিবলৈ কোৱা হৈছে।

(ঙ) নামনি অসমৰ আয়ুক্তৰ পৰা এতিয়াও তদন্তৰ প্ৰতিবেদন পোৱা নাই। তদন্তৰ প্ৰতিবেদন পোৱাৰ লগে লগে আৱশ্যকীয় ব্যৱস্থা লোৱা হব।

## বিষয় : চাহ শিল্পৰ পৰিকল্পনা

শ্ৰীৰামপ্যাৰে ৰবিদাস জিজ্ঞাসা করছেন :

৬২। মাননীয় শ্ৰম বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জনাবেন কি :

(ক) ৰাতাবাড়ী বিধান সভা সমষ্টিতে সৰ্বমোট কতটি রুগ্ন চা শিল্প আছে ?

(খ) চরগোলা, সিঙলাছড়া, মাগুরাছড়া, চা বাগানের মালিকনা স্বত্তর নিয়া বিগত ৭/৮ বৎসর হইতে আদালতে মামলা চলিতেছে, ফলস্বরূপে উক্ত চা বাগান গুলোর কামকাজ সম্পূৰ্ণ বন্ধ অবস্থায় আছে, সরকার কি এ ব্যাপারে অবগত আছেন ?

(গ) যদি অবগত থাকেন তবে এ ব্যাপারে কি পদক্ষেপ নিয়াছেন ?

(ঘ) উক্ত চা বাগানগুলো বন্ধ থাকার জন্য চা শ্ৰমিকদের আৰ্থিক অবস্থা কি হইয়াছে সরকার কি এ ব্যাপারে অবগত আছেন ?

(ঙ) যদি অবগত থাকেন তবে চা শ্ৰমিকদের জন্য কি কি ব্যবস্থা গ্ৰহণ করিয়াছেন ?

শ্ৰীদীলেশ্বৰ তাঁতী ( শ্ৰম মন্ত্ৰী ) যে উত্তর দিছে :

(ক) ৰাতাবাড়ী বিধান সভা সমষ্টিতে দুটি রুগ্ন চা বাগান আছে।

(খ) উক্ত বাগান বৰ্ত্তমানে বন্ধ হোয়ার সম্পৰ্কে সরকার অবগত নহে। বৰ্ত্তমানে বাগান দুটি রঙগাজান Tea Plantation Industries Private Ltd. Company যে পৰিছালনা করিতেছে।

(গ) প্ৰশ্ন উঠেনা ।

(ঘ) প্ৰশ্ন উঠেনা ।

(ঙ) প্ৰশ্ন উঠেনা ।

## বিষয় : বিদ্যানগর চা বাগান

শ্ৰীরামপ্যারে রবিদাস জিজ্ঞাসা করছেন :

৬৩। মাননীয় শ্ৰম বিভাগের মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করিয়া জানাবেন কি :

(ক) বিদ্যানগর চা বাগান কি আসাম চা নিগমকে সম্পূর্ণভাবে সমঝাইয়া দেওয়াবর কোনও পরিকল্পনা সরকারের বিবেচনাধীন আছে ?

(খ) উক্ত চা বাগানের চা কারখানা পুনরায় চালু করার জন্য সরকার কি পদক্ষেপ নিয়াছেন ? উক্ত কারখানা বন্ধ থাকার ফলে বিদ্যানগর চা বাগানে দিন প্ৰতিদিন শ্ৰমিকের সংখ্যা কমানো হইতেছে সরকার কি এ ব্যাপারে অবগত আছেন ?

(গ) বরাক উপত্যকার চা শিল্পের কোন কোন বাগান শ্ৰমিকদের বেতন মঞ্জুরী শতকরা কত হারে ভবিষ্যনিধি কর্ত্তন করিয়া থাকে এবং কোথায় জমা দেওয়া হয় ?

(ঘ) রাতাবারী বিধান সভা সমষ্টির কোন কোন বাগানে ভবিষ্যনিধি চালু আছে আর যে সকল চা বাগানে ভবিষ্যনিধি চালু নাই তাহার জন্য সরকার কি ব্যবস্থা গ্ৰহণ করিয়াছেন ?

(ঙ) প্ৰতিটি বাগান কতৃপক্ষ শ্ৰমিকদের জন্য গৃহ, জল ও আলোর উপযুক্ত ব্যবস্থা গ্ৰহণ করিয়াছে কি না আর যদি উপযুক্ত ব্যবস্থা না নেওয়া হুইয়া থাকে তবে সরকার এ ব্যাপারে কি ব্যবস্থা গ্ৰহণ করিয়াছেন ?

শ্ৰীদীলেশ্বৰ তাঁতী ( শ্ৰমমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) নাই।

(খ) সরকারের সংশ্লিষ্ট বিভাগে জানানো মতে বিদ্যানগর চা বাগানের বাৎসরিক উৎপাদন ক্ষমতা তিন লাখ কে, জি, পাতা যখন হবে তখন কারখানা পুনরায় চালু করা হবে। কারখানা বন্ধ হওয়ার জন্য কোনো স্থায়ী মজত্বরকে ছাটাই করা হয় নাই ।

(গ) বরাক উপত্যকাই ১০০ টি চা বাগান ভবিষ্যনিধি পরিকল্পনার অধীনস্থ আছে। শ্রমিকের বেতন মঞ্জুরী হইতে শতকরা দহ শতাংশ ভবিষ্যনিধি কর্ত্তন করা হয়। কর্ত্তন করা ধন ভৱিষ্যনিধির হিসাবের State Bank of India/United Bank of India তে জমা করা হয়।

(ঘ) রাতাবারী সমষ্টিত নিম্নলিখিত বাগান গুলিতে ভবিষ্যনিধি চালু আছে।

1. Bidyanagar T. E.
2. Chargolla T. E.
3. Chargolavalley T. E.
4. Dullabcherra T. E.
5. Goombira T. E.
6. Singlacherra T. E.
7. Sonaicherra T. E.

দহ হেক্টারের নিম্নের চা বাগান গুলো আইনমতে ভবিষ্যনিধির আচনির বাহিরে।

(ঙ) চা শ্রমিক আইনের ধারা অনুযায়ী বিহিত ব্যৱস্থা নেওয়া হইয়াছে। উক্ত আইনমতে উপযুক্ত ব্যবস্থা নেওয়া নচলে আইনসঙ্গত ব্যবস্থা আবশ্যক অনুযায়ী নেওয়া হয়।

Mr. Speaker : Question Hour is over. Now item No. 2, Hon'ble Finance Minister to move.

Shri Jiba Kanta Gogoi (Minister, Finance) : Mr. Speaker Sir, I beg to present the list of Supplementary Demands for grants and Supplementary Appropriations for the year, 1993-94.

Mr. Speaker : Now item No. 3, Hon'ble Finance Minister:

Shri Jiba Kanta Gogoi (Minister, Finance) : Mr. Speaker Sir, I beg to lay 'The Assam Amusement and Betting Tax (Amendment) ordinance, 1993.'

Mr. Speaker : Now item No. 4. Hon'ble Finance Minister.

Shri Jiba Kanta Gogoi (Minister, Finance) : Mr. Speaker Sir, I beg to lay a Statement Under Rule 69 (1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly explaining the circumstances which had necessitated immediate Legislation by Ordinance.

Mr. Speker : Now item No. 5. Hon'ble Minister, Finance.

Shri Jiba Kanta Gogoi (Minister, Finance) : Mr. Speaker Sir, I beg leave to introduce The Assam Amusements and Betting Tax (Amendment) Bill, 1993.

**(Leave is granted)**

Mr. Speaker : There is a message from the Governor of Assam.

"Raj Bhavan
Guwahati,
Spetember 30, 1993.

**ORDER**

Under the provision of Article 207 (1) of the constitution of India, I Loknath Misra, Governor of Assam, recommend introduction of the Assam, Amusements and Betting Tax (Amendment) Bill, 1993, in the Assam Legislative Assembly.

Sd/Loknath Misra,
Governor of Assam."

Shri Jiba Kanta Gogoi (Minister, Finance) : Mr. Speaker Sir, I beg to introduce The Assam Amusement and Betting Tax (Amendment) Bill, 1993.

## Discussion During Zero Hour

**( Secretary Assam Legislative Assembly read out the Tittle of the Bill )**

**Mr. Speaker :** I have received as many as 9 Zero Hour Notices for 7. 10. 93 in the name of the following Hon'ble Members :

1. Shri Giasuddin Ahmed
2. Shri Chandra Mohan Patowary, Shri Ramendra Narayan Kalita Shri Badan Barua, Shri Kali Ranjan Deb,
3. Shri Hiteswar Deka, Shri Nagen Sarma, Shri Bharat Chandra Narah, Shri Bubul Das, Shri Binod Gowala, Shri 'ahidul Alam Choudhury, Shri Padmeswar Doley, Smti. Renupama Rajkhowa, Shri Bhupen Rai.
4. Shri Dilip Kumar Saikia, Shri Hitendra Nath Goswami.
5. Shri Mission Ranjan Das.
6. Shri Sasha Kamal Hardique, Shri Alauddin Sarkar, Shri Nizamuddin Khan.
7. Dr. Kamala Kalita, Shri Binod Gowala, Shri Chandra Mohan Patowary, Shri Ramendra Narayan Kalita
8. Shri Zoii Nath Sarma.
9. Shri Badan Barua, Shri Ramenrda Narayan Kalita.

Out of 9 Zero Hour Notices, as Rule permits, I have selected 3 for raising before the house.

I now call upon the Hon'ble Member Shri Mission Ranjan Das to raise his Zero Hour Notice which was published in "The North East Observer" dated 6. 10. 93 under the caption — "Self-immolation threatened".

★শ্রীমিশন রঞ্জন দাস : মাননীয় অধ্যক্ষ মহোদয়, সবারই জানা যে আসামে বিভিন্ন ভেন্সার স্কুলে যারা শিক্ষকতা করছেন তারা দীর্ঘদিন যাবৎ তাদের ভেন্সাৰ স্কুলগুলি সরকারী করনের দাবীতে আন্দোলন করে চলেছে। সরকার থেকেও তাদের স্কুলগুলি সরকারী করণের আশ্বাস দেওয়া হয়েছিল। কিন্তু আজ পর্যন্ত এই আশ্বাস সরকার থেকে পালন না করার জন্য আসামের বিভিন্ন যায়গায় বিভিন্ন ধরনের আন্দোলন চলছে। বিগত বাজেট অধিবেশনের সময়েও দিশপুর সেক্রেটারিয়েটর বাইরে এইসব ভেন্সার স্কুলের শিক্ষকরা আন্দোলন করেছিল। তখন সরকার পক্ষ এবং বিরোধী পক্ষ থেকে তাদের আশ্বাস দেওয়া হয়েছিল যে ৩ হাজার ভেন্সার স্কুল সরকারী করণ করা হবে এবং তখন তাদের দাবী মানা হবে। কিন্তু আমরা দেখেছি যে ইতিমধ্যে সরকার থেকে ১৫/১৬ শ ভেন্সার স্কুল সরকারী করণ করা হয়েছে। বাকী গুলি এখনও সরকারী করণ করা হয় নি। সেইজন্য আজ দীর্ঘদিন যাবৎ এইসব ভেন্সার স্কুলের শিক্ষকরা তাদের দাবীতে আমরণ অনশন কার্য্যসূচী চালিয়ে যাচ্ছে। এই আমরণ অনশন কার্য্যসূচী চালানোর জন্য কয়েকজন অনশনকারী শিক্ষককে ইতিমধ্যে এরেষ্ট করে জেলে পাঠানো হয়েছে। এইভাবে বিভিন্ন সময়ে সরকার থেকে বিভিন্ন আশ্বাস দিয়ে পালন না করার জন্য এইসব ভেন্সার স্কুলের কিছু শিক্ষক আজ আত্মদাহ করার সিদ্ধান্ত নিয়েছে। বিধানসভার অধিবেশন চলার সময়ে যদি এই ধরনের ঘটনা ঘটে তাহলে এটা একটা লজ্জাজনক ব্যাপার হবে বলে আমি মনে করি। এই ব্যাপারে বিভাগীয় মন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করে একটা বিবৃতি দেওয়ার জন্য অনুরোধ জানিয়ে আমার বক্তব্য শেষ করছি।

★ শ্রীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রীমিচন ৰঞ্জন দাস ডাঙৰীয়াই যিটো বিষয়ৰ ওপৰত কৈছে সেই সম্পৰ্কত মই আপোনাৰ যোগেদি মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো আৰু দাস ডাঙৰীয়াৰ সৈতে মই একমত। আজি বিভিন্ন কাগজে পত্ৰই আৰু পুস্তিকাত ৩ হেজাৰ ভেন্সাৰ স্কুল প্ৰাদেশিকী-

*Speech not corrected.

কৰণ কৰা হ'ব বুলি ঘোষণা কৰা হৈছিল। বৰ্ত্তমানলৈকে প্ৰায় ১৬৫০ খন স্কুল প্ৰাদেশিকীকৰণ কৰা হৈছে, সেইখিনি কি ভিত্তিত কৰা হৈছে। আজি প্ৰাথমিক স্কুলৰ শিক্ষকসকলে আমৰণ অনশণ কাৰ্য্যসূচী গ্ৰহণ কৰিছে। সেই আমৰণ অনশনত চৰকাৰৰ ফালৰ পৰা মন্ত্ৰী যোৱাটো দূৰৰ কথা বিভাগীয় বিষয়াও তালৈ যোৱা নাই। তেওঁলোকে কোনো সহানুভূতি প্ৰকাশ কৰা নাই। এই আমৰণ অনশন এদিন নহয় দুদিন বিগত ১২ জুলাই পৰাই অহৰহ ৮৬ দিন অনশন কৰিছে। এনেক্ষেত্ৰত চৰকাৰৰ কথাই নাই বিভাগীয় বিষয়াৰো সহানুভূতি নথকাটো এখন গণতন্ত্ৰ দেশৰ বাবে তাতোকৈ কোনো দুখৰ কথা হ'ব নোৱাৰে। বৰঞ্চ তাৰ পৰিবৰ্তে ১৪জন অনশন কাৰীক গ্ৰেপ্তাৰ কৰিছে, জেললৈ পঠিয়াছে। মাননীয় অধ্যক্ষ মহোদয়ৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো অষ্টম দলৰ পিছত নৱম দল এই অনশনত বহিছে। যোৱা কালি বাতৰি কাকতত প্ৰকাশ পাইছে যে অমঞ্জুৰীপ্ৰাপ্ত প্ৰাইমেৰী স্কুলৰ ৫ জন শিক্ষকে কোনোবা এটা দিনত কোনো এক ঠাইত আত্মজাহ যাব বুলি সিদ্ধান্ত গ্ৰহণ কৰিছে। আজি চৰকাৰে যি চুক্তি কৰিছিল, সেই চুক্তি তেওঁলোকে ভঙ্গ কৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, প্ৰত্যেকটো সমষ্টিতে ১২ খনকৈ স্কুল লোৱা হ'ব বুলি চৰকাৰে কৈছিল কিন্তু পুনৰ চৰকাৰেই ঘোষণা কৰিলে যে তেওঁলোকৰ সেই নীতিটো ভুল হৈ গল আৰু নতুনকৈ স্কুল লব নোৱাৰিলো বুলি কৈছে। কিন্তু একেটা ৰাতিৰ ভিতৰতে একেটা সমষ্টিত ৬২ খন স্কুল এড্‌হকত লোৱা হল, সেইটো কি ভিত্তিত লোৱা হল। আজি ৫ জন শিক্ষকে আত্মজাহ যাবলৈ বিচৰা নাই চৰকাৰেই তেওঁলোকক সেইটো সিদ্ধান্ত লবলৈ বাধ্য কৰাইছে। অনশনকাৰী ২ হেজাৰ ৮৮ ঘণ্টা অৰ্থাৎ ৮৬ দিন অনশন কৰিলে গতিকে তেওঁলোকৰ প্ৰতি যি সিদ্ধান্ত গ্ৰহণ কৰে আজি বিধান সভাতে চৰকাৰে স্পষ্ট ঘোষণা কৰিব লাগে।

★শ্ৰীনজমুল হক : মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগত আজিলৈকে ভেন্সাৰ স্কুলত দ্বিতীয়জন শিক্ষকক নিযুক্তি দিয়া নহ'ল। কিয় এই শিক্ষক সকলক নিযুক্তি দিয়া নাই? আজি সেই সম্পৰ্কতো তেওঁলোকৰ অনশণ চলি

*Speech not corrected

আছে। যদি কোনোবা শিক্ষক আত্মজাহ যাবলগীয়া হয় তেতিয়াহ'লে চৰকাৰেই জগৰীয়া হব। আজি কল্যাণকামী চৰকাৰে এখনে এই শিক্ষকসকলৰ কোনো সমস্যা সমাধান কৰাত গুৰুত্ব দিয়া নাই। আজি ১০/১২ বছৰ এজন শিক্ষকে একাখন স্কুলত শিক্ষকতা কৰি আছে কিন্তু আজি পৰ্য্যন্ত তেওঁলোকক স্কুল তথা চাকৰি নিয়মীয়া কৰাৰ কথা চৰকাৰে চিন্তা কৰা নাই। গতিকে মই চৰকাৰক অনুৰোধ কৰিছো যে অনতিপলমে চৰকাৰে ইয়াৰ ব্যৱস্থা গ্ৰহণ কৰে। আজি নিযুক্তিৰ ক্ষেত্ৰত হেজাৰ হেজাৰ টকা দিছে।

মাননীয় অধ্যক্ষ : আপুনি যিটো কথা কব লাগে সেইটো বিষয়ৰ ওপৰত কওঁক।

★শ্ৰীনজমূল হক : মাননীয় অধ্যক্ষ মহোদয়, আমি স্পষ্টকৈ কৈছো যে, ভেন্সাৰ স্কুলবিলাক ৰাজ্যিক ভিত্তিত, চিনিয়ৰিটি ভিত্তিত চৰকাৰীকৰণ কৰিব লাগে। লগতে আপুনি মোক এক মিনিট সময় বেছিকৈ দিয়া বাবে আপোনাক ধন্যবাদ জনালো।

★শ্ৰীবদন বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগত কবলগীয়া কথাখিনি মাননীয় সদস্যসকলে কৈছেই, মই আৰু তাৰ বিষয়ত নকওঁ। মাত্ৰ এটা কথাৰ ওপৰত এষাৰ কথা কব বিচাৰিছো। সেইটো হৈছে ৫৭৫ খন প্ৰাইমেৰী স্কুল প্ৰাদেশিকীকৰণ কৰা হ'ল কিন্তু তাত কাম কৰা চকীদাৰ, পিয়ন সকলৰ চাকৰিবিলাকো নিয়মীয়াকৰণ কৰিব নেকি ? এই নীতি চৰকাৰে কৰিব নেকি ?

★শ্ৰীনিজামুদ্দিন খান : মাননীয় অধ্যক্ষ মহোদয়, আজি ৫ জন শিক্ষকে আত্মজাহ যাব বুলি সিদ্ধান্ত গ্ৰহণ কৰিছে। আনহাতে চৰকাৰে ৩ হেজাৰ ভেন্সাৰ স্কুল প্ৰাদেশিকীকৰণ কৰা হব বুলি ঘোষণা কৰিছিল, কিন্তু আজিলৈকে সেইটো কাৰ্য্যকৰী হোৱা নাই। তাৰ বিপৰীতে অনশনকাৰীসকলে ৮৬ দিন বা ২ হেজাৰ ৮৮ ঘণ্টা আমৰণ অনশন কৰিছে। তেওঁলোকে গণতান্ত্ৰিকভিত্তিত আন্দোলন কৰিছে অথচ চৰকাৰ নিৰ্বিকাৰ। আজি ইমান দীঘলীয়া আন্দোলন কৰাৰ পিছতো চৰকাৰে অলপো সহানুভূতি দেখুওৱা নাই। গতিকে চৰকাৰে ইয়াৰ ওপৰত কি ব্যৱস্থা গ্ৰহণ কৰে সেইটো আমাক বিধান সভাতে জনাব লাগে।

শ্ৰীনগেন শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, অমঞ্জুৰীপ্ৰাপ্ত প্ৰাথমিক শিক্ষকৰ

★Speech not corrected

আন্দোলন সম্পৰ্কে আমাৰ বহুতো মাননীয় সদস্যই আপোনাৰ জৰিয়তে শিক্ষা মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছে, মইও দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। এই বিষয়টো সম্পৰ্কে চৰকাৰে প্ৰাথমিক শিক্ষকৰ ক্ষেত্ৰত এটা নীতি গ্ৰহণ কৰিব লাগে। বৰ্তমান অসমত সাত হেজাৰ প্ৰাথমিক বিদ্যালয় ভেন্সাৰ হৈ আছে। ইয়াৰ ভিতৰত তিনি হাজাৰখন বিদ্যালয় চৰকাৰীকৰণ কৰিব বুলি ৰাজহুৱাভাৱে ঘোষণা কৰিছিল। আজিৰ দিনলৈকে চৰকাৰে ১৬৮৫ খন বিদ্যালয় চৰকাৰীকৰণ কৰিছে, বাকী খিনি স্কুল এতিয়াও চৰকাৰীকৰণ কৰা হোৱা নাই। যি ১৬৮৫ খন বিদ্যালয় চৰকাৰীকৰণ কৰা হৈছে তাত দ্বিতীয়জন শিক্ষক নিযুক্তি দিব লাগিছিল। কাৰণ এইটো ভাৰত চৰকাৰৰ শিক্ষানীতি। ভাৰত চৰকাৰে প্ৰাথমিক বিদ্যালয়ত দুজন শিক্ষক নিয়োগ কৰাৰ ব্যৱস্থা কৰিছে। কিন্তু আমাৰ অসম চৰকাৰে যি ১৬৮৫ খন প্ৰাথমিক বিদ্যালয় চৰকাৰীকৰণ কৰিছে তাৰে এজন এজন শিক্ষকৰ চাকৰিহে চৰকাৰীকৰণ কৰিছে। আৰু সেইবিলাককো ষ্টাইফেণ্ডাৰী হিচাপে নিযুক্তি দিছে। তেওঁলোকক নিৰ্দিষ্ট পৰিমাণৰ দৰমহা দিয়া হৈছে। কিন্তু আটাইতকৈ দুখলগা কথাটো হৈছে যে যিবিলাক শিক্ষকক ষ্টাইফেণ্ডাৰী পোষ্টত নিযুক্তি দিছে তেওঁলোক ট্ৰেইনিঙত আছে। ফলত এই বিদ্যালয়কেইখনত শিক্ষা দিয়া হোৱা নাই। স্কুলবিলাক বন্ধহৈ আছে। কাৰণ এই বিদ্যালয় বিলাকৰ দ্বিতীয় পোষ্টত থকা শিক্ষক আমৰণ অনশনত আছে। আৰু ষ্টাই-ফেণ্ডাৰী পোষ্টত নিযুক্তি দিয়াবিলাকে বেচিক ট্ৰেইনিঙত ব্যস্ত আছে। কিন্তু দুৰ্ভাগ্যজনক কথা হৈছে চৰকাৰে বৰ্তমান কোনো নীতি নিয়ম নোহোৱাকৈ এইবিলাক কাম কৰি আছে। আমাৰ অসমতো ২০০০ চনৰ ভিতৰত সকলো জনসাধাৰণৰ কাৰণে শিক্ষা বুলি শ্লোগান দি আছে। যিসময়ত সাত হাজাৰ প্ৰাথমিক বিদ্যালয় ভেন্সাৰ হৈ আছে, ১৬৮৫ খন বিদ্যালয় চৰকাৰীকৰণ কৰাৰ পিচত তাৰ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষা লাভৰপৰা বঞ্চিত হৈ আছে। মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে শিক্ষা মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো যে তিনি হাজাৰখন বিদ্যালয়ৰ দ্বিতীয় শিক্ষকৰ পদত অনতিপলমে শিক্ষক নিযুক্তি দিব লাগে। আৰু বাকী অমঞ্জুৰীকৃত বিদ্যালয়বিলাক চৰকাৰীকৰণ কৰিব লাগে। এই সম্পৰ্কত চৰকাৰে কোনো সময় নলয়, দুই এদিনৰ ভিতৰতে দৰকাৰ হ'লে আজিৰ ভিতৰতে চৰকাৰীকৰণ কৰিব লাগে। যি পাঁচজন শিক্ষকে আত্মজাহ যাবলৈ বিচাৰিছে, সেই শিক্ষকবিলাকৰ অৱস্থা বৰ দুখলগা। অমঞ্জুৰী শিক্ষক

সকলৰ অৱস্থাৰ প্ৰতি চৰকাৰ সচেতন হোৱা উচিত। গতিকে মোৰ অনুৰোধ চৰকাৰে বিদ্যালয়বিলাকত অনতিপলমে দ্বিতীয় শিক্ষকৰ পদ সৃষ্টি কৰি তিনি হাজাৰ শিক্ষক নিযুক্তি দিব লাগে। এই আশা কৰি মোৰ বক্তব্য সামৰণি কৰিছো।

★শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, আজি যিটো বিষয় উত্থাপন কৰিছে সেই বিষয়টো অতি গুৰুত্বপূৰ্ণ আৰু অসমৰ নিচিনা ৰাজ্যৰ কাৰণে এইটো বৰ দুৰ্ভাগ্যজনক বুলি অভিহিত কৰিছো। আজি বিধান সভাৰ মজিয়াত এই কাৰণে দুৰ্ভাগ্যজনক বুলি অভিহিত কৰিছো যে চৰকাৰে এটা সময়ত সকলোবিলাক এল. পি. স্কুল চৰকাৰী কৰা হব বুলি ঘোষণা কৰিছিল। কিন্তু ৰিধান সভাত তেওঁলোকে তিনি হাজাৰ এল. পি. স্কুল লব বুলি কৈছিল। এই তিনি হাজাৰ স্কুল কেনেকৈ লোৱা হৈছে সেই বিষয়ে মই পুনৰ ব্যাখ্যা কৰিবলৈ নাযাওঁ। কিন্তু দ্বিতীয় শিক্ষকৰ পদৰ ক্ষেত্ৰত যিটো অৱস্থাৰ সৃষ্টি হৈছে সেইটো বৰ দুৰ্ভাগ্যজনক। এই অমঞ্জুৰী শিক্ষকসকলে যোৱা জুলাই মাহৰ পৰা অনশন কৰি আছে। তাৰ প্ৰতি আজিলৈকে অসম চৰকাৰৰ কোনো শিক্ষা বিষয়া বা অসম চৰকাৰৰ মুখ্যমন্ত্ৰী বিষয়া বা অসম চৰকাৰৰ শিক্ষা বিভাগৰ কোনো বিষয়া আজিলৈকে সেই বিষয়ে খবৰ লোৱা নাই। চৰকাৰে কোনো মনোযোগ দিয়া নাই। যোৱা-কালি এজন অবৈতনিক শিক্ষকে মোৰ ওচৰলৈ আহি কৈছে যে চৰকাৰে আজি মহাত্মা গান্ধীৰ জন্ম জয়ন্তী পালন কৰিছে, গান্ধীবাদী আদৰ্শত দেশ চলাইছে বুলি কৈছে। তেওঁলোকে হেনো গান্ধীৰ আদৰ্শক সন্মান কৰে। কিন্তু আমি শিক্ষক সকলেতো গান্ধীবাদী প্ৰথাৰে আন্দোলন কৰিছো আপোনালোকে আমাৰ আন্দোলনৰ প্ৰতি কোনো গুৰুত্ব দিয়া নাই। আন এজন শিক্ষকে কলে যে তেওঁলোকে এনেকৈ আন্দোলন কৰাটো ভুল হৈছে। মানুহ খোৱা বাঘৰ আগত সপ্তকাণ্ড ৰামায়ণ পাঠ কৰিলে কি হব। মই তেখেতক কৈছো আপুনি তেনেকৈ নকব। অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে যি হিচাৰে ঢাক ঢোল বজাইছে কিন্তু সেই হিচাবে কাম কৰিব পৰা নাই। আজি বিদ্যালয় বিলাকৰ দ্বিতীয় শিক্ষকৰ বিলাই নাইকিয়া হৈছে। আজি চৰকাৰে তেওঁ-লোকৰ নিজৰ প্ৰতিশ্ৰুতিৰ কথা নিজে ভঙ্গ কৰিছে। অধ্যক্ষ মহোদয়, চৰ-কাৰৰ প্ৰতিশ্ৰুতিৰ কথা আমি কবলৈ নাযাওঁ। কিন্তু আপোনাৰ সন্মানৰ কথাত আমি গুৰুত্ব দিওঁ। চৰকাৰে এই সদনতে দ্বিতীয় শিক্ষকৰ পদ চৰকাৰী

কৰণ কৰা হব বুলি কথা দিছিল। আজি সেই কথা ৰাখিব নোৱাৰাত আপোনাৰ সন্মানো জড়িত আছে। সদনত দিয়া কথা চৰকাৰে পালন কৰি সদনৰ মৰ্য্যাদা ৰক্ষা কৰিব লাগে। যোৱা কালি মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মা ডাঙৰীয়াই আগৰ শিক্ষা মন্ত্ৰী শ্ৰীবৰ্মণক ফোন কৰি কোৱাৰ কথা কৈছিল। মই সেইবিলাক এতিয়া আৰু কবলৈ নাযাও। আজি চৰকাৰে কৈছে যে পইচা নাই। পইচা নাই কাৰণে পোষ্ট ক্ৰিয়েট কৰিব পৰা নাই। চৰকাৰে এই তিনি হাজাৰ বিদ্যালয়ত এডিচনেল শিক্ষক নিযুক্তি দিব পৰা নাই। অধ্যক্ষ মহোদয় চৰকাৰে কৈছে পইচা নাই মই উদাহৰণ দি কৈছো যদি চৰকাৰৰ পইচা নাই তেনেহলে চিলিপত ভেকেণ্ট পোষ্টত এডিচনেল পোষ্টত নিযুক্তি দি আছে। আজি ডাইৰেক্টৰ ছেকেণ্ডাৰী এডুকেছন, ডাইৰেক্টৰ এলিমেণ্টৰী এডুকেছন দোকান বজাৰত পৰিণত হৈছে। মাছি বজাৰতকৈ বেছি হৈছে। একেবাৰে নিম্ন মানদণ্ডৰ হৈছে। এই চৰকাৰ থকালৈকে মই ডাইৰেক্টৰ ছেকেণ্ডাৰী এডুকেছন অফিচলৈ নাযাওঁ। আজি ডাইৰেক্টৰ অফিচত মাৰ-পিট, দালালৰ চাকৰি কিনাবেচা আদি খোলা বজাৰত চলি আছে।

মাননীয় অধ্যক্ষ : সময়ৰ সংকেট।

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, চৰকাৰে আজি কৈছে পইচা নাই। কিন্তু ডাইৰেক্টৰ অফিচত চিলিপত চাকৰি কিনা বেচা চলি আছে। (কেইখনমান মন্ত্ৰীয়ে লিখি দিয়া চিলিপ দেখুৱাই)। এনেকুৱা চিলিপ কিমান লাগে। মই এক হাজাৰ দুই হাজাৰ চিলিপ দেখুৱাব পাৰো মাত্ৰ আপুনি অফিচৰ চাকৰি নেখেদাৰ নিশ্চিতি দিব লাগিব (ইংৰাজী থকা চিলিপ পঢ়ি দিয়ে) Mr. Hassan Ali son of Md. So and so many be apponited in the post of teacher

মাননীয় অধ্যক্ষ : মই এটা অনুৰোধ কৰিছো। চমু কৰক কালিও কোনো বিজনেছ দিয়া নহ'ল।

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, মই আৰু বেছি সময় নলওঁ। এই চিলিপবিলাকত লিখা আছে ভি আই অৰ্থাৎ ভেৰি ইমপ'ৰ-টেণ্ট। যদি কোনো পোষ্ট নাই তেনেহলে কিয় চিলিপত কিনা বেচা চলি আছে। যদি চৰকাৰে চিলিপত কিনা বেচা কৰি নাথাকি সেইবিলাক

---

*Speech not corrected

অমঞ্জুৰী শিক্ষকৰ পৰা পূৰণ কৰি থাকিলেহেতেন তেতিয়াহলে এনেকুৱা পৰিবেশ নহ'লহেতেন। এতিয়া কোনো নীতি নিয়মৰ কথা নাই।

মাননীয় অধ্যক্ষ মহোদয়, আজিৰ যিটো অৱস্থা হৈছে, এই অৱস্থা এই কাৰণেই হৈছে যে চৰকাৰৰ কোনো নিয়ম-নীতি নাই, যাৰ ফলত আজি এই যুৱক সকলে আমৰণ অনশন কাৰ্য্যসূচী হাতত লৈছে। শিক্ষা বিভাগৰ দুৰ্নীতি আজি এনে এটা পৰ্য্যায়লৈ গৈছে যে ই দুৰ্নীতিৰ ভূস্বৰ্গ হৈছে There is no language to depict the Education Department of Assam. এতিয়া কথা হ'ল এই যে প্ৰাথমিক স্কুলৰ শিক্ষকৰ দ্বিতীয় পোষ্টটো কিমান দিনৰ ভিতৰত দিয়া হব ? কিমান দিনৰ ভিতৰত দিয়া হব সেইটো আমাক স্পষ্টকৈ জনাব লাগে। পলম হওঁক আপত্তি নাই কিন্তু কেতিয়ামানে কৰা হব সেইটো জনালে বৰ্ত্তমানৰ যিটো সমস্যা সেইটো অন্তত: কিছু পৰিমাণে কমিব। এইটো বৰ লাজৰ কথা হৈছে, এহাল গিৰিয়েক আৰু ঘৈনীয়েকৰ কাজিয়া হৈছে, তেওঁলোকৰ এজনে আত্মহত্যা কৰিবলৈ ওলাল তেতিয়া এজনে মাত দিলে যে আত্মহত্যা কৰাতকৈ ভেন্সাৰ স্কুলৰ ২য় পোষ্টত জইন কৰক, সিয়েই যথেষ্ট হব। গতিকে কিমান লাজ লগা কথা হৈছে, আজি এই কথাবিলাক কেনে পৰ্য্যায়লৈ আগবাঢ়িছে চাওঁক। গতিকে কিমান দিনৰ ভিতৰত এই স্কুলবিলাক লোৱা হব সেইটো স্পষ্টকৈ জনাব লাগে। ইমানকে কৈ সামৰণি মাৰিলো।

*শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, আজি ভেন্সাৰ স্কুলৰ শিক্ষক সকলে আমৰণ অনশন আন্দোলন কৰি আত্মজাহ যোৱাৰ যি ভাবুকি দিছে সেইটো এইবাৰ অসমত প্ৰথম হৈছে। অৱশ্যে ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত কোনো কোনো কাৰণত আত্মজাহ যোৱাৰ কাৰ্য্যসূচী লোৱাৰ কথা আমি শুনিছো কিন্তু অসমত এইবাৰ এই নমুনাৰ কাৰ্য্যসূচী প্ৰথম বুলিব লাগিব। গতিকে মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰীক এই বিষয়টো ভালধৰণে অনুধাৱন কৰি ব্যৱস্থা হাতত লবলৈ অনুৰোধ জনালো নহলে পৰিস্থিতি ভয়াবহ হব। আজি যিটো দেখিবলৈ পোৱা গৈছে সেইমতে চৰকাৰৰ নিযুক্তিৰ কোনো নিয়ম-নীতি নাই কিয়নো আজি শিৱসাগৰত যিমান সংখ্যক শিক্ষক দিয়া হৈছে সেইমতে আমাৰ ধেমাজীত

★Speech not corrected

এজনো নিদিলে। শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত বৈষম্যতা কৰিছে, ধেমাজী আৰু নৰ্থ লক্ষীমপুৰৰ লৰাবিলাকে পেটত গামোছা মাৰি থাকিব নেকি? মই মাননীয় শিক্ষা মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি কব বিচাৰিছো—যিবিলাক শিক্ষকক ফিস্কচ পেত নিযুক্তি দিয়া হৈছে সেইবিলাক পোষ্টৰ চেংশ্যন হোৱা নাই আৰু কেতিয়া মানে সেই পোষ্টবিলাক ৰেগুলাৰাইজ হব সেইটো কব নোৱাৰি। গতিকে এই বিষয়বিলাক লৈ ভাল ধৰণে আলোচনা কৰি শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত নীতি নিৰ্দ্ধাৰণ কৰিব লাগে, নহলে আগলৈ পৰিস্থিতি ভয়াবহ হব। এতিয়া যি প্ৰক্ৰিয়াৰে স্কুলবিলাক খোলাৰ ব্যৱস্থা চলি আছে, জধে-মধে কোনো নিয়ম-নীতি নোহোৱাকৈ স্কুলবিলাক চলি আছে সেইমতে চলি থাকিলে এই স্কুলবিলাক কোনো দিনেই প্ৰাদেশিকীকৰণ ন'হব। গতিকে নতুনকৈ স্কুল খুলিবলৈ অনুমতি বন্ধ কৰিব লাগে আৰু যিখিনি স্কুল বৰ্ত্তমানে চলি আছে সেইবিলাক প্ৰথমতে প্ৰাদেশিকীকৰণ কৰাৰ ব্যৱস্থা কৰক। আৰু প্ৰাদেশিকীকৰণ কৰাৰ বেলিকা দিৰ্চক্ৰিমেশ্যন হব নালাগে। কিয়নো আমি জনাত শিৱসাগৰত ৩৯ খন স্কুল প্ৰাদেশিকীকৰণ কৰিছে, সেইদৰে কামৰূপত ২৭ খন, নলবাৰীত ৩০ খন কিন্তু ধেমাজীত এখনো নাই। তেওঁলোকে এতিয়া কি খাই জীয়াই থাকিব? আনকি চাকৰি দিয়াৰ নামত তেওঁলোকৰ মোটা সংখ্যাৰ টকা লৈছে কিন্তু এতিয়ালৈকে নিযুক্তি দিয়া নাই।

**Mr. Speaker : I think must has been discussed on the subject let us close it by 10.45. So I request all of you to be brief.**

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া : ধেমাজীৰ এই যুৱক সকলে পইচা দিয়ো চাকৰি নাপালে, এতিয়া তেওঁলোকে বন্দুক নলৈ কলম লব নেকি। গতিকে এই কথাবিলাক তদন্ত হব লাগে, এতিয়া নতুনকৈ এল. পি. স্কুল লোৱাতো বন্ধ কৰিব লাগে আৰু যিখিনি আছে সেইখিনিকে চৰকাৰীকৰণ নিয়ম-নীতিৰ মাজেৰে কৰিব লাগে। অতি সোনকালে শিক্ষানীতি ঘোষণা কৰিব লাগে।

★ শ্ৰীভৰত নৰহ : মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ যুৱক সকলে যি আমৰণ অনশন আন্দোলনৰ কাৰ্য্যসূচী লৈছে সেই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি কব বিচাৰিছো—আমাৰ সদস্য সকলৰ

★ Speech not corrected

ঋহুতে সপক্ষে আৰু বিপক্ষে কৈছে, ভেন্সাৰ স্কুলৰ সমস্যাটো এনে ধৰণৰ হৈছে যে মইয়ো যদি শিক্ষামন্ত্রী হলোহেতেন মই এই সমস্যাটো দূৰ কৰিব নোৱাৰিলোহেতেন, সেই কাৰণে সদনত অভিযোগ উঠিছে যে এই ভেন্সাৰ স্কুলবিলাক খোলাৰ কোনো নিয়ম-নীতি নাই কিয়নো চৰকাৰে যিমানেই অৰ্থাভাব নিদিয়ক যে নতুনকৈ স্কুল খুলিব নোৱাৰিব সেই ক্ষেত্ৰ কোনেও নামানিব. গতিকে যিহেতু স্কুল বিলাক খোলাৰ নিয়ম-নীতিয়েই যেতিয়া পালন কৰা হোৱা নাই তেনে ক্ষেত্ৰত প্ৰাদেশিকীকৰণ কৰাৰ বেলিকাও সমস্যা আহি পৰে আৰু সেই ক্ষেত্ৰতো কোনো নিয়ম-নীতি নিৰ্ধাৰণ নকৰাকৈ জধে-মধে কামবিলাক চলি আছে। গতিকে প্ৰথমতেই নতুনকৈ স্কুল খোলাৰ ক্ষেত্ৰত কিছুমান স্পষ্ট নীতি লব লগা হৈছে উচ্চতম ন্যায়ালয়ে এই সন্দৰ্ভত এলানী নিৰ্দ্দেশনা জাৰি কৰিছে কিন্তু এতিয়ালৈকে সেইমতে কাম কৰা হোৱা নাই। গতিকে শিক্ষামন্ত্ৰীয়ে এই বিষয়টো প্ৰেষ্টিজ ইচু হিচাবে নলৈ এই বিষয়টো চিৰিয়াচলি চিন্তা কৰি ১৯৮৫/৮৬ চনলৈকে যিবিলাক স্কুল চলি আছে সেই সকলোবোৰ স্কুল প্ৰাদেশিকীকৰণ কৰাৰ ব্যৱস্থা হাতত লওক।

মাননীয় অধ্যক্ষ মহোদয়, ইম্‌প্লিমেনটেচন কৰা কিছু দিন দেৰি হলেও এল, পি, স্কুলৰ শিক্ষকসকলে গালি নাপাৰে। হাইস্কুলৰ বি, এচ, চি শিক্ষক সকলক কৰাৰ দৰে ১৯৮৯ চনলৈকে এল, পি, স্কুলৰ প্ৰাদেশিকী-কৰণ কৰিলে অসমৰ শিক্ষকসকল উপকৃত হব। গালি গালাজ কৰি কোনেও সমস্যা সমাধান কৰিব নোৱাৰে। মুঠতে ১৯৮৯ চনলৈকে প্ৰাদেশিকী কৰণ কৰা কথাটো ঘোষণা কৰি দিব লাগে।

শ্ৰীজয় নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মই যেতিয়া কালি সিদ্ধান্ত লোৱা ৫ জন শিক্ষকক দেখা কৰিবলৈ গৈছিলো তেতিয়া দেখিবলৈ পাইছো নোটিচ পোৱাৰ পিচত ২০ জনলৈ বৃদ্ধি হৈছে। এই কথাটো চৰকাৰে সহজভাৱে লৈছে। এই বিষয়ে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে এই বিষয়টো গোটেই ভাৰততে বিয়পিব। ৪-৫ খন ঠাইত ইলেকচন হব সেই ইলেকচনত আত্মদাহৰ সলনি কংগ্ৰেছ দাহলৈ ৰূপান্তৰিত হব। ৩ হেজাৰ স্কুল প্ৰভিনচিয়েলাইজ কৰা হব বুলি আপোনালোকে কৈ দিয়ক। আপোনা-লোকে কেৱল ১৫ শ খনহে দিলে বাকী দিয়া নাই। ৭ হেজাৰৰ ভিতৰত ৩ হেজাৰ কৈ ৬ হেজাৰ দি বাকী ১ হেজাৰ পলিটিচিয়ান হিচাবে

দিয়ক। এই কামটো শিক্ষামন্ত্ৰী বা মুখ্য মন্ত্ৰীয়ে কৰিব পাৰে। উক্ত বিষয়টো হাউচতো ইতিমধ্যে ঘোষণা কৰা হৈছিল। এই ৭ হেজাৰ পোষ্ট ক'ত কেনেকৈ ভাগ হল এবাৰ ভিতৰুৱাকৈ খবৰ ললে সকলো পাই যাব। সেই কাৰণে মই অনুৰোধ কৰিছো যে শিক্ষক সকলে আত্মদাহ কৰাটো হাউচত এটা প্ৰস্তাৱ লব লাগে। ১। আজিৰ বিধান সভাই প্ৰস্তাৱ গ্ৰহণ কৰে যে বে-আইনীভাৱে শিক্ষকসকলে যিটো আত্মদাহৰ সিদ্ধান্ত লৈছে সেই সিদ্ধান্তৰ পৰা বিৰত থাকিবলৈ সংশ্লিষ্ট শিক্ষক সকলক অনুৰোধ জনাওক। ২। ১৯৯০ চনলৈকে প্ৰাথমিক বিদ্যালয় সমূহ চৰকাৰীকৰণ কৰক বুলি সদনে পৰামৰ্শ দিয়ক। আমি কৰক বুলি কোৱা নাই। হাউচত পাছ হোৱাৰ পিছত আপোনালোকে পৰ্য্যায়ক্ৰমে কৰক যিখিনি ষ্টাইফেন হৈ আছে সেইখিনি প্ৰাদেশিকীকৰণ কৰক।

★ শ্ৰীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, Guwahati High Court শীৰ্ষক বাৰ্তাৰটো আমাৰ দৃষ্টিগোচৰ হৈছে। ১৯৯১-৯২ চনৰ বিত্তীয় বৰ্ষত অসমত অ-মঞ্জুৰী প্ৰাথমিক বিদ্যালয় ৩ হেজাৰ খন লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল তাৰে ইতিমধ্যে প্ৰায় ১৬ শৰো অধিক প্ৰাথমিক বিদ্যালয় প্ৰাদেশিকীকৰণ কৰা হৈছে আৰু বাকী ১৩ শৰো অধিক বিদ্যালয়ৰ কাম চলি আছে। যিটো সময়ত বাকী থকা বিদ্যালয় সমূহ প্ৰাদেশিকীকৰণ কৰিবলৈ আৰম্ভ কৰা হৈছিল সেই সময়তে প্ৰাদেশিক শিক্ষক সন্থাই গুৱাহাটী হাইকোৰ্টত এটা কেচ ৰুজু কৰিছিল। মাননীয় সদস্যসকলে জানে যে তেখেতসকলে ১২খন স্কুলৰ লিষ্ট দাখিল কৰিছিল। সেইমতে প্ৰাদেশিকীকৰণও কৰা হৈছিল। মাননীয় সদস্য হিতেশ ডেকাই কৈছে যে অ-মঞ্জুৰী শিক্ষক সন্থাৰ কি হব? তেওঁলোকে অভিযোগ আনিছে। বিধায়কসকলে বছৰ ভিত্তিত যিখন লিষ্ট দিছে সেই মতেহে আমি কৰিছো।

(সদনত হুলস্থুল, কাৰো মাত শুনা নাযায়)

Mr. Speaker: Let Hon'ble Minister's reply is finised.

★ শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, সেইমতে হাইকোৰ্টৰ পৰা ২৪-৮-৯৩ তাৰিখে এটা নিৰ্দেশ আহে— আপোনালোকে কি নীতিত কিহৰ ভিত্তিত স্কুলবিলাক প্ৰাদেশিকীকৰণ কৰিছে উক্ত বিষয়টো তিনি মাহৰ ভিতৰত নীতি নিৰ্দ্ধাৰণ কৰি পতা অধিক বিদ্যালয় সমূহ প্ৰাদেশিকীকৰণ কৰিব লাগে। আমাৰ বিভাগৰ ফালৰ পৰা ১৯৭৭ চনত Provinci-

*Speech not corrected.

alised Rule নীতি নিৰ্দ্ধাৰণ কৰা হৈছে। মাননীয় বিধায়কসকলে দিয়া লিষ্টৰ ওপৰত ভিত্তি কৰিয়ে আমি তেনেকৈ দিছিলো। এতিয়া কথা হল তেওঁলোকে কোৰ্টত কেচ কৰিছে আমাক তিনিমাহৰ সময় দিছে। তেখেতসকলে আত্মজাহৰ সিদ্ধান্ত লৈছে। এইটোও আমাৰ দৃষ্টিগোচৰ হৈছে। এতিয়া মাননীয় সদস্যসকলে কৈছে যে অসমত ৬ হেজাৰখন ভেন্সাৰ স্কুল আছে। কিন্তু তথ্য মতে প্ৰায় ১১ হাজাৰৰো অধিক ভেন্সাৰ স্কুল এতিয়াও আছে। যিটো শিক্ষা-নীতি হিচাবে ১৯৮৬ চনৰ পৰা ১ খন গাৱঁত ১ খন স্কুল ধৰিলে ২৯ হেজাৰ খন গাৱঁত ২৯ হেজাৰ খন স্কুল থাকিব লাগিছিল কিন্তু এতিয়া প্ৰায় ৩০ হেজাৰখন স্কুল আছে। সেইমতে প্ৰাদেশিকীকৰণ কৰা হৈছে।

এতিয়া কথা হ'ল—যি তিনি হেজাৰ নতুন স্কুল আছে তাৰে ১৩ শৰো অধিক স্কুল চৰকাৰে লোৱাৰ কাৰণে হাইকোৰ্টৰ পৰা নিৰ্দেশ আহিছে। এই বিলাক চৰকাৰে নিৰ্দ্ধাৰণ কৰা নতুন নীতি মতে প্ৰাদেশিকীকৰণৰ কাম আৰম্ভ কৰা হৈছে। ইয়াৰ পিচত দ্বিতীয় প্ৰতিষ্ঠাপক শিক্ষক নিযুক্তিৰ কথা আহিছে। অধ্যক্ষ মহোদয়, দ্বিতীয় প্ৰতিষ্ঠাপক শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত কৈছিল যে—তিনি হেজাৰ প্ৰাথমিক বিদ্যালয়ৰ ভিতৰত ইতিমধ্যে যি ১৬ শ খন প্ৰাথমিক বিদ্যালয় প্ৰাদেশিকীকৰণ কৰা হৈছে। সেইবিলাকত নিয়োগ কৰা হৈছে আৰু বাকী থকা দ্বিতীয় প্ৰতিষ্ঠাপক সকলক শিক্ষক হিচাবে নিয়োগ কৰা হ'ব। এই ক্ষেত্ৰত তেখেতসকলক কেতিয়া নিয়োগ কৰা হ'ব আৰু কোন সময়ত নিয়োগ কৰা হব শুধিছিল। মই ক'ও যে এই দ্বিতীয় প্ৰতিষ্ঠাপক শিক্ষক সকলক অহা বিত্ত বাৰ্ষিকৰ পৰাই আৰম্ভ কৰা হ'ব। ইয়াত কেইটামান মাননীয় সদস্যই ভাল পৰামৰ্শ আগবঢ়াইছে। মাননীয় সদস্য শ্ৰীভৰত নৰহ ডাঙৰীয়াই কৈছিল যে, প্ৰাথমিক স্কুলসমূহ প্ৰাদেশিকীকৰণ কৰাৰ লগতে ভেন্সাৰ হৈ থকা হাইস্কুল বিলাকো প্ৰাদেশিকীকৰণ কৰিব লাগে। এইটো কথা যদি চিন্তা কৰা যায় তেনেহলে প্ৰত্যেক বছৰেই প্ৰাদেশিকীকৰণ কৰাৰ ব্যৱস্থা কৰিব লাগিব। কিন্তু প্ৰতি বছৰেই নিৰ্দ্ধাৰণ কৰি লোৱাটো সম্ভৱপৰ নহয়। কাৰণ ১৯৮৫-৮৬ আৰু ১৯৮৭ চনৰ পৰাই যদি এইটো নিৰ্দ্ধাৰণ কৰি লোৱা হয়, তেন্তে এনেকুৱা ভেন্সাৰ স্কুল তিনি হেজাৰৰো অধিক হব আৰু বিত্তীয় সংকটৰ সৃষ্টি হ'ব। এই গোটেই বিলাক প্ৰাদেশিকীকৰণ কৰা সম্ভৱপৰ নহয়। কাৰণ স্কুলবিলাক লোৱাৰ লগে লগে শিক্ষক সকলকো লব লাগিব। নহলে শিক্ষক সকলে আত্মজাহ সৃষ্টি

কৰিব। এতিয়াও অমঞ্জুৰী স্কুলবিলাক পৰি আছে আৰু তেনেদৰে অমঞ্জুৰী স্কুলৰ নলমৰি গজালি ওলায়ে থাকিব। স্কুল হয়েই আছে। এইবিলাকৰ কোনো শেষ নাই। ৰাইজে স্কুল প্ৰতিষ্ঠা কৰি থাকে আৰু চৰকাৰী কৰণৰ বাবে চৰকাৰৰ ওচৰত দাবী কৰিয়েই থাকে।

ইয়াৰ পিচত মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মা ডাঙৰীয়াই ষ্টাইপেনডাৰী শিক্ষকৰ কথা উল্লেখ কৰিছে। এই ক্ষেত্ৰত মই কওঁ যে আমাৰ চৰকাৰৰ শিক্ষানীতি হিচাপে এজনীয়া শিক্ষক থকা স্কুলসমূহত দুজনীয়া শিক্ষক লোৱাৰ নীতি গ্ৰহণ কৰিছে আৰু সেই অনুসৰি নিযুক্তি দিয়া হৈছে। যদি কাৰোবাৰ সমষ্টিত বাদ পৰি গৈছে তেন্তে নিৰ্দিষ্ট কৰি আঙুলিয়াই দিলে সেই টাত নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হ'ব। আন এটা কথা মাননীয় সদস্য শ্ৰীশইকীয়া ডাঙৰীয়াই ৯০০ টকা ষ্টাইপেনডাৰী হিচাপে দিয়াৰ কথা কৈছিল। কিন্তু এইটো কৰাৰ আগতে শিক্ষকসকলে প্ৰশিক্ষণ লব লাগিব। প্ৰশিক্ষণ লৈ অহাৰ পিচতহে তেওঁলোকে ৰেগুলাৰ হব পাৰিব। মাননীয় সদস্য শ্ৰীনগেন শৰ্মা ডাঙৰীয়াই আপত্তি কৰিছিল যে ষ্টাইপেনডাৰী শিক্ষকসকলক প্ৰশিক্ষণলৈ পঠোৱাৰ পিচত দ্বিতীয় প্ৰতিষ্ঠাপক শিক্ষক তাত নিযুক্তি নিদিয়ে। কিন্তু এই ডেপুটেচন ভেকেনচিত দ্বিতীয় প্ৰতিষ্ঠাপক শিক্ষকক নিযুক্তি দিয়াৰ ব্যৱস্থা চৰকাৰৰ আছে আৰু মোৰ সমষ্টিত এইটো কৰা হৈছে। এতিয়াও কোনোবাই স্পেচিফিক অভিযোগ আনিলে অনুসন্ধান কৰি তাৰ বিহিত ব্যৱস্থা লোৱা হ'ব

★শ্ৰীপদ্মেশ্বৰ দলে : মোৰ সমষ্টিত এতিয়াও প্ৰতিষ্ঠাপক শিক্ষকজন ট্ৰেইনিং লৈ আছে আৰু সেই ঠাইত দ্বিতীয় প্ৰতিষ্ঠাপক শিক্ষকক নিযুক্তি দিয়া হোৱা নাই।

★শ্ৰীগৌতম বৰা 'ৰাজ্যিক শিক্ষা মন্ত্ৰী' : অধ্যক্ষ মহোদয়, আজি বিতৰ্কত মাননীয় সদস্য শ্ৰীবদন বৰুৱা ডাঙৰীয়াই এটা প্ৰশ্ন অৱতাৰণা কৰিছিল যে মাধ্যমিক বিদ্যালয় সমূহ প্ৰাদেশিকীকৰণ কৰা হৈছে। কিন্তু তাত চকীদাৰ নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা নাই। মই জনাব বিচাৰিছো যে প্ৰথম অৱস্থাত যি ৫০০ খন মাধ্যমিক বিদ্যালয়ৰ প্ৰাদেশিকীকৰণ কৰা হৈছে, সেইবিলাকত চকীদাৰ সম্পূৰ্ণ নিয়োগ কৰা হৈছে। তাৰ পিচত ৫০০ ৰ পৰা ১১৭৫ খন চৰকাৰীকৰণ কৰা হৈছে। তাৰে ৬৭৫ খন প্ৰাদেশিকীকৰণ কৰা মজলীয়া বিদ্যালয়ত চকীদাৰ দিয়া হোৱা

*Speech not corrected.

নাই। অধ্যক্ষ মহোদয়, অহা বিত্ত বাৰ্ষিকতে এই বিলাকতো চকীদাৰ দিয়াৰ কথা চিন্তা কৰা হৈছে। এইবিলাক অনুসন্ধান কৰি অৰ্থৰ ওপৰত নিৰ্ভৰ কৰি পৰ্য্যায়ক্ৰমে লোৱা হ'ব।

★শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, মই কৈছো যে যি কেইজনে আপত্তি কৰিছে তেওঁলোকৰ সংখ্যা এতিয়া ৫ জনৰ পৰা ২০ জন হৈছেগৈ। গতিকে সদনৰ তৎপৰতাত তেওঁলোকক আত্মজাহ কাৰ্যসূচী নলবৰ কাৰণে চৰকাৰৰ ফালৰ পৰা অনুৰোধ কৰক। দ্বিতীয় কথা হ'ল ১৯৯০ চনৰ পৰা যিখিনি প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠা হৈছে, এই সকলোবিলাক পৰ্যায়ক্ৰমে প্ৰাদেশিকীকৰণ কৰা হ'ব বুলি তেওঁলোকক আশ্বাস দিয়ক আৰু এই বিষয়টো পৰ্য্যায়ক্ৰমে লোৱাত চৰকাৰৰ কি বাধা আছে? অধ্যক্ষ মহোদয় আত্মজাহৰ কাৰ্যসূচী লোৱাটো অতি গুৰুত্বপূৰ্ণ কথা। গতিকে চৰকাৰে আমাৰ এই পৰামৰ্শসমূহ গ্ৰহণ কৰিছে নে নাই?

Mr. Speaker : One thing, we all should remember that Speaker should be allowed to function effectively and if you go on violating the Rules all the time then there will be no end to this. To raise a Zero Hour matter there is a procedure to do that—the matter will be raised first and then the Minister will reply that—but there is no scope for a debate on this. We must follow the Rules of the House, otherwise no business can be completed. On the otherhand, if you want to change the Rules, then I can invite you for this. Now, I call upon the Honourable Members—Dr. Kamala Kalita, Shri Binod Gowala, Shri Chandra Mohon Patowary and Shri Ramendra Narayan Kalita to raise their Zero Hour Motion which was published in 'Ajir Asom' dated 6.10.93 under the caption "এইছ. আই. ভি পজিটিভ ৰাড্, গুৱাহাটীত"।

ডাঃ কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালিৰ 'আজিৰ অসম'

★Speech not corrected

বাতৰিত প্ৰকাশিত "এইচ. আই. ভি পজিটিভ ব্লাড্ গুৱাহাটীত" শীৰ্ষক বাতৰিটোৰ প্ৰতি মই মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

অধ্যক্ষ মহোদয়, এই যিটো 'এইড্চ ভাইৰাচ' এই ভাইৰাচৰ পৰাই এইড্চ ৰোগৰ কাৰণ বুলি কয়। আজি পৃথিৱীৰ বিভিন্ন দেশতেই এই ৰোগে সন্ত্ৰাসৰ সৃষ্টি কৰিছে। অসমত তাৰ আগতেই এই 'এইড্চ' ৰোগত এজন ৰোগী ঢুকুৱাৰ কথা আমাৰ বিধান সভাতেই মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰিছিল। এতিয়া কথা হ'ল—এই ৰোগটো চিনাক্ত কৰাৰ ক্ষেত্ৰত আৰু তাৰ নিৰাময়ৰ বিষয়ে যদি চৰকাৰে বিশেষভাবে গুৰুত্ব নিদিয়ে--তেনেহ'লে চিনাক্তকৰণৰপৰা বিৰত থাকি তাৰপৰা হবপৰা যিটো পৰিস্থিতি—সেই পৰিস্থিতি অধিক ভয়ানক হব বুলি মই ভাবো। সেই কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰাৰ লগে লগে—এই বিষয়ৰ কেইটামান কথা স্পষ্টভাবে জনাব বিচাৰিছো। আমাৰ ইয়াত আগতেই এইড্চ ৰোগ চিনাক্ত কৰাৰ কাৰণে আৰু তাৰ প্ৰতিষেধক ব্যৱস্থা লোৱাৰ কাৰণে চৰকাৰে উচ্চ পৰ্য্যায়ত এটা কমিটি গঠন কৰিছিল।

এইড্চ ৰোগ প্ৰতিৰোধ কৰাৰ কাৰণে এখন উচ্চ পৰ্যায়ৰ কমিটি কৰি দিয়া হৈছিল। তাত পুলিচ প্ৰশাসন, মেডিকেল বিভাগৰ আৰু জিলা প্ৰশাসনৰ বিষয়াক লৈ কমিটি গঠন কৰা হৈছিল। সেই কমিটিয়ে এই ক্ষেত্ৰত কি ধৰণৰ ব্যৱস্থা লৈছে আজিলৈকে আমি জানিবপৰা নাই। আশ্চৰ্যজনকভাৱে তেজ পৰীক্ষা নকৰাকৈ এইচ আই ভি পজিটিভ থকা লোকে তেজ দিছে। এনে ৰোগীক চিনাক্তকৰণ কৰাৰ কাৰণে চৰকাৰৰ তৰফৰপৰা বৰ্তমানলৈ কি ব্যৱস্থা লোৱা হৈছে। কিমানজন এইচ আই ভি পজিটিভ লোক অসমত চিনাক্তকৰণ কৰা হৈছে আৰু প্ৰতিৰোধৰ কাৰণে কি ব্যৱস্থা লোৱা হৈছে? যদি কোনো লোকক চিনাক্তকৰণ কৰা হৈছে তেন্তে চিকিৎসাৰ কাৰণে অসমত কি ব্যৱস্থা লোৱা হৈছে। বেমাৰৰ কাৰণ সম্পৰ্কত স্বয়ং বাতৰি কাকত আৰু প্ৰচাৰ মাধ্যমত প্ৰচাৰ কৰা হৈছে। ড্ৰাগচ ব্যৱসায় কৰা লোকসকলে এই ক্ষেত্ৰত বিশেষ উদগনি যোগাই আহিছে বুলি জানো। আমি দেখিছো, চৰকাৰ বা বিভাগে এই ক্ষেত্ৰত যিধৰণে গুৰুত্ব আৰোপ কৰিব লাগিছিল সেই ধৰণে কৰা নাই। মই স্পষ্টভাৱে জানিব বিচাৰিছো এইচ আই ভি পজিটিভ ৰোগীক চিনাক্তকৰণ কৰা হৈছে নে নাই আৰু যদি হৈছে তেন্তে প্ৰতিৰোধৰ কাৰণে

আৰু তাৰ চিকিৎসাৰ কাৰণে কি ব্যৱস্থা লোৱা হৈছে ? এইখিনি দৃষ্টি আকৰ্ষণ কৰি মোৰ চমু ভাষণৰ সামৰণি মাৰিলো।

★শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, আজিৰ অসমত প্ৰকাশিত এইচ আই ভি পজিটিভ শীৰ্ষক বাতৰিটোৰ ওপৰত স্বাস্থ্য মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো। এই ৰোগী অসমত কিমান পাইছে সেই সম্পৰ্কত ডাঃ কলিতা ডাঙৰীয়াই উল্লেখ কৰিছে। এইড্চ ৰোগ আজি গোটেই পৃথিৱীত মাৰাত্মক ব্যাধিৰূপে থিয় দিছে। নিশ্চিত চিকিৎসাৰ ব্যৱস্থা ওলোৱা নাই। অসমত গুৱাহাটী মেডিকেল কলেজত তেজ পৰীক্ষা কৰাৰ কাৰণে অট এনালাইচিচ মেচিন এটা ৮-১০ লাখ টকাত কিনিছে যদিও ই কাৰ্য্যক্ষম হৈ উঠা নাই। গুৱাহাটী, চিলচৰ আৰু ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ৰ পেথ'লজি বিভাগটো আপ-টু-দেট নহয়। শেহতীয়া বিজ্ঞানসম্মত প্ৰক্ৰিয়াত প্ৰশিক্ষণপ্ৰাপ্ত ব্যক্তি চৰকাৰৰ তৰফৰ পৰা কৰা হোৱা নাই। দ্বিতীয় কথা হ'ল — অসমত চেণ্ট্ৰেল পেথ'লজি লেবৰেটৰীৰ ব্যৱস্থা কৰিব পাৰি নে নোৱাৰি। এই বেমাৰটো এটা জটিল বেমাৰ। I would like to know Hon'ble Minister, Health, whether he will manage to establish one Centralised Pathological Laboratory to test these patients. ইয়াৰ বাবে মন্ত্ৰীয়ে কৰপৰা পইচা আনে আনক। পইচা নাই বুলি কলে নহব। অসমত চুপাৰ স্পিচিয়েল ব্লাড দিটেকচন বিষয়টোত তিনিওখন মেডিকেল কলেজত ব্যৱস্থা নাই। ব্লাড দিটেকচনৰ নামত ব্লাড বেংকত এজন ইনচাৰ্জ ৰখা হৈছে। এই ব্লাড দিটেকচন ঠিকমতে কৰা হব নে নহয় ? ডাঃ চৌধুৰী নামৰ এজন ল'ৰাই ব্লাড ডিটেকচন সম্পৰ্কত চণ্ডিগড়ত পাচ কৰি আহিছে। তেওঁ এই বিষয়ত নিয়াৰিকৈ কাম কৰিব পাৰে। কিন্তু সেই ডাক্তৰজনক মেডিকেল কলেজত নিদি নাহৰকটীয়াত ৩০খন বিচনাযুক্ত হস্পিতালত দিয়া হৈছে।

I am interested in this Subject.

এতিয়া চাৰ এই লৰাজনক দিছে নাহৰকটিয়া ৩০ খন বিছনাযুক্ত হস্পিতালত। মই দুঘেৰ আপত্তি কৰিছিলো আৰু এইটো তুখলগা কথা। আপত্তি কৰাৰ পাছত এতিয়া তেওঁক দিছে গুৱাহাটীৰ এখন মোবাইল ভেনত। গাড়ীখনত উঠি তেওঁ ঘুৰি ফুৰিব। আমি দুখ পাইছো অসমত এজন এনেকুৱা যুৱক ওলাইছে—ইয়াৰ আগতে তেওঁক চণ্ডিগড় পিজি হস্পিতালত এচিষ্টেণ্ট প্ৰফেছৰ দিছিল তাত তেওঁ জইন নকৰিলে ভাবিছিল তেওঁ অসমলৈ আহি অসমক

★Speech not corrected

কিছু চাৰ্ভিচ দিব কাৰণ এইডচ্ ৰোগৰ লগত তেওঁৰ বিষয়টোৰ সম্পৰ্ক আছে। কাৰণ ব্লাড ট্ৰেনচমিচনটো এইডচ্ ৰোগৰ এটা অংগ। কিন্তু তেওঁক সেই কামত নথটাই প্ৰথমে নাহৰকটিয়াত দিলে আৰু আপত্তি কৰাত এতিয়া মোবাইল ভেনত দিছে। অসমীয়া লৰা এটা ওলাইছিল যাক চণ্ডিগড়ত সহকাৰী অধ্যাপক দিছিল কিন্তু অসমলৈ আহি সেই ল'ৰাজনৰ অৱস্থা এইটো হ'ল। অসমত তেওঁক সহকাৰী অধ্যাপক দিব নোৱাৰে অন্ততঃ এটা ৰেজিষ্টাৰ্ড পোষ্ট দি ৰাখিব পাৰিলেহেতেন। তেওঁ অন্ততঃ অসমত থাকি ব্লাড্ ট্ৰেনচমিচনৰ কাম কৰিব পাৰিলেহেঁতেন। অসম চৰকাৰে তেওঁৰ মূল্য নুবুজিলে, ল'ৰাজন মোৰ একো নহয় কিন্তু দেশৰ স্বাৰ্থত কৈছো। এতিয়া ল'ৰাজন বোধকৰো আকৌ চণ্ডিগড়লৈ ঘূৰি গৈছে—মোৰ তালৈ আহিছিল দাদা যাওঁ বেয়া নাপাব বুলি কৈ গৈছে। এতিয়া আমাৰ কথা হ'ল অসমৰ যিটো পেথোলজী বিভাগ তাক আধুনিকীকৰণ কৰিব পাৰিব নে নাই? য'ত নতুন যন্ত্ৰপাতি থাকিব। গুৱাহাটী মেডিকেল কলেজৰ যিবিলাক ক্লিনিকেল মেচিনাৰী সেইবিলাক ব্ল'ড ট্ৰেনচমিচনৰ কাৰণে সুবিধাজনক নহয়। গতিকে ইয়াৰ কাৰণে কিছু চফিষ্টিকেড যন্ত্ৰপাতি যোগান ধৰা হব নে নহয় তাৰ নিৰ্দিষ্ট উত্তৰ লাগে। এইডচ্ ৰোগৰ তেজ পৰীক্ষা কৰিবৰ কাৰণে আমি এতিয়া পুনালৈ যাবলগীয়া হৈছে। ইয়াৰ সুবিধা অসমত কৰিব পাৰিব নে নাই? ব্লাড চিৰিঞ্জ টেষ্টিঙৰ কাৰণে অসমত অত্যাধুনীক সা-সুবিধা নাই তাৰ ব্যৱস্থা হব নে নাই এই তিনিটা প্ৰশ্নৰ স্পষ্ট জবাব মন্ত্ৰী মহোদয়ে দিব লাগে। ইয়াৰ উত্তৰ মন্ত্ৰী মহোদয়ে টকা নাই বুলি কলে নহব তেখেতে টকা ক'ৰ পৰা আনে আনক তেখেতে নিজে ডাক্তৰো আমাক স্পষ্ট জবাব দিয়ক। তেখেতে কৈ দিয়ক যে আমি পুনাত যাবলগীয়া নহব সেইবুলি ডিব্ৰুগড়ত যিটো ৰিয়া চেণ্টাৰ আছে সেইটোৱে যথেষ্ঠ বুলি কলে আমি মানি লব নোৱাৰো। তেখেতে সেইটোৰ কথা উল্লেখ নকৰে যেন। অধ্যক্ষ মহোদয়, ওপৰত উল্লেখ কৰা তিনিটা প্ৰশ্নৰ মই মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্ট জবাব বিচাৰিছো।

Mr. Speaker : Minister will reply later on but in the meantime. I have received 'Zero' hour notices from Shri Badon Baruah and Mr. R. N. Kalita.

শ্ৰীবদন বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি চেণ্টিনেল কাকতত

যিটো বাতৰি প্ৰকাশ পাইছে তাৰ পৰা অসমৰ জনস্বাস্থ্য বিপন্ন হব বুলি ভয় হৈছে। এইডচ্ আই ভি ৰোগৰ পজিটিভ ব্লাড পোৱা বুলি যিটো কথা কৈছে মই অৱশ্যে ডাক্তৰ নহয় কিন্তু বিভিন্ন ধৰণৰ যিবিলাক জাৰ্নেল পঢ়িছো এই বেমাৰে সকলোকে গ্ৰাস কৰিব পাৰে। এই বেমাৰ সম্পৰ্কে ৰিচেণ্টলী টাইমচ্ অৱ ইণ্ডিয়াত পঢ়িছো। উত্তৰ পূৰ্বাঞ্চললৈ ই বিয়পিছে। মণিপুৰত পজিটিভ ব্লাড পোৱা বুলি কৈছে। এই বেমাৰে সকলোতে বিক্ৰীয়া কৰিব। অলপতে কলেৰা সদৃশ বেমাৰ হৈ দামপুৰত ৪জন মানুহ ঢুকাইছে। এই বেমাৰত Strain 0137 আক্ৰান্ত হলে হেনো বাচিবৰ উপায় নাই। এইটো ডাঙৰ বেমাৰ আমাৰ দেশত এতিয়া মেলেৰিয়াত মানুহ মৰিব বুলি আশংকা কৰা হৈছে। কাৰণ মেলেৰিয়াত খাবলৈ বৰ্ত্তমান হেনো কুইনাইন নাই। এতিয়া নতুন নতুন বেমাৰৰ যিবিলাক বীজাণু তাক প্ৰতিষেধক কৰিব পৰা ঔষধ নাই। এইডচ্ বেমাৰৰ যি ভয়াবহতা তাক আমাৰ ৰাইজে এতিয়াও বুজা নাই। এই বিষয়ে ৰাইজক সজাগ কৰি নিদিলে, প্ৰতিকাৰৰ ব্যৱস্থা নকৰিলে ক'ৰ পৰা বেমাৰটো আহিব পাৰে কেনেকৈ সোমাব পাৰে তাক নুবুজালে এটা সাংঘাটিক অৱস্থা হব। এই প্ৰসঙ্গতে মই এটা কথা কব বিচাৰিছো আমাৰ স্বাস্থ্য মন্ত্ৰায়ে বোধকৰো নাজানে আমাৰ গুৱাহাটীত যিবিলাক প্ৰাইভেট নাৰ্চিং হোম তাৰ প্ৰায় বিলাকতে সা-সুবিধা নাই। টকা ঘটাৰ নামত যধে মধে এই নাৰ্চিং হোমবিলাক গঢ়ি উঠিছে। এই ৰিপোৰ্টত এই নাৰ্চিং হোমতে এই কাম হোৱা বুলি কৈছে। এই নাৰ্চিং হোম বিলাকত কোনো পৰীক্ষাগাৰ নাই। কিহৰ ভিত্তিত এই নাৰ্চিং হোম বিলাক গঢ়ি উঠিছে তাক নাজানো তাক ৰোধ কৰিব পৰা চৰকাৰৰ কোনো নীতিনিয়ম নাই নেকি? এখন ফাৰ্মাচী খুলিবলৈ হলেও লাইচেঞ্চ লাগে কিন্তু হোটেল বা ভাড়া ঘৰ এটাত ৰাতিৰ ভিতৰতে একোটা নাৰ্চিং হোম প্ৰতিষ্ঠা হয় তাৰ কোনো কণ্ট্ৰোলেই নাই। এওঁলোকৰ উদ্দেশ্য হৈছে যেনেতেনে পইচা সৰ লাগে। এই গুৱাহাটীৰ মজিয়াতে এটা নাৰ্চিং হোমত এগৰাকী বেংকত কাম কৰা মহিলাৰ প্ৰসৱৰ সময়ত এজন জুনিয়ৰ ডাক্তৰে তিনিবাৰ অষ্ট্ৰোপ্ৰচাৰ কৰিছে যাৰ কাৰণে মহিলা গৰাকী মৃত্যুমুখত পৰিছে। কাৰ কি বেমাৰ হৈছে ডাক্তৰ সকলে নিজেই নাজানে অন্ততঃ পৰিয়ালৰ লোকক কি বেমাৰ হৈছে জনাব লাগে।

মাননীয় অধ্যক্ষ : আপুনি ডিমাপুৰ ওপৰত বক্তৃতা দিওতে এইবিলাক কথা কব পাৰিব।

শ্ৰীবদন বৰুৱা : মই চমু কৰিছো। ৰোগীজন ভৰ্ত্তি কৰাৰ পাছত তেওঁৰ কি বেমাৰ হৈছে, কি দৰব দিয়া হৈছে পৰিয়ালৰ লোকক জনাব লাগে। আমাৰ যি গৰাকী স্বাস্থ্য মন্ত্ৰী তেওঁ হৰিৰো ভকত ৰামৰো ভকত। আচলতে এজনৰ ভকত হব লাগে তেতিয়াহে তেওঁ এইবিলাক কাম কৰিব পাৰিব।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, আজি যিটো বিষয় ইয়াত উত্থাপন কৰা হৈছে, এই বিষয়টো সঁচাকৈয়ে বৰ গুৰুত্বপূৰ্ণ বিষয়। আজি অসমতে নহয়, গোটেই পৃথিৱীতে AIDS বেমাৰ এটা সাংঘাটিক মাৰাত্মক ব্যাধি হিচাপে প্ৰতিপন্ন হৈছে। এই বেমাৰ হলে ইয়াক সুস্থ কৰা ঔষধ আজিলৈকে ওলোৱা নাই। মই জনাত ইতিমধ্যে ভাৰতৰ বিভিন্ন ৰাজ্যত এই বেমাৰে দেখা দিছে। অসমৰ বাহিৰে উত্তৰ-পূৰ্বাঞ্চলৰ যিবিলাক ৰাজ্যত এই বেমাৰ হৈছে সেই ৰাজ্যবিলাকত এই বেমাৰ সাংঘাটিক ধৰণে বৃদ্ধি পাইছে। আনহাতে উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যত যিবিলাকে এই এইডচ ৰোগত ভোগে, সেই ৰোগীবিলাক চিকিৎসাৰ বাবে আন ঠাইৰ পৰা গুৱাহাটীলৈ আহে আৰু বিভিন্ন নাৰ্চিং হোমত চিকিৎসাৰ বাবে ভৰ্তি হয়। কথা হৈছে যে, গুৱাহাটীত যিবিলাক নাৰ্চিং হোম আছে এই নাৰ্চিং হোমবিলাকত এইডচ্ ৰোগী ৰখাৰ ক্ষেত্ৰত যিখিনি সুবিধা থাকিব লাগে সেইখিনি সুবিধা প্ৰকৃততে এই নাৰ্চিং হোমবিলাকত আছেনে নাই এই কথাটো মন্ত্ৰী মহোদয়ে চাইছেনে ? কাৰণ দেখা যায় যে, যিবিলাক এইডচ্ ৰোগী গুৱাহাটীৰ নাৰ্চিং হোমত ভৰ্তি হৈ কিছুদিন থকাৰ পিছত ওলাই যায় আৰু গোটেই গুৱাহাটীতে ঘূৰি ফুৰে আৰু এনেদৰে কিছুদিন থকাৰ পিছত নিজৰ ঘৰলৈ যায়। সেই ৰোগীজনে নাৰ্চিং হোমৰপৰা ওলাই গৈ ক'ত থাকে এই সম্পৰ্কে বিভাগীয় কৰ্তৃপক্ষই চকু দিব লাগে। এই ক্ষেত্ৰত সতৰ্ক দৃষ্টি নাৰাখিলে অসমত এই বেমাৰ সাংঘাটিক ধৰণে বৃদ্ধি পাব বুলি আশংকা কৰিছো। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে অলপ চকু ৰাখিবলৈ অনুৰোধ কৰিলো। চাৰ, গুৱাহাটীত যিবিলাক প্ৰফেচনেল ব্লাড বেমাৰ অ'ছে সেইবিলাকে বিভিন্ন সময়ত বিভিন্ন ৰোগীক ৰক্ত দান কৰিছে। ৰক্ত দান কৰাজনৰ এইবেমাৰ থাকিলে যাৰ বাবে ৰক্ত দান কৰে তেওঁৰো এই

বেমাৰ হয় বুলি মই জানো । ৰক্ত দানৰ ফলত এই বেমাৰ সাংঘাটিক ধৰণে বৃদ্ধি পাব। গতিকে এই ক্ষেত্ৰত এইচ আই ভি পজিটিভ চিনাক্তকৰণৰ ক্ষেত্ৰত কি ব্যৱস্থা চৰকাৰে লৈছে জনাবনে ? এই বেমাৰ চিনাক্তকৰণৰ ক্ষেত্ৰত আধুনিক ও বিজ্ঞানসন্মত ব্যৱস্থা আছে কিন্তু ইন্সট্ৰুমেণ্ট নোহোৱাৰ বাবে কিছু অসুবিধা হৈছে । এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ক দৃষ্টি দিবলৈ মই অনুৰোধ জনালো । গুৱাহাটীত যিবিলাক লেবৰেটৰি আছে সেইবিলাকত ব্লাড দ'নাৰৰ ৰক্তত এইচ আই ভি পজিটিভ আছেনে নাই তাক চিনাক্তকৰণ কৰিব লাগে আৰু সেই ক্ষেত্ৰত ষ্টাৰ্ন একচন লোৱাৰ ব্যৱস্থা লব লাগে। এইবিষয়ে দৃষ্টি দিয়াৰ বাবে মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনালো। এইখিনিকে কৈ মোৰ বক্তব্য সামৰিলো।

Mr. Speaker : Minister, Health to reply.

ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এইচ আই ভি পজিটিভ ব্লাড দ'নাৰৰ সন্দৰ্ভত মাননীয় সদস্যসকলে এই বিধান সভাত যিখিনি কথা উত্থাপিত কৰিছে তাৰ কাৰণে তেখেতসকলক মই ধন্যবাদ দিছো। কাৰণ এইবিলাক অতি প্ৰয়োজনীয় কথা । এই সন্দৰ্ভত মই কেইটামান কথা কব বিচাৰিছো। এই ৰোগ উত্তৰ পূৰ্বাঞ্চলৰ মণিপুৰ আদি ৰাজ্যত আছে। অসমত এতিয়ালৈকে বিয়পিব পৰা নাই । কিন্তু এটা শংকা আমি দেখিছো এই কাৰণেই যে, মণিপুৰ, নগালেণ্ড আদিৰ মানুহবিলাক যিবিলাকে এই ৰোগত ভূগিছে সেইবিলাক ৰোগী চিকিৎসাৰ বাবে গুৱাহাটীলৈ আহে । মাননীয় সদস্যসকলে ইতিমধ্যে কৈছে যে, এই ৰোগীবিলাক গুৱাহাটীৰ নাৰ্চিং হোম বিলাকলৈ চিকিৎসাৰ বাবে আহে । তাৰোপৰি ট্ৰাক ড্ৰাইভাৰবিলাকৰ পৰাও এই বেমাৰ বিয়পিব পাৰে । কাৰণ গোটেই ভাৰতৰ ট্ৰাকবিলাক মণিপুৰলৈ যায়, তাৰ পিচত তাৰপৰা উভটি আহে । তেনেক্ষেত্ৰত তেওঁলোকৰপৰা এই বেমাৰ বিয়পিব পাৰে। এই ভয়তো আমাৰ হৈ আছে। আমাৰ চৰকাৰৰ ফালৰপৰা এই ক্ষেত্ৰত যথেষ্ট সতৰ্কতা অৱলম্বন কৰিছো আৰু ভাৰত চৰকাৰৰ পৰা এই ক্ষেত্ৰত আমি সহাৰিও পাইছো । এই কথাটো আমাৰ মাননীয় সদস্য ডাঃ কমলা কলিতা ডাঙৰীয়াই কৈছে যে, কিমানজনক এতিয়ালৈকে চিনাক্তকৰণ কৰা হৈছে, কি চিকিৎসা কৰা হৈছে ইত্যাদি । সেই সন্দৰ্ভত মই মাননীয় সদস্য গৰাকীক আৰু অধ্যক্ষ মহোদয়ৰ জৰিয়তে সদনক জনাব বিচাৰিছো যে, ১৯৯১ চনত এজন এইডচ্ ৰোগীয়ে ইয়ালৈ চিকিৎসা কৰিবলৈ

আহিছিল, গুৱাহাটী মেডিকেল কলেজ হস্পিতালত। তাতেই তেওঁৰ এই বেমাৰ হোৱা বুলি ধৰা পৰিল। ব্লাড টেষ্ট আৰু চিকিৎসা কৰিছিল যদিও পিচত ৰোগীজনৰ মৃত্যু হ'ল। ইয়াৰ পিচত ডিব্ৰুগড় মেডিকেল কলেজ হস্পিতালত ৭ টা এনেকুৱা কেচ ধৰা পৰিল। ৪ টা কেচ দিফেন্সৰ মানুহ আছিল আৰু বেমাৰ ধৰা পৰাৰ লগে লগে দিফেন্সে তেওঁলোকক লৈ গ'ল। তাৰ পিছত এনে কেচ পোৱা নাই। বাকী ৩ জন ৰোগীৰ ভিতৰত ২ জন এপল' হস্পিতাললৈ গ'ল, তেওঁলোকৰ আন ধৰণৰ ব্লাডৰ বেমাৰো আছিল। বাকী থকাজন শিৱসাগৰৰ মানুহ। তেওঁ ডিব্ৰুগড় মেডিকেল কলেজ হস্পিতালত মৃত্যু হ'ল। এতিয়া তেনে কেচ পোৱা নাই। এইচ আই ভি সম্পৰ্কত এতিয়া বাতৰি কাকতত যি পাইছো তাৰ অনুসন্ধান কৰি প্ৰতিবেদন দিবলৈ বিভাগক কোৱা হৈছে। এই সম্পৰ্কত AIDS চিকিৎসাৰ ব্যৱস্থাও মেডিকেল কলেজবিলাকত এটা বেলেগ গোটত কৰা হৈছে। ত'তো এই চিকিৎসা চলিব। মূল কথা হ'ল যে, ব্লাড দ'নাৰৰপৰা ব্লাড লওতে ব্লাড টেষ্ট কৰিব লাগে। এইখিনি কৰ'ৰ বাবে যিমানখিনি সুবিধা থাকিব লাগে, সিমানখিনি ব্যৱস্থা নথকাটো সঁচা কথা। যিবিলাক ব্লাড দ'নাৰৰ ব্লাড টেষ্ট কৰা নহয় সেইবিলাকৰপৰা এই বেমাৰ ইয়াত হোৱাৰো আশংকা আছে। গতিকে ব্লাড টেষ্ট কৰিব লগিব। ব্লাড টেষ্ট লেবৰেটৰি আমাৰ মেডিকেল কলেজবিলাকত আছে আৰু অধিক কৰিবলৈ বিচাৰিছো। ইতিমধ্যে অসমৰ মেডিকেল কলেজ হস্পিতালবিলাক প্ৰায় শক্তিশালী হৈ উঠিছে। আৰু বাকী বিলাকতো কৰিবলৈ লৈছো। গুৱাহাটীৰ এম. এম. চি হস্পিতালতো কৰা হব। তাৰোপৰি যিবিলাক ডিষ্ট্ৰিক্ট হস্পিতাল আছে আৰু চাব-ডিভিজনত হস্পিতাল আছে সেইবিলাকতো আমি এই ব্যৱস্থা কৰিম।

অধ্যক্ষ মহোদয়, আলোচনা কালত এটা ভাল কথা উল্লেখিত হৈছে—আমাৰ ইয়াত এটা ভাল টেষ্টিং লেবৰেটৰী হব লাগে—সেইটো হবনে নহয়, এই ক্ষেত্ৰত মই জনাব খোজো যে এইটো অচিৰেই আমাৰ ইয়াত হব। আমাৰ পেথোলজি টেষ্টিংৰ কাৰণে অত্যাধুনিক ইকুইপমেণ্ট লাগে—ইয়াৰ ব্যৱস্থাও কৰিব লাগিব। আমাৰ ৰাজ্যখনত যিসকল ডাক্তৰ আছে সেই সকলক নিজৰ কোৱালিফিকেচন অনুযায়ী উপযুক্ত ঠাইত পোষ্টিং দিয়াৰ ব্যৱস্থা কৰা হব। এতিয়া আমাৰ কিছুমান ষ্টেট ডিচপেনচেৰিত এম, ডি, (পেথোলজি)

চাৰ্জাৰি আদিৰ ডাক্তৰ আছে আমি এই সকলক চিভিল হস্পিটেল বা অন্য হস্পিটেললৈ স্থানান্তৰ কৰাৰ ব্যৱস্থা কৰিছো যাতে তেওঁলোকে নিজৰ বিদ্যাৰ সুষ্ঠু খটুৱাব পাৰে। আনহাতে এনে কিছুমান হস্পিটেল আছে য'ত মেডিচিন চাৰ্জাৰীৰ ডাক্তৰ লাগে ২-৩ জন কিন্তু আছে ৪-৫ জনকৈ আনহাতে ক'ৰবাত প্ৰয়োজন আছে কিন্তু তাত এনে ডাক্তৰ এজনো নাই। আমি এইবোৰ চাই-মেলি সঠিক ঠাইত পোষ্টিং দিয়াৰ ব্যৱস্থা কৰিছো। পোষ্ট গ্ৰেজুৱেট ডিগ্ৰী থকা সকলক চিভিলত দিয়াৰ ব্যৱস্থা কৰা হব। ৰাজ্যিক চিকিৎসালয়বোৰত এম বি, বি, এচক দিয়া হব। পেথোলজিষ্ট সকলক ব্লাড বেংক থকা বা লেবৰেটৰীৰ সুবিধা থকা ঠাইত দিয়া হব। যোৱা বিধান সভাত মুখ্যমন্ত্ৰীয়ে কৈছিল যে আমাৰ যিসকল স্পেচিয়েলিষ্ট ডাক্তৰ বিদেশত বা অসমৰ বাহিৰত আছে, তেখেত সকলৰ যিসকল আমাৰ ইয়ালৈ অহাৰ আগ্ৰহী তেওঁ-লোকক অনাৰ বাবে আমাৰ চৰকাৰে চেষ্টা কৰিব। যি সকল আহিব খোজে তেখেত সকলক আমি সাদৰেৰে উপযুক্ত ঠাইত নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিম। উন্নত লেবৰেটৰীত জ্ঞান আহৰণ কৰিবলৈ আমাৰ পেথোলজিষ্ট সকলক বাহিৰলৈ প্ৰশিক্ষণত পঠোৱাৰ ব্যৱস্থাও কৰা হব। শ্ৰীবদন বৰুৱা ডাঙৰীয়াই যিটো মেলেৰিয়া হোৱাৰ কথা উল্লেখ কৰিছে সেইটো সঁচা কথা। মেলেৰিয়া হৈছে, দুই এজন মানুহো মৰিছে কিন্তু এইটো আমাৰ বিভাগৰ অবহেলাৰ বাবে হোৱা নাই। আমাৰ বিভাগৰ পৰা সেইবোৰ অঞ্চলত স্প্ৰে কৰা হৈছে। কুইনাইনো দিয়া হৈছে, চেলাইনো দিয়া হৈছে, ডাক্তৰ প্ৰয়োজন মতে গৈছে। কিন্তু বৰ্তমান ৰাজ্যখনত মেলেৰিয়াৰ ঔষধ কুইনাইনৰ নাটনি হৈছে। আমাৰ বিভাগে আৰু মই নিজেও কেন্দ্ৰীয় স্বাস্থ্য উপ-মন্ত্ৰীৰ লগত এই বিষয়ে আলোচনা কৰিছো—তেখেতে কিছু ঔষধ যোগান ধৰিছে। কেন্দ্ৰীয় চৰকাৰৰ স্বাস্থ্য সচিবৰ লগতো এই বিষয়ে মই আলোচনা কৰিছো। ভাৰত চৰকাৰৰ উত্তৰ পূৰ্বাঞ্চলত থকা মেলেৰিয়া বিষয়াজনৰ লগতো আলোচনা কৰা হৈছে। তেখেতেও আমাক যি পৰিমাণৰ ঔষধ লাগে সেই পৰিমাণে দিব পৰা নাই। আমাৰ ইয়াত কুইনাইন ঔষধৰ নাটনি এতিয়াও চলি আছে। অহা ১২ তাৰিখে কেন্দ্ৰীয় স্বাস্থ্য উপ-মন্ত্ৰী শ্ৰীঘাটোৱাৰ ডাঙৰীয়া ইয়ালৈ আহিব মই তেখেতৰ লগতো এই বিষয়ে আলোচনা কৰিম। কলেৰা সম্পৰ্কে আমাৰ বিভাগৰ পৰা সতৰ্কতা মূলক ব্যৱস্থা লোৱা হৈছে। আমাৰ বিভাগে পি, এইচ, ই বিভাগৰ লগতো উপযুক্ত খোৱাপানী দিয়াৰ কাৰণে যোগাযোগ

কৰিছে আৰু পি, এইচ, ই বিভাগে কোনো কোনো অঞ্চলত টিউব ওৱেল আদি দিছে। আমাৰ বিভাগৰ পৰা আক্ৰান্ত লোকৰ বাবে চেলাইন আদিও দিয়া হৈছে। শ্ৰীবদন বৰুৱা ডাঙৰীয়াই যি অঞ্চলত কলেৰা হোৱাৰ কথা কৈছে সেই অঞ্চললৈ জিলা বিষয়া গৈছে, মেডিকেল কলেজৰ পৰাও ডাক্তৰৰ টিম গৈছে লগতে আমাৰ বিভাগীয় ডাক্তৰো আছেই। শ্ৰীবৰুৱা ডাঙৰীয়াই এটা ভাল কথা কৈছে যে এই নাৰ্চিং হোমবোৰৰ কথা।

মাননীয় অধ্যক্ষ : আপুনি চমু কৰিলে ভাল হয়।

ডাঃ ভূমিধৰ বৰ্মণ (স্বাস্থ্য মন্ত্ৰী) : অধ্যক্ষ মহোদয় আৰু ২ মিনিট সময় লম। এই নাৰ্চিং হোম সম্পৰ্কত আমাৰ বিভাগে এখন বিল তৈয়াৰ কৰিছে আৰু এই অধিবেশনত উত্থাপন কৰা হব বুলি মই আশা ৰাখিছো। এই বিলখন পাছ হলেই নাৰ্চিং হোমবোৰৰ ওপৰত কিছু কণ্ট্ৰোল আনিব পৰা যাব বুলি আশা কৰিছো। মাননীয় সদস্য শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই কেইবাটাও বিষয়ৰ ওপৰত আলোচনা কৰিছে সেই সম্পৰ্কত ব্যৱস্থা লোৱা হব। মুখ্য সচিবক সভাপতি হিচাবে লৈ এখন হাইপাৱাৰ কমিটি গঠন কৰা হৈছে। এই কমিটিয়ে প্ৰয়োজনীয় ব্যৱস্থা লব।

শ্ৰীআব্দুল জলিল ৰাগিবী : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় স্বাস্থ্যমন্ত্ৰী মহোদয়ৰ পৰা এটা অতি গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত স্পষ্টীকৰণ বিচাৰিছো। কৰ্কট ৰোগ, এইডচ, এনকেফেলাইটিচ আদি দুৰাৰোগ ইয়াৰ কোনো চিকিৎসা নাই। মন্ত্ৰী মহোদয়ে এইডচ ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত আশ্বাস দিছে—মই ভাল পাইছো। তেজৰ আদান-প্ৰদানৰ যোগেদি এইডচৰ বীজাণু সোমায় বা বিয়পে তাৰ ওপৰত চৰকাৰে ব্যৱস্থা লব পাৰিব যাতে তেজ পৰীক্ষাৰ দ্বাৰা, ইয়াক বন্ধ কৰিব পাৰিব। কিন্তু চেক্সৰ আদান-প্ৰদানৰ দ্বাৰা যদি এনে সোমাৰ বিয়পে তাৰ ওপৰত কি ব্যৱস্থা লব ?

## Adjouroment Motion

মাননীয় অধ্যক্ষ : আপুনি গ্ৰাণ্টৰ আলোচনা কৰোতে এইবোৰ কব।

I have recived an adjournment Motion notice from Shri Dewan Jainal Abedin and Shri Nazmul Haque. Now I call upon Shri Abedin to speak on admissibility of the Motion.

★ Shri Dewan Joynal Abedin : Mr. Speaker Sir, I would like to move an adjournment motion on a topic which is the most burning issue before the State today. First of all I would like to read out the motion then I will speak in favour of the motion and also on its admissibility. "All businese of the House do now stand adjourned to discuss the important matter for publication of Draft Electoral Roll on 5th October last 1993, from which names of thousands of genuine Indian citizens have been deleted".

Now, Sir, we are all aware that on the last 5th of this month a Draft Electoral Rolls has been published all throughout the State and it has already been alleged, it has already been reported that the names of lakhs of genuine Indian Voters have been deliberately and arbitrarily deleted from Draft Electoral Rolls. Sir nobody wants that even a single voters name are there in the electoral rolls. We want a correct Draft Electoral Rolls free from names of foreigners but at the same time we must ensure that the names of even a single Indian Voters is not deleted from Voters' list. Sir, this is not a question of deletion of 1%, 2% but it is the question of thousand of genuine Indian citizens. Sir, as many as 30 Lakhs Indian Voters names have been deleted from the Voters list. The State Government or even the Election Commission nobody has the right to take off the names of single voters from the electoral list. Sir, when a man is sought to be declared as foreigners he will have to be tried in the Court of Law according to the Peoples Representation Act, Foreigners' Act,

---

*Speech not corrected.

IMDT Act and all these relevant Acts as per Constitution of India. Only after that if a competent authority like Election Commission has got the right to delete the name of a person from the voters list otherwise not Sir. But here Sir, all the norms have been violated and the names of Lakhs of genuine voters are deleted arbitrarily. The matter is very sad Sir. The Hon'ble Chief Minister had said that in Assam in the year 1 87 about 30 Lakhs of foreigners entered and subsequently in North Eastern Congress ( I ) Coordination Committee Meeting.

(Interruption)

Mr. Speaker : Please speak about the admissibility.

*Shri Dewan Joynal Abedin : When the Chief Minister himself admitted that there are 30 lakhs foreigners subsequently AASU also spoke to Election Commission and convened a meeting. Well Sir, have there been such a large number of foreigners I would not have objected. This is a very exaggerated figures. Our AGP breatherns came into power on this single issue. Sir, if they are foreigners they should be tried and only then their names be deleted. Even Chief Minister has admitted that about 15 lakhs people's names have been deleted from the Draft Electoral Rolls. Here I give example : Sorbogh deletion is 4 0C0, in Hojai it is 42000 and in Jonai it is 420 0. In my own constituency it is about 30000. In Dhubri it is nearly 4-000 and in Joleswar it is 48000. There may be slight variation. Now Sir, the question is that the State or Election Commission has no right to deprive even a single citizens from exercising his franchise. It is not an

---

*Speech not corrected

easy matter Sir. No civilized country does like this, one should not be deprived of his citizenship right in such a way. This is the legal question, Sir.

Mr. Speaker Sir, there is another question in this particular issue. As I have spoken in several occasions Assam is a miniature India. Here people of various languages, various ethnic groups, various religious groups live in this State. Now, we are passing through a very critical time. Now, Sir, we have seen Assam is already volcanized into several States and Autonomous Districts and Councils. You know Sir, how Assam is degenarated. History will blame us. In near future there will be no place to call 'Assam' if the present Government follow the same trend. In this manner Sir, we should not give chance to any one like this.

The Election Commission is going to create a section of people where they are going to divide them as voters and non-voters, citizens and non-citizens of the State. Look to the situation of the world over, you will find there are people of other nationalities and origin living in their own countries and conferring the citizenghips by the respective Governments. Now, if we deprive a considerable number of population on the basis of language and religion and communities, there will be no end to problems. Don't we see to the history of the nationalities of the wbrld ? We should learn lessons from it. We do not want that there should vulnerable areas of the country. We do not want that Assam should be further Belkanised. We know that what partition has brought havocs to the country.

The people of Sylhat though they cannot come to Assam; but the people of Sylhat and Benglalesh has already come here. We have got the people. So, we should learn from history. People should not be divided on the basis of language and religion. These who have come here and settled from Sylhat, they are poorest of the poor. They have accepted Assamese as their language and culture. We should not do anything which can geopardise the process of the formation of the Assamese nationality. We should not do anything which can help in further Balkanistion of Assam. We should be very national. Nothing should be done which can harm the spirit of brotherliness among the people of NE States and Assam. So, I would speak on the admissibility of the Motion under the Rules of Procedure and Conduct of Business of this House, because a very urgent matter of recent occurance has taken place on which a resolution can be taken up and on a matter where there is no much adjudication. That is why the High Court has witheld the publication of the reports on 28th September 1993. It is an infringement on the Court of Law. The matter which is purely of the Election Commission should not be imposed of the State. Here, the Commission has clearly tresspassed in the affairs of the State. The delating of the voters, in an area where the rights of the citizens of the state have been infringed is a matter of primary concern of the State. It is a fit matter on which the Motion is to be admitted I would request all the Hon'ble Members of the House, irrespective of their party affiliations to join hands in allowing the Motion for admission. With these observations I would like to conclude, Sir.

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই মাননীয় সদস্য শ্ৰীজয়নাল আবেদিনৰ বক্তব্যৰ ওপৰত কব বিচাৰিছো যে মই বৰ্তমান অসমত ১৯৮৭ চনৰ পৰা ৩০ লাখ বিদেশী থকাৰ কথা কৈছিলো। বিৰোধী দলৰ দলপতি শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰত মই কৈছিলো. এই কথাটো সচাঁ। 'চাবচিকোৰেন্টলি' সদনত কৈছিলো । কিন্তু ১৯৭১ চনৰ পিচত অসমত কোনো 'চেনচাচ' কৰা নাছিল। এটা 'ফিগাৰ' চৰকাৰক দাখিল কৰিছে সেইটো নেশ্যনেল ৰেজিষ্টাৰত উল্লেখ আছে সেই ভিত্তিতহে মই কৈছিলো. সেই ৰিপৰ্টটো শুদ্ধ হৈছে. সেইমতে দেখুৱাইছে। ১৯৯১ চনত অসমৰ জনসংখ্যা ২ কোটি ২২ লাখ হব লাগে। সেই কথাটো মই 'চাৱচিকোৰেন্টলি'হে কৈছিলো। কিন্তু দুৰ্ভাগ্যজনক ভাবে কিছুমান ৰাজনৈতিক দলে বৰ্তমান সময়ত কিছুলোকক আকৃষ্ট কৰিবলৈ ৩০ লাখ বুলি কৈছে, সেই কাৰণে খেলিমেলি হৈছে । পিচত সদনত কৈছো — কিছু মানুহে সদস্যক বিশ্বাস কৰে কিন্তু ৰাজনীতি কৰা মানুহে বিশ্বাস নকৰে ।

Mr. Speaker : I would request the Hon'ble Minister for Parliamentary Affairs to speak.

Shri Golok Ch. Rajbanshi (Minister for Parliamentary Affairs ): Sir, According to Rule 62 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, if leave is granted to it, the Hon'ble Speaker shall request those members in the House to speak, if there is no objection, I have nothing to say.

Mr. Speaker : I have heard Mr. Jainal Abedin and the Minister for Parliamentary Affairs who passed their observation on the admissibility of the Motion. On this, I have reserved my ruling.

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলী ৫৪ নং নিয়মৰ অধিনত ১৯৯৩ চনৰ ২৬ চেপ্তেম্বৰ তাৰিখৰ দৈনিক অসমত প্ৰকাশিত ৰাতৰিত অসম বান নিয়ন্ত্ৰণ ধন কৰ্তনত প্ৰধান মন্ত্ৰীৰ উদ্বেগ'।

## CALL ATTENTION NOTICF

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয় এই অসম বিধান সভাৰ কাৰ্য্য পৰিচালনাৰ নিয়মাবলী ৫৪ নং নিয়মৰ অধীনত ১৯৯৩ চনৰ ২৬ চেপ্তেম্বৰ তাৰিখৰ 'দৈনিক অসম' কাকতত প্ৰকাশিত 'অসমত বান-নিয়ন্ত্ৰৰ আঁচনিৰ ধন কৰ্তনত প্ৰধান মন্ত্ৰীৰ উদ্বেগ" এই শীৰ্ষক বাতৰিটো মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। ব্ৰহ্মপুত্ৰ বৰ্ডক ১৯৮১ চনৰ পৰা দায়িত্ব দিয়া হৈছে। এই ব্ৰহ্মপুত্ৰ বৰ্ডে ১০ বছৰৰ অধিক সময় আঁচনিখন কাৰ্য্যকৰী কৰিব পৰা নাই। ব্ৰহ্মপুত্ৰ বৰ্ডৰ ৪ খন আঁচনি টিপাইমুখ, দিহাং সোৱনশিৰি আৰু পাগলদিয়া লৈছিল এতিয়ালৈকে এখনো কাৰ্য্যকৰী কৰিব পৰা নাই। মুখ্যমন্ত্ৰীয়ে ব্ৰহ্মপুত্ৰ বৰ্ড সক্ৰিয় কৰাৰ কথা কৈছে প্ৰধান মন্ত্ৰীয়ে কৈছে। কিন্তু আজিলৈকে কাৰ্য্যকৰী কৰা হোৱা নাই। ইংৰাজীত ব্ৰহ্মপুত্ৰ বৰ্ডে মাষ্টাৰ প্লেন লব পাৰে তেওঁলোকৰ ৩টা প্লেনৰ ৪ৰ্থ প্লেনটো আমাৰ নিজৰ। এইবাৰ কেন্দ্ৰীয় চৰকাৰে বাননিয়ন্ত্ৰণৰ নামত দিয়া ৩০ কোটিৰ টকাৰ ২৯ কোটি কাটি ১ কোটি দিছে। প্লেনৰ টকা যেনেকৈ ৯০ শতাংশ কেন্দ্ৰীয় সাহাৰ্য্য দিয়ে। তাৰ বাকী ১০ শতাংশ ঋণ হিচাবে দিয়ে। বৰ্ডকো তেনেধৰণে দিব লাগে। এই বিষয়ে মন্ত্ৰী মহোদয়ে কব লাগে।

## MATTER UNDER RULE 301

Mr. Speaker : I now request Shri Gobin Chandra Das and Shri Bharat Chandra Narah to raise the matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly.

শ্ৰীগবীন দাস : মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং অনুচ্ছেদ মতে অসমৰ বানপানীৰ যি এটা সাংঘাটিক সমস্যা, সেই সম্পৰ্কে মই সদনত আজি অৱগত কৰিব বিচাৰিছো। অসমত বানপানী আৰু গৰাখহনীয়া এটা বছেৰেকীয়া সেৱা হিচাপে হৈ আহিছে, আৰু এই সমস্যাৰ বিষয়ে প্ৰতি বছৰে আমাৰ বিধান সভাত আলোচনা হৈ আহিছে কিন্তু ইয়াৰ কোনো আমু সমাধান আজিলৈকে হোৱা নাই। আজি এনে এটা মহামাৰি সদৃশ সমস্যা সমাধানৰ

বাবে অকল কেন্দ্ৰীয় চৰকাৰ বা ব্ৰহ্মপুত্ৰ বোৰ্ডকে দোষাৰোপ কৰি লাভ নাই। ব্ৰহ্মপুত্ৰ নদীয়ে আজি হাজাৰ হাজাৰ বিঘা মাটি খহাই নি বহুতো পৰিয়ালক ধ্বংসৰ মুখলৈ ঠেলি দিছে আৰু ভূমিহীনত পৰিণত কৰিছে। অকল ব্ৰহ্মপুত্ৰ নদীয়ে নহয় আমাৰ কপিলী নদীয়েও গৰাখহনীয়া আৰম্ভ কৰিছে। যোৱা ১৯৮৬ চনত হোৱা বানপানীয়ে এই কপিলী নদীয়ে আমাৰ উৰিয়াম ঘাট বান্ধটো খহাই নি হাজাৰ হাজাৰ মানুহক ক্ষতিগ্ৰস্থ কৰিছে। ইয়াৰ বাবে আমি বিভাগীয় অভিযন্তা আদিৰ ওচৰলৈ গৈছিলো কিন্তু তেওঁলোকে টকাক দোহাই দি একো কৰিব নোৱাৰো বুলি কৈছিল। বিভাগীয় মন্ত্ৰী বা মুখ্যমন্ত্ৰী ওচৰলৈ গলেও এইটো কাম ব্ৰহ্মপুত্ৰ বোৰ্ডৰ বুলি কয়। যদি চৰকাৰৰ আন্তৰিকতা থাকিলেহেঁতেন তেন্তে কেন্দ্ৰীয় চৰকাৰ বা ব্ৰহ্মপুত্ৰ বোৰ্ডক দোহাই দি নাথা-কিলেহেঁতেন। চৰকাৰে উন্নয়ণমূলক কামৰ বাবে টকা নাই বুলি কয় কিন্তু আইন শৃংখলাৰ নামত মিলিটাৰী আনি কোটি কোটি টকা খৰছ কৰি থকা হৈছে। অকল আলফা দমনৰ নামতে প্লেনৰ টকা দাইভটি কৰি হাজাৰ হাজাৰ কোটি কোটি টকা খৰছ কৰি থকা হৈছে। আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰক আৰু ব্ৰহ্মপুত্ৰ বোৰ্ডক দোহাই দি আমাৰ নিৰিহ জনসাধাৰণক নিৰ্য্যাতিত আৰু নিস্পেষিত কৰি থকাৰ কোনো যুক্তি নাই। গতিকে চৰকাৰে আন্তৰিকতাৰে বানপানী আৰু গৰাখহনীয়া ৰোধ কৰাৰ বাবে ব্যৱস্থা গ্ৰহন কৰিব লাগে। তাৰোপৰি চৰকাৰে আজিয়েই বানপানী আৰু গৰাখহনীয়া ৰোধৰ বাবে স্পষ্ট নীতি গ্ৰহণ কৰি যুদ্ধকালীন প্ৰস্তুতিৰে কাম হাতত লব বুলি আশা কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

**শ্ৰীভৰত চন্দ্ৰ নৰহ :** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত বানপানী আৰু গৰাখহনীয়া প্ৰতিৰোধ কৰিবলৈ শীঘ্ৰে ব্যৱস্থা হাতত লব লাগে বুলি মই অনুৰোধ কৰিলো। মাননীয় অধ্যক্ষ মহোদয়, কংগ্ৰেছ আই চৰকাৰে শাসন ভাৰ লোৱাৰে পৰা যোৱা আঢ়ৈ বছৰ কাল বানপানী নিয়ন্ত্ৰণৰ ক্ষেত্ৰত আমাৰ লক্ষীমপুৰ, ধেমাজী, মাজুলি আদিক অৱহেলা কৰি আহিছে। এই চৰকাৰ হোৱাৰ পিছৰে পৰা আমাৰ ডিবিজন বিলাকত বানপানী আৰু গৰাখহনীয়া ৰোধৰ বাবে টকা নিদিয়াই হ'ল। আমাৰ গণ পৰিষদ চৰকাৰৰ দিনত বান নিয়ন্ত্ৰণৰ শিতানত যিখিনি টকা আছিল সেইখিনি প্ৰত্যেকটো ডিবিজনক ভগাই দিয়া হৈছিল আৰু তাৰ অধীক্ষক অভিযন্তা গৰাকীক ধন খৰছ কৰাৰ বাবে

কর্তৃত্বৰ দিয়া হৈছিল। কিন্তু এতিয়া এই টকা দিয়া একেবাৰে বন্ধ কৰিছে। কিন্তু আজিকালি এই টকা মুখ্যমন্ত্ৰী বা ৰাজহ মন্ত্ৰীয়ে কোনটো স্কীমত দিব লাগে তাক নিৰ্দ্দিষ্টকৈ কৈ দিয়ে। আমি বিভাগীয় বিষয়া সকলক লগ ধৰিলে তেওঁলোকে আমাক টকা নাই বুলি কয়। আজিকালি আমাৰ বিধায়কসকলৰ কথাত চৰকাৰে গুৰুত্বৰ নিদিয়ে। কিন্তু চাৰাওাৰ আলফা হলেহে মুখ্যমন্ত্ৰী বা ৰাজহ মন্ত্ৰীয়ে টকা দিয়ে। এই বিষয়ে মোৰ হাতত নিৰ্দ্দিষ্ট প্ৰমাণ আছে। চৰকাৰে তিনিচুকীয়া জিলাৰ ডুমডুমাত এজন ছালফাৰ অনুৰোধত 4 কোটি টকা ডিবাক চোমনি প্ৰজেক্টৰ কাৰণে দিছে। ইয়াৰ বাবে কলিকতাৰ পৰা ড্ৰেজাৰ আনি নদী খন্দাইছে। তাত চক্ৰ গোহাঁই নামৰ এজন ছালফা নেতাৰ অনুৰোধ মৰ্মে ৪/৫ কোটি টকা দিছে। কিন্তু আমাৰ ১৯/২০ জন বিৰোধী পক্ষৰ সদস্যৰ কথাত চৰকাৰে গুৰুত্ব দিয়া নাই। চৰকাৰে বিছাৰে নেকি যে আমিও আলফা হ'ব লাগে ? মোৰ এতিয়া ভাব হৈছে আমি এম, এল, এ হৈ কিবা অপৰাধ কৰিলো নেকি ? নে আলফা ন'হৈ ভুল কৰিলো নেকি ? আজি কোকৰাঝাৰত বানপানী চোৱা বাবে আমাৰ মুখ্যমন্ত্ৰী, ৰাজহ মন্ত্ৰী আদি গৈছে, কিন্তু আমাৰ লক্ষীমপুৰ গোনাই, ঢকুৱাখানা ধেমাজি আজিলৈ মুখ্যমন্ত্ৰী বা ৰাজহ মন্ত্ৰী কোনেও যোৱা নাই। মাত্ৰ স্থানীয় এম, এল, এ বুলি ইন্দ্ৰ গগৈ, আৰু গোমেশ্বৰ পেগু ডাঙৰীয়াই গৈছে। আমাৰ অঞ্চলত ডাঙৰ আলফা নেতা বা বি, এচ, এফ নাই কাৰণেই তেওঁলোক যোৱা নাই। আমাৰ প্ৰশ্ন হৈছে আমাৰ অঞ্চলৰ দাবী পূৰণৰ বাবে আমি তাত এটা আণ্ডাৰ গ্ৰাউণ্ড পাৰ্টি খুলিব লাগিব নেকি ?

শ্ৰীগোমেশ্বৰ পেগু ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, আমাৰ মুখ্যমন্ত্ৰী লক্ষীমপুৰলৈ গৈছে।

শ্ৰীভৰত চন্দ্ৰ নৰহ : অধ্যক্ষ মহোদয় মুখ্যমন্ত্ৰীয়ে হেলিকপ্তাৰেৰে গৈ লক্ষীমপুৰ চাৰ্কিট হাউচত বিষয়া সকলৰ লগত কথা পাতি গুচি আহিছে। বান বিধ্বস্ত অঞ্চল চাবলৈ যোৱা নাই। অধ্যক্ষ মহোদয় ছালফাৰ অনুৰোধত কোটি কোটি টকা ডিৱাক চোমনিৰ প্ৰকল্পৰ কাৰণে টকা দিব পাৰিছে, কিন্তু সোৱণশিৰিৰ নদীয়ে গতি সলাই হাজাৰ হাজাৰ মানুহক বিধ্বস্ত কৰিছে, তাৰ বাবে চৰকাৰে ১০ লাখ টকাও দিব নোৱাৰে। যদি আমাৰ তাতো ডাঙৰ ছালফা থাকিলহেতেন তেন্তে আমিও পালোহেতেন। অধ্যক্ষ মহোদয়, যিহেতু এইবিভাগে একো কৰিব নোৱাৰে সেয়েহে এই বিভাগটো উঠাই দিব লাগে। এই বিভাগটো

থকা নথকা একে হৈছে। এতিয়া এফ. ডি, আৰটো পইছা পোৱাৰ নীতি নাই। ৰাজহ বিভাগত ২৫ কোটি টকা আছে কিন্তু বান নিয়ন্ত্ৰণ বিভাগক নিদেয়ে। কিন্তু এই টকা মুখ্যমন্ত্ৰী আৰু ৰাজহ মন্ত্ৰীয়ে নিৰ্দ্দিষ্ট কৰি দিয়া মতেহে দিয়ে। গতিকে বান নিয়ন্ত্ৰণ বিভাগটো উঠাই দিব লাগে আৰু হৰেন ভুমিজ ডাঙৰীয়াইও এই বিভাগৰ মন্ত্ৰী হৈ থাকি লাভ নাই।

অধ্যক্ষ মহোদয়, আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে দিল্লীত গৈ কৈছে যে ব্ৰহ্মপুত্ৰ বোৰ্ডখন সক্ৰিয় কৰিব লাগে আৰু তাত অধিক বিষয়া নিযুক্তি দিব লাগে। তেখেতে এইটো বৰ ভুল কথা কৈছে। ব্ৰহ্মপুত্ৰ বোৰ্ডে বানপানী নিয়ন্ত্ৰণ নকৰে। ব্ৰহ্মপুত্ৰ বোৰ্ডৰ কাম হ'ল তেওঁলোকে মাষ্টাৰ প্লেন যুগুত কৰি কেন্দ্ৰীয় জল আয়োগক দাখিল কৰিব লাগে। তেওঁলোকে এতিয়ালৈ চাৰিখন মাষ্টাৰ প্লেন তৈয়াৰ কৰিছে। সেই কেইখন হ'ল সোৱণশিৰি, টিপাইমুখ, দিহিং আৰু পগলাদিয়া। ব্ৰহ্মপুত্ৰ বোৰ্ড সক্ৰিয় কৰাৰ কোনো যুক্তি নাই। মুখ্য-মন্ত্ৰীয়ে কব লাগিছিল প্লেনৰ টকা যেনেকৈ ৯০ শতাংশ মঞ্জুৰী আৰু ১০ শতাংশ ঋণ কেন্দ্ৰীয় চৰকাৰে দিয়ে ঠিক তেনেকৈ বান নিয়ন্ত্ৰণৰ বাবেও সেইমতে অনাৰ ব্যৱস্থা কৰিব লাগিছিল।

উপাধ্যক্ষ মহোদয়, আজি অসম চৰকাৰে ১ কোটি টকাৰ ওপৰৰ কোনো আঁচনি নিজে লব নোৱাৰে। এক কোটি টকাৰ ওপৰৰ স্কীম হ'লেই চি ডব্লিউ চিৰ অনুমতি লব লাগে। সেই কাৰণে আমি বিধান সভাৰ এষ্টিমেট কমিটিৰ ফালৰ পৰা এটা ৰিকমেণ্ডেচন দিছিলো যে অসমৰ বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কমেও দহ কোটি টকালৈকে আঁচনি লবলৈ ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক হেঁচা দিব লাগে আৰু এই ক্ষেত্ৰত চি ডব্লিউ চি ৰ অনুমোদন নোলোৱাকৈ দহ কোটি টকালৈকে আঁচনি লোৱাৰ ব্যৱস্থা কৰিব লাগে। এই ক্ষেত্ৰত মই এটা কথা কব খোজো যে আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে ব্ৰহ্মপুত্ৰ বৰ্ডখন সক্ৰিয় কৰাৰ কাৰণে প্ৰধান মন্ত্ৰীৰ লগত নানা ধৰণৰ আলোচনা কৰা বুলি বাতৰি কাকতত বিভিন্ন বাতৰি প্ৰকাশ কৰিছে আৰু এনেধৰণে বিছুমান মিছা বাতৰি দি তেওঁ ৰাইজক আভুৱা ভৰা বিছুমান কাম কৰি আছে। কিন্তু মুখ্য মন্ত্ৰীয়ে এইটোহে কৰিব লাগিছিল যে, যিবিলাক আঁচনি এতিয়াও চি ডব্লিউ চি ৰ অনুমোদন নোপোৱাকৈ পৰি আছে সেইবিলাক অনুমোদন লোৱাৰ কাৰণেহে চেষ্টা কৰিব লাগিছিল। সেইকাৰণে মই কব খুজিছো যে, এই চৰকাৰৰ অধীনত বান নিয়ন্ত্ৰণ বিভাগটো ৰখাৰ কোনো কাম নাই। গতিকে এই বিভাগটো অতি

সোনকালে নিষিদ্ধ বিভাগ হিচাপে ঘোষণা কৰিব লাগে আৰু লক্ষীমপুৰ, ধেমাজীত যিকেইটা আঁচনি আছে সেইকেইটাও তাৰপৰা উঠাই দিব লাগে। আমি এটা কথা দেখিবলৈ পাইছো যে বান নিয়ন্ত্ৰণৰ কাৰণে যিমানবোৰ টকা আৱন্টন দিয়া হৈছে সেই টকাবোৰ কেৱল তিনিচুকীয়া, ডিব্ৰুগড় আদি জিলাতহে খৰচ কৰি থকা হৈছে। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে এই বিভাগে কোনো কাম কৰা নাই। সেই কাৰণে মই আপোনাক অনুৰোধ কৰিছো যাতে এই ডিভিজন তিনিটা তাৰপৰা উঠাই নিব লাগে।

*শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী) : উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই যিখিনি কথা কৈছে সেই ক্ষেত্ৰত মই কেইটামান কথা স্পষ্ট কৰি দিব খুজিছো।

*শ্ৰীজয়নাথ শৰ্মা : উপাধ্যক্ষ মহোদয়, বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয় সদনত বহি আছে। গতিকে এই বিভাগৰ সংক্ৰান্তত যি উত্তৰ দিব লাগে তেখেতে দিব।

*শ্ৰীমুকুট শৰ্মা ৰাজহ মন্ত্ৰী) : উপাধ্যক্ষ মহোদয়, মই ৰাজহ বিভাগৰ কেইটামান কথা স্পষ্ট কৰি দিব খুজিছো। মাননীয় সদস্য গৰাকীয়ে কৈছে যে বানপানীৰ সময়ত মুখ্য মন্ত্ৰী বা ৰাজহ মন্ত্ৰী উত্তৰ লক্ষীমপুৰ আৰু ধেমাজীলৈ যোৱা নাই। কিন্তু উত্তৰ লক্ষীমপুৰ আৰু ধেমাজীলৈ মই দুবাৰ গৈছো। মাননীয় সদস্য শ্ৰীদিলীপ শইকীয়া ডাঙৰীয়াক মই ধেমাজীত এবাৰ লগ পাইছো। বানপানীৰ ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ বাবে মুখ্যমন্ত্ৰী মহোদয়ে হেলিকপ্তাৰেৰে বৰাক ভেলি আৰু লক্ষীমপুৰলৈ গৈছে। ইয়াৰ বাহি-ৰেও ধুবুৰী, কোকোৰাঝাৰ আদি ঠাইলৈও গৈছে। এইবাৰ গোসাইগাৱঁৰ বানপানী যি ভয়াবহ অৱস্থা হৈছিল সেইটো অৱৰ্ণনীয়। কিন্তু এই ঠাইত কোনো দিনে বানপানী হোৱা নাছিল। গতিকে তেনেক্ষেত্ৰত কোকোৰাঝাৰলৈহে বানপানীৰ বুজ লোৱাৰ বাবে যোৱা কথাটো ভিত্তিহীন। আন এটা কথাৰ ক্ষেত্ৰত কোৱা হৈছে যে শ্ৰীচক্ৰ গোহাইৰ নিৰ্দেশ ক্ৰমেহে আমি টিপাইমুখ আৰু দিহাঙৰ স্কীমকেইটা পৰিদৰ্শন কৰিছিলো। কিন্তু সেইটো সঁচা নহয়। বান নিয়ন্ত্ৰণ বিভাগে আমাক বিকুৱেষ্ট কৰা কাৰণেহে আমি এই স্কীমকেইটা পৰিদৰ্শন কৰিছিলো আৰু প্ৰয়োজন সাপেক্ষেহে তাত সাহায্য আগবঢ়োৱা হৈছিল। এই

*Speech not corrected.

ক্ষেত্ৰত মই কব লাগিব যে জলসিঞ্চন বিভাগে তাত যি কাম কৰিছে সেইটো বৰ প্ৰসংশনীয় হৈছে । এই কামবিলাক চক্ৰ গোহাঁইৰ নির্দেশ মতে কৰা হোৱা নাই, বান নিয়ন্ত্রণ বিভাগৰ অনুৰোধ ক্ৰমেহে কৰা হৈছে ।

★ শ্ৰীদিলীপ শইকীয়া : মাননীয় উপাধ্যক্ষ মহোদয় অসমৰ বানপানী সমস্যাৰ বিষয়ে যিমানবিলাক কথা আলোচনা হৈ আছে সেই ক্ষেত্ৰত মই এটা কথাই কব খুজিছো যে অসমৰ বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চৰকাৰে যি ধৰণে গুৰুত্ব দিব লাগিছিল তেনেধৰণে গুৰুত্ব দিয়া নাই । যোৱা বিধান সভা অধিবেশনতো এই বিষয়টোক লৈ বিধান সভাৰ মজিয়াত ধর্ণা দিয়া হৈছিল আৰু সেই সময়ত বান নিয়ন্ত্রন বিভাগৰ মন্ত্ৰীয়ে আমাক আশ্বাস দিছিল যে লক্ষীমপুৰ আৰু ধেমাজীৰ মথাউৰি বিলাক পুনৰ নির্মাণ কৰা হ'ব। কিন্তু লক্ষীমপুৰ আৰু ধেমাজীৰ মথাউৰি বিলাক পুনৰ নির্মাণ কৰা হ'ব বুলি যি আশ্বাস দিয়া হৈছিল সেই আশ্বাস তেনেধৰণেই থাকিল আৰু আজি কেৱল লক্ষীমপুৰ আৰু ধেমাজীতে নহয় সমগ্ৰ অসমতে বানপানীয়ে যিটো ৰূপ ধাৰণ কৰিছে সেইটো বর্ণনা কৰি শেষ কৰিব নোৱাৰি। আজি অসমৰ মানুহে কলগছ খাই জীয়াই থাকিব লগা হৈছে। সেই কাৰণে মই অলপতে অসমৰ আগশাৰীৰ এজন সাংবাদিকক কৈছিলো যে আপোনালোকে এইবোৰ নিজে গৈ চাই আহি চৰকাৰৰ আৰু ৰাইজৰ আগত প্ৰকৃত ভুলটো দাঙি ধৰক। এইবাৰ ধেমাজীত এজন ১২ বছৰীয়া যুৱকৰ খাদ্য অভাৱত মৃত্যু হৈছে। কিন্তু সেই কথাটো মই ডি চিক জনোৱাত তেওঁ এজন এচ, ডি, চিৰ হতুৱাই এই বিষয়ত ৰিপোর্ট আনি জনালে যে তেওঁ প্ৰকৃততে খাদ্য অভাৱত মৃত্যু হোৱা নাই, বেমাৰতহে মৃত্যু হৈছে। কিন্তু এই কথাটো সত্য নহয় । সেই কাৰণে শ্ৰীভৰত নৰহ আৰু শ্ৰীগহীন দাস ডাঙৰীয়াই এই ক্ষেত্ৰত যিকেইটা কথা ইতিমধ্যে উল্লেখ কৰিছে সেই ক্ষেত্ৰত মই কব খোজো যে অসমত যিমানবিলাক মথাউৰি আছে সেই বিলাক সম্পূর্ণ ভাবে উঠাই দিব লাগে। এই ক্ষেত্ৰত মই আৰু এটা কথা উল্লেখ কৰিবলৈ বাধ্য হলো যে এসময়ত মাননীয় শ্ৰীশৰৎ সিংহ ডাঙৰীয়াইও এটা কথা কৈছিল যে— অসমৰ মানুহে বানপানীৰ লগত সহৱস্থান কৰিবলৈ চেষ্টা কৰিব লাগিব। আজি অসমৰ মানুহ বানপানীত পৰি নমৰে । কিয় তেওঁলোকৰ বানপানীৰ মাজতে জন্ম হৈছে আৰু বানপানীৰ মাজতে ডাঙৰ হৈছে । তেওঁলোকে বানপানীৰ লগত সহৱস্থান কৰাত অভ্যস্ত হৈ পৰিছে ।

★Speech not corrected

গতিকে এই বিভাগটো ৰখাৰ কোনো কাম নাই আৰু এই বিভাগটোৰ দায়িত্বত যি দুজন মন্ত্ৰী আছে তেওঁলোকেও অতি সোনকালে ৰিজাইন দিব লাগে। এসময়ৰ যুব কংগ্ৰেছৰ নেতা আৰু আজি মন্ত্ৰী হৈ থকা শ্ৰীঅঞ্জন দত্তৰ নেতৃত্বত এই বিষয়টোক লৈ এটা সময়ত দিল্লীত ধৰ্ণা দিয়া হৈছিল। এই বিষয়টোক লৈ অসম চৰকাৰে বিভিন্ন সময়ত বিভিন্ন বক্তব্য ৰখাও আমি দেখিবলৈ পাইছো। কিন্তু প্ৰকৃতাৰ্থত কাম কিমান হৈছে সেইটোহে লক্ষণীয় বিষয়। সেই কাৰণে অসমৰ বান নিয়ন্ত্ৰণৰ কাৰণে যদিহে এশ শতাংশ বা নব্বৈ শতাংশ গ্ৰেণ্ট আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা আদায় কৰিব নোৱাৰো তেনেহলে এই বিষয়টোৰ লৈ আমি বিধান সভাত চিক্ৰৰ বাখৰ কৰি একো লাভ নাই।

উপাধ্যক্ষ মহোদয়, বানপানীৰ সময়ত যি ধৰণে ৰিলিফ দিব লাগে সেই ধৰণে ৰিলিফ দিয়া হোৱা নাই। ৰাজহ মন্ত্ৰী মহোদয়ে কৈছে যে বান আক্ৰান্ত অঞ্চল সমূহত খোৱা তেল, কেৰাচিন তেল, চাউল, আটা আদি দিয়া হৈছে। কিন্তু এই সাহায্য কোনে কিমান পাইছে সেইটো ভালদৰে বিচাৰ কৰি চালেহে ওলাই পৰিব। আজি যদি বিধান সভাৰ এষ্টিমেট কমিটি নাইবা সৰ্বদলীয় কমিটিয়ে অসমৰ বিভিন্ন প্ৰান্ত পৰিদৰ্শন কৰি এইবোৰ কথা পৰীক্ষা কৰি চায় তেতিয়াই কোনে কিমান ৰিলিফ পাইছে সেইবোৰ সত্যতা ওলাই পৰিব আৰু ৰাজহ মন্ত্ৰী ডাঙৰীয়াই যিখিনি কথা কৈছে সেইখিনিৰো সত্যতা ওলাই পৰিব। সেই কাৰণে মই আমাৰ সাংবাদিক সকলকো অনুৰোধ কৰিব খুজিছো যাতে তেখেতসকলে এই অঞ্চলবোৰলৈ নিজে গৈ এই কথাবোৰৰ বুজ লয়।

মাননীয় উপাধ্যক্ষ মহোদয়, সেই কাৰণে মই কৈছো যে এই ক্ষেত্ৰত বিশেষ এটা দল গঠন কৰি দিয়ক, তেওঁলোকে দিল্লীত গৈ প্ৰধান মন্ত্ৰীক কওঁক আৰু জোৰদাৰ কৰি হলেও কেন্দ্ৰীয় চৰকাৰক সৈমান কৰাওঁক। আমি পেপাৰত পোৱা মতে অসমৰ বান নিয়ন্ত্ৰণৰ টকাখিনি কৰ্তন কৰাৰ কাৰণে প্ৰধান মন্ত্ৰীয়ে উদ্বেগ প্ৰকাশ কৰিছে। আজি আমি কেন্দ্ৰীয় চৰকাৰক সৈমান কৰাৰ লাগে ১০০ পাৰচেণ্ট নহলেও ৯০ পাৰচেণ্ট অনুদান হিচাপে দিয়াৰ ব্যৱস্থা কৰিব লাগে। মাননীয় সদস্য শ্ৰীভৰত নৰহ ডাঙৰীয়াই কোৱাৰ দৰে মন্ত্ৰী ভ্ৰমণত গৈ বানপানী অঞ্চল পৰিদৰ্শন কৰিলে কোনো কামত নাহে ইয়াতে ইঞ্জিনিয়াৰ সকলে চিফইঞ্জিনিয়াৰে এষ্টিমেট কৰি দিয়ে। আমাৰ জীয়াধল, গাইনদী আদি মথাউৰিত যদি ৪ কোটি টকা লাগে তাত ইঞ্জিনিয়াৰে এষ্টিমেট কৰে ৮ কোটি টকা। বাকী ৪ কোটি টকা বেঁচ দেখুৱাই

মানুহৰ মুৰত মাধমাৰ মাৰিছে। উপাধ্যক্ষ মহোদয়, আগতে আমাৰ মানুহৰ প্ৰায় বিলাক ঘৰতে ৫ টাকৈ ভড়াল আছিল কিন্তু আজি সেইবিলাক মানুহ জুলুঙা লৈ ফুৰিবলগীয়া হৈছে। তেওঁলোক মগনীয়া হৈছে। দিশপুৰত আমি বিধায়কৰ হোষ্টেলত ঘুৰি ফুৰি আমাক লগ কৰিছেহি আৰু কৈছে আমাক সহায় কৰক। আমাৰ সকলো শেষ হৈ গৈছে,, বানপানীৰ তলত সকলো ডুব গৈ আছে। মাননীয় উপাধ্যক্ষ মহোদয়, আজি ইয়াত ৰাজহ মন্ত্ৰী ডাঙৰীয়া নাই তেখেতৰ বিভাগৰ ওপৰত মোৰ কিছু কব লগীয়া আছিল। আমাৰ মথাউৰিবিলাক যদি বিজ্ঞান সম্মত ভাৱে সমাধা কৰা নহয় তেতিয়াহলে কামত নাহিব। ৰাইজৰ একে অৱস্থাই হব। ৰাজহ সম্পৰ্কত মই কওঁ যে আমাৰ যিবিলাক বানপানীৰ আক্ৰান্ত অঞ্চল সেইবিলাক অঞ্চলত মাটিৰ খাজনা ৰেহাই দিব লাগে। কিয়নো তেওঁলোকৰ আজি বহু দিনৰ পৰা এই বানপানীয়ে খেতি নষ্ট কৰি আহিছে। মই যোৱা ৩ তাৰিখে যেতিয়া ধেমাজীৰ পৰা আহো তেতিয়া নেচনেল হাইওৱেটো একাঠু পানী। মণি-কুমাৰ চুবুৰীৰ অঞ্চলটো বহুতো মানুহ একাঠু পানীৰ তলতে নেচনেল হাইওৱেত ঠিয় হৈ আছে। ধেমাজী, নাৰায়ণপুৰ, লালুক আদি ঠাই বানপানীৰ তলত ডুব গৈ আছে। বিশেষকৈ ৫/৬ শ মান গাওঁ পানীৰ তলত আছে। শাওন মহীয়া ৰুৱা খেতি পানীৰ তলত ডুব গৈ আছে। গতিকে সেই অঞ্চলবিলাকত পুনৰ খেতি কৰাৰ সময় নাই। সেয়েহে সেইবিলাক অঞ্চলত আমাৰ কৃষি মন্ত্ৰী বাইদেউ আছে তেখেতৰ প্ৰতি মোৰ এটা অনুৰোধ যে উক্ত অঞ্চলবিলাকত ৰবি খেতি কৰাৰ ওপৰত প্ৰধান্য দিব লাগে। আৰু এটা কথা ৰাজহ মন্ত্ৰী মহোদয়কো এটা কথাৰ প্ৰতি অনুৰোধ কৰিছো যে যিবিলাক মানুহৰ আজি থাকিবলৈ ঘৰ নাই, দুৱাৰ নাই সেইবিলাক মানুহক পুনৰ সংস্থাপন দিয়াৰ ব্যৱস্থা কৰিব লাগে। অৰ্থাৎ যিবিলাক আমাৰ বৰ্ডাৰ আছে যেনে অসম-অৰুণাচল, অসম-নগালেণ্ড, অসম-মেঘালয় সেইবিলাকত যথেষ্ট মাটি পৰি আছে। মোৰ সমষ্টি ধেমাজীত ২৩ হেজাৰ বিঘা মাটি এনেয়ে পৰি আছে সেইবিলাক ঠাইত তেওঁলোকক পুনৰসংস্থাপন দিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, এই তিনিটা বছৰৰ ভিতৰত বানপানীৰ নামত কেন্দ্ৰীয় চৰকাৰে ৯০ কোটি টকা দিছিল। তাৰে ৯০ কোটি টকাৰ ভিতৰত এতিয়ালৈকে ১৮ কোটি টকাহে খৰচ কৰিলে। বাকী ৭২ কোটি টকাৰ খৰচ কৰিব পৰা নাই। সেই টকা ক'ত খৰচ হ'ল। এই ৭২ কোটি

টকাৰ হিচাপ কেন্দ্ৰীয় চৰকাৰক দিব নোৱাৰিলে বানপানীৰ নামত কেন্দ্ৰীয় চৰকাৰে পুনৰ টকা নিদিয়ে। পেপাৰত দেখিছো ১০০ কোটি, ২০ কোটি ইত্যাদি ইত্যাদি টকা দিয়ে আছে—এইবিলাক একো নহয়, এইটো মাত্ৰ পেপাৰত দিয়াহে কথা। মাননীয় উপাধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে সৰ্বদলীয় দল এটা দিল্লীলৈ গৈ ধমকি দি হলেও এই কাম আদায় কৰিব লাগিব। আজি আপোনালোকে মাতাং সিঙক অসমৰ পৰা জিকাই পঠিয়াইছে কিন্তু তেওঁ অসমৰ কাৰণে এটা ফুটাকৰিও কাম কৰা নাই। আজি মুখ্য মন্ত্ৰীয়ে বানপানীৰ সময়ত বিভিন্ন অঞ্চললৈ হেলিকপ্টাৰে গৈছে, তাৰ পিছত তেখেতে চাৰ্কোট হাউচলৈ গৈছে। চাৰ্কোট হাউচত বিষয়াই যিটো ৰিপোৰ্ট দিছে সেইটোকে লৈ আহিছে। তেখেত বানপানীৰ প্লাৱিত অঞ্চল জেনাইলৈ যোৱা নাই আমাৰ পেগু ডাঙৰীয়াৰ অঞ্চলত মিছিং মানুহৰ চাংঘৰবিলাক পানীৰ তলত ডুবি গৈছে। সেই কাৰণে মই কৈছো যে আমি যদি সৰ্বদলীয় দল এটা গৈ কেন্দ্ৰীয় চৰকাৰক ধমকি দিব নোৱাৰো তেতিয়াহলে আমাৰ কোনো কামত নাহিব। আজি ৰাজনৈতিক ভাৱে কিছুমান কাম কৰা হৈছে। যেনেকৈ ৰুলিং পাৰ্টিৰ সদস্য দেবেন বৰুৱাদেৱে চুমনি বান্ধটো বান্ধিছে। তাত ৪ কোটি টকা খৰচ হৈছে কিন্তু আমাৰ অপজিশ্যন পাৰ্টিৰ কাৰণে আমাৰ সমষ্টিবিলাকত কাম হোৱা নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ যিবিলাক মানুহৰ এটাকৈ ভড়াল আছিল সেইবিলাক মানুহৰ বেছিকৈ নহলেও অন্ততঃ এটাকৈ ভড়াল থকাৰ ব্যৱস্থা কৰিব লাগে। কিন্তু আজি কি হৈছে—বিৰোধী দলৰ সমষ্টিত এই চৰকাৰে কোনো মনোযোগ দিয়া নাই। কিন্তু আমি বিৰোধী দল হিচাপে থাকিও বানপানীৰ আক্ৰান্ত অঞ্চল ভ্ৰমণ কৰি মানুহক চাউল, দালি, নিমখ আদি যোগান দিয়াৰ সুযোগ পাইছো। আৰু তেওঁলোকৰ পৰা অকুণ্ঠ সহায় সহানুভূতি লাভ কৰিছো। যাৰ ফলত আজি এই দুৰ্দশা অৱস্থাটো আমাক ৰাইজে মতাইঁহ মাৰি ভাত খুৱাইছে। আজি ৰিলিফৰ ক্ষেত্ৰত কমিটি কৰি দিছে। তাত এচ, ডি চি জন হ'ল চেয়াৰমেন, স্থানীয় বিধায়কজন হ'ল মেম্বাৰ, কাউন্সিলাৰজন মেম্বাৰ। তদুপৰি গাওঁ পঞ্চায়তৰ যিবিলাক সভাপতি তেওঁলোকে ৰিলিফ বিতৰণ কৰি খেলি-মেলি সৃষ্টি কৰিছে। মই আজি যিখিনি কথা ইয়াত উল্লেখ কৰিলো সেইবিলাক বৰ গুৰুত্বপূৰ্ণ কথা। কিন্তু বিভাগীয় মন্ত্ৰীয়ে কিমান গুৰুত্ব দিছে নেজানো।

পুনৰ সৰ্বদলীয় দল এটা দিল্লীলৈ পঠিওৱাৰ ব্যৱস্থা কৰিব বুলি আশা ৰাখি মোৰ বক্তব্য সামৰণি মাৰিলো।

*শ্ৰীপদ্মেশ্বৰ দলে : উপাধ্যক্ষ মহোদয়, আচলতে এইটো এটা বৰ ডাঙৰ বেমাৰ। কেন্সাৰাইজ ডিজিজ। এই গোটেই বিষয়টো দুটা প্ৰকল্পৰ কথা জড়িত আছে। এটা হ'ল সোৱণশিৰী প্ৰকল্প আৰু আনটো হ'ল দিহাং প্ৰজেক্ট। As per Government of India's direction. এই প্ৰকল্প দুটা আজিলৈকে হৈ উঠিল। অৰুণাচল প্ৰদেশৰ মুখ্য মন্ত্ৰীৰ এটা ধমকিতে অসম চৰকাৰ মনে মনে থাকিব নালাগিছিল। এইটো উচিত হোৱা নাই। এই প্ৰকল্প দুটাৰ লগত গোটেই ডাল পাত নদ-নদী সংলগ্ন আছে। Two projects Kamalabari and Majuli. এতিয়া ক'ত পানী নোহোৱাকৈ আছে। এই প্ৰজেক্ট দুটা সম্পৰ্কে ইঞ্জিনীয়াৰ গৈছিল আৰু ইয়াৰ খৰচৰ ইনফ্ৰাষ্ট্ৰাকচাৰ চাজেছচন দিছিল। কিন্তু আজিলৈ এই প্ৰকল্প দুটা লোৱা নহ'ল। এই প্ৰকল্প দুটা সম্পূৰ্ণ কৰিব পাৰিলে অসমৰ কোনো নদ-নদীতে বান্ধ দিয়াৰ প্ৰয়োজন নহব। এইবাৰ মাজুলীৰ ব্ৰহ্মপুত্ৰ দাইক দুই কিলোমিটাৰ ভাঙিলে। যদি এই সোৱণশিৰী আৰু দিহাং প্ৰকল্প দুটা কৰা নহয় তেতিয়া হ'লে এইটো হৈ থাকিবই। যদি ব্ৰহ্মপুত্ৰৰ দক্ষিণে লেন্স পাৰ দিয়া হয়, চিনামৰা মিছিং বান্ধ দিয়া হয়, চাপৰি চেনেল দিয়া হয় তেতিয়া হ'লে মোৰ সমষ্টিৰ পৰা পানী বাগৰি দক্ষিণে থকা শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ক্ষতিগ্ৰস্ত হব। সেই কাৰণে মোৰ তাৰ পৰা ঠেলি দিলে শ্ৰীগোস্বামীৰ তালৈ যাব, তাৰ পৰা আন বাৰোবাৰ তালৈ যাব। এই প্ৰকল্প দুটাৰ কাৰণে মাষ্টাৰ প্লেন কৰা হৈছে। এই প্ৰকল্প দুটা ডাল পাতৰ দৰে হৈ আছে। এতিয়া আমি বানপানীৰ সংক্ৰান্তত ৰাজহ মন্ত্ৰীক গালি পাৰিও লাভ নহব, যদি প্ৰকল্প দুটা সম্পূৰ্ণ নহয়। মন্ত্ৰীয়ে মোক কৈছিল —এছ ডি ও / দি চি-ৰ পৰা ফৰ্মেলি আহিবলৈ কৈছিল। মই পিছত এছ ডি চি, ডি চিক লগ ধৰিলো। দিছপুৰত এ পি চিক লগ কৰিলো, ফাইনেন্স কমিচনাৰক লগ কৰিলো, এদিচনেল চিফ চেক্ৰেটাৰীক লগ কৰিলো। কিন্তু একো কাম নহ'ল। এই সকলোবোৰ অৰণ্যৰোদন মাত্ৰ। এই প্ৰকল্পৰ পৰা টকা নি শিলচৰ বৰাক ভেলি লৈ ৩০ কোটি টকা লৈ যোৱা হ'ল। এইটো শ্ৰীসন্তোষ মোহন দেৱৰ নিৰ্দেশ বুলি কোৱা হৈছিল। ইয়াৰ পৰা লৈ যোৱা ৩০ কোটি টকা দিয়া নহয়।

*Speech not corrected.

ৰাজহ মন্ত্ৰীয়ে এই শিতানৰ টকাবিলাক ভাগ কৰি দিছে। ধেমাজী, মাজুলীত কিমান টকা পাব লাগে সেইবিলাক মন্ত্ৰীয়ে ভগাই দিয়ে। আজি যোৱা দুই আঢ়ৈ বছৰ এটা ফুটাকড়িও পোৱা নাই মাজুলীত। Representation was given to Chief Secretary, A.P.C. Minister, Flood Control, Financial Commissioner and P. & D. but no action. Nothing of the sort that means beating in the bush. পৃথিৱীৰ বৃহত্তম নদী দ্বীপ মাজুলী। মাজুলী মানে হ'ল, মা মানে-লক্ষ্মী আৰু জুলী মানে হ'ল ভৰাল। মাজুলী অসমীয়া কৃষ্টি সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ এই মাজুলীক ৰক্ষণ-বেক্ষণ দিব নোৱাৰাটো বৰ দুখৰ কথা। সোৱণশিৰী ব্ৰহ্মপুত্ৰৰ দক্ষিণ ফালে। সোৱণশিৰী আৰু দিহাং প্ৰকল্প দুটা সম্পূৰ্ণ কৰি মাজুলীক ৰক্ষণা-বেক্ষণ দিব নোৱাৰাৰ কাৰণ কি? In the one side of it is river Subansiri and in another side river Brahmaputra. We have written to Mr. Haren Bhumij Minister, Flood Control several times to go to Majuli and see the spot but they did one Subansiri Project and one Dihing Project. মাজুলীক ৰক্ষা কৰাৰ কাৰণে সোৱণশিৰি আৰু দিহাং প্ৰকল্প দুটা চি ডব্লিউ চিৰ লগত যোগাযোগ কৰি সম্পূৰ্ণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰক। নহলে আমাৰ উপায় নাই। অধ্যক্ষ মহোদয় মই আৰু বেচি সময় নলওঁ। এই কথাবিলাক গাই বাই ফুৰিলে একো লাভ নাই। এই প্ৰকল্প দুটা সম্পূৰ্ণ কৰিব লাগে। (মাননীয় অধ্যক্ষই সদনত আসন গ্ৰহণ কৰে আৰু উপাধ্যক্ষই আসন এৰে) মাননীয় অধ্যক্ষ মহোদয়, মই এটা চাজেছচন দিবলৈ বিচাৰিছো যে যদি সোৱণশিৰি আৰু দিহাং প্ৰকল্প দুটাত হাত দিব লাগে আৰু যদি এই প্ৰকল্প দুটাত হাত নিদি সৰু সুৰা ডাল পাত বিলাকত হাত দিয়ে একো লাভ নহব। চি ডব্লিউ চিৰ পৰা টকা লৈ কাম কৰিব লাগে। ১৯৮৭-৮৮ চনত শ্ৰীহাসে ডাঙৰীয়া বান নিয়ন্ত্ৰণ মন্ত্ৰী হৈ থাকোতে এছ টি এৰিয়াৰ কাৰণে টকা বিচাৰিছিল। এই এচ টি প্ৰজেক্টৰ কাম সম্পূৰ্ণ কৰিলে বানপানীৰ আৰু কেন্সাৰাইজ ডিজিজ নাথাকিব। চৰকাৰৰ ওচৰত এই প্ৰকল্প দুটা সম্পূৰ্ণ কৰাৰ অনুৰোধ কৰি সামৰিছো।

Mr. Speaker : If the discussion goes on 301 (Rule) for a long period then it would not be possible to complete

other items. In this way I can not run. I do not allow it to continue. Everybody wants to speak. I have so many items to complete. I want your co-operation.

*শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ পৰাও আমি কো অ'পাৰেশ্যন বিচাৰিছো, আপুনি আমাক কবলৈ দিয়ক কিয়নো বান-পানীৰ নিচিনা সমস্যা এটা, যিটোৱে নেকি আমাৰ ৰাজ্যখনক বাৰুকৈয়ে জুৰুলা কৰিছে।

Mr. Speaker : Now, Hon'ble Member Sri Nagen Sarmah.

*শ্ৰীনগেন শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰ বাননিয়ন্ত্ৰণৰ যিটো সমস্যা আৰু আমাৰ ৰাজ্যখনৰ যিটো গড়াখহনীয়াৰ সমস্যা, এই সমস্যাক লৈ ১৯৭৭ চনৰে পৰা প্ৰায় ১৫ বাৰমান দীঘলীয়াকৈ আলোচনা হৈ গৈছে কিন্তু ৰিজাল্ট আমি কি পাইছো, এটা বিৰাট শূণ্য। ব্ৰহ্মপুত্ৰ বোৰ্ড গঠন হোৱাৰ পাচত কেন্দ্ৰীয় চৰকাৰে নিজেই দায়িত্ব লৈ ব্ৰহ্মপুত্ৰ বাননিয়ন্ত্ৰণৰ আঁচনি তৈয়াৰ কৰি যুগুত কৰিছে কিন্তু এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে যি পৰিমানৰ ধন দিব লাগে সেইটো দিয়া নাই যাৰ ফলত আজি আমি বিপদৰ সন্মুখীন হৈছো। ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণৰ কাৰণে প্ৰধানকৈ ৪টা আঁচনি লৈছিল, সেই কেইটাৰ ভিতৰত সোৱণশিৰী, টিপলাইমুখ, দিহাং আৰু পাগলাদিয়া, আজি যদি এইকেইটা আঁচনি সম্পুৰ্ণ কৰিব পাৰিলোহেঁতেন তেতিয়াহলে ব্ৰহ্মপুত্ৰ বান-নিয়ন্ত্ৰণৰ সমস্যা বহু পৰিমাণে উপশম হ'লহেঁতেন। অকল সিমানেই নহয় বানপানীৰ সমস্যা সমাধান হোৱাৰ লগতে আমাৰ ৰাজ্যত যথেষ্ট পৰিমানৰ বৈদ্যুতিক উৎপাদন কৰিব পাৰিলোহেঁতেন যাৰ দ্বাৰা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত আমি বিদ্যুত যোগান দিব পাৰিলোহেঁতন। কিন্তু কেন্দ্ৰীয় চৰকাৰে যি পৰিমাণে এই দিশত গুৰুত্ব দিব লাগিছিল সেই পৰিমাণে দিয়া নাই আৰু ৰাজ্যচৰকাৰেও কি গুৰুত্ব দিছে সেইটো আমি নাজানো। কিছুদিন আগতে বাতৰি কাকতত প্ৰকাশ পোৱা মতে ১৯৯২-৯৩ চনত যি কেইটা আঁচনি দিয়া হৈছিল আৰু এই আঁচনিৰ কাৰণে যি পৰিমাণৰ ধন আবণ্টন পোৱা হৈছিল সেই টকাতো খৰচ কৰিব পৰা নাই। এই বিষয়ত ফাইনেন্স কমিশনাৰৰ ৰিপোৰ্টটো দিছে। যিখিনি প্লেনৰ টকা সেই খিনিয়ো খৰচ কৰিব পৰা নাই। গতিকে এইখন চৰকাৰে যে কেন্দ্ৰীয় চৰকাৰৰ পৰা পইচা আনিব পাৰিব সেইটো আমি আশা কৰিব নোৱাৰো। আজি অসমত ব্ৰহ্মপুত্ৰ বান-

*Speech not corrected

পানীয়ে যি ধ্বংসৰ ভয়াবহ সমস্যা অসমলৈ মাতি আনিছে সেইটো যদি আমি পাগলদিয়া আঁচনিটো কাৰ্য্যকৰী কৰিলোহেঁতেন তেতিয়াহলে আমাৰ ব্ৰহ্মপুত্ৰৰ বানপানীৰ সমস্যাটো বহু পৰিমাণে উপশম হ'লহেঁতেন। কিন্তু আমি দুখ পাইছো যে এই পাগলদিয়া আঁচনিখন এক্সিকিউশ্যন কৰা নহ'ল। অথচ ইয়াৰ কাৰণে খুব ডাঙৰ অংক এটা নালাগে।

(সময়ৰ সংকেত)

আমি জনাত প্ৰায় সৰহ ভাগ কাম ইতিপূৰ্বে হৈ গৈছে, এতিয়া কেবল এডমিনিষ্ট্ৰেটিভ এপ্ৰোভেল লাগে। এইটো বৰ দুখৰ কথা যে ভাৰতৰ প্ৰধান মন্ত্ৰীয়ে উত্তৰ পূৰ্বাঞ্চলৰ এই ভয়াবহ বানপানীৰ বিষয়ে নাজানে নেকি, পূৰ্বাঞ্চলৰ প্ৰতি তেখেতৰ অনিহাৰ কাৰণে হৈছে, অসমক অবহেলা কৰি আছে। গতিকে আমি প্ৰয়োজন হলে বিধান সভাৰ সৰ্বদলীয় সদস্য আৰু মন্ত্ৰী সমন্বিতে সকলোৱে ওলাব লাগে আৰু কেন্দ্ৰীয় চৰকাৰক ব্ৰহ্মপুত্ৰ বানপানী সমস্যা বিষয়ে অধিক প্ৰেচাৰ দিব লাগে আৱশ্যক অনুযায়ী ধৰ্মঘট কৰিব লাগে এইখিনি কৈ সামৰণি মাৰিলো।

শ্ৰীযতীন মালী: মাননীয় অধ্যক্ষ মহোদয়, আজি এই সদনত যিটো ব্ৰহ্মপুত্ৰৰ বানপানীৰ সমস্যাৰ বিষয়ে আলোচনা হৈ আছে সেই সম্পৰ্কত সদনৰ দৃষ্টি আকৰ্ষণ কৰি এই গোটেই বিষয়টোৰ ওপৰত মই দীঘলীয়া আলোচনা আগবঢ়াব খোজা নাই যদিও আলোচনাৰ প্ৰয়োজন আছিল, কেৱল বান নিয়ন্ত্ৰণৰ সম্পৰ্কত আৰু বান-নিয়ন্ত্ৰণ বিভাগৰ কৰণীয় সম্পৰ্কত কিছু কথা কৈ শেষ কৰিব বিচাৰিছো। বানপানী হ'লে পুনৰসংস্থাপনৰ বেলিকা কেনেধৰণে আগবঢ়াটো উচিত সেই সম্পৰ্কে বহু কথা আছে। মাননীয় অধ্যক্ষ মহোদয় মই চৰকাৰক অনুৰোধ জনাইছো—কেন্দ্ৰীয় চৰকাৰৰ পৰ্য্যায়ত বান-নিয়ন্ত্ৰণৰ ক্ষেত্ৰত যিমানবিলাক আঁচনি পৰি আছে সেই আঁচনিবিলাকৰ ভিতৰত প্ৰায় ৩০০টা মানতকৈ কম নহব, সেইবিলাক বিষয়ে ৰাজ্যিক চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত বিশেষ ভাবে প্ৰেচাৰ দিব লাগে। অসম চৰকাৰৰ পৰা বছৰি বছৰি যিমানবিলাক আঁচনি টি, এ, চি (TAC) এপ্ৰোভেল হৈ কেন্দ্ৰীয় চৰকাৰৰ হাতত আছে সেইবিলাক আঁচনিৰ এক্সিকিউশ্যনৰ ক্ষেত্ৰত কোনো ধৰণৰ প্ৰেচাৰ ৰাজ্য চৰকাৰৰ পৰা নিদিয়াৰ কাৰণে তেওঁলোকে এই বিষয়ত বিশেষ ভাবে ধ্যান নিদিয়ে, ফলত আঁচনিবিলাক কাৰ্য্যকৰী হোৱা নাই। দ্বিতীয়তে কেন্দ্ৰীয় জল আয়োগৰ দ্বাৰা চি, ডব্লিউ, চিৰ দ্বাৰা যি কেইটা

আঁচনি অনুমোদন জনাইছে আৰু তাত টকা ধৰিছে বা ধৰি আহিছে সেই বিলাক খৰচ কৰি কাৰ্য্যকৰী কৰাৰ দায়িত্ব ৰাজ্যিক চৰকাৰে লব লাগে। মই অনুৰোধ জনাইছো এই চলিত বছৰতে অক্টোবৰ মাহৰ পৰাই এই আঁচনি বিলাক কাৰ্য্যকৰী কৰি তুলিবৰ বাবে কাৰ্য্যকৰীকৰণৰ ব্যৱস্থা হাতত লব লাগে। তাৰোপৰি আমাৰ বিভিন্ন সমষ্টিত যিমানবিলাক গড়াখহনীয়া হৈছে সেই বিষয়ে যোৱা বিধান সভাৰ আলোচনা কালতে জানিবলৈ পাইছিলো, গতিকে মাননীয় বিভাগীয় মন্ত্ৰী আৰু বিধায়ক সকলক অনুৰোধ — জনাইছোএই গড়াখহনীয়াৰ বিষয়ে জনাব লাগে আৰু আজিৰ তাৰিখলৈকে ক'ত কিমান খহনীয়া হৈছে তাৰ তালিকা এখন প্ৰস্তুত কৰি এই প্ৰতিৰোধৰ কাৰণে কিমান টকা প্ৰয়োজন হ'ব আৰু ক'ত কেনেকৈ আৰু কোন কোনবিলাক গড়াখহনীয়াত প্ৰায়ৰিটি দিয়া উচিত সেই বিষয়ে সংশ্লিষ্ট বিভাগক জনাব লাগে। এই ক্ষেত্ৰত যাতে কোনো ধৰণৰ বৈষম্যতা নহয় তালৈ বিশেষ দৃষ্টি দিব লাগে। এইবিলাক বিষয়ত পলিচি দিচিশ্যন হ'ব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰৰ বান-নিয়ন্ত্ৰণ সম্পৰ্কত প্ৰধান মন্ত্ৰীয়ে দুখ প্ৰকাশ কৰিছে। বানপানীৰ ক্ষেত্ৰত আমাৰ মাননীয় মুখ্যমন্ত্ৰী, ৰাজিক মন্ত্ৰীয়ে লক্ষ্য ৰাখিব লাগে। এই কথাবিলাক পলিচি ডিচিচনত দিব লাগে। ৰেভিনিউ আৰু বান-নিয়ন্ত্ৰণ বিভাগৰ মাজত এই সম্পৰ্কও সুমধুৰ নহয়। এই দুটা বিভাগৰ মাজত অমিল আছে। এই বিষয়ে মই বুজাই দিব পাৰিম নে নোৱাৰিম কব নোৱাৰো। কিন্তু ইচ্ছা আছে। এই দুটা বিভাগৰ মাজত এখন শীতল যুদ্ধ চলি আছে। মই আশা ৰাখিছো ৰেভিনিউ আৰু বান-নিয়ন্ত্ৰণক দিয়া টকাৰে কাম হ'ব লাগে। ৰঙিয়াৰ খহনীয়া, পলাশবাৰী পানীখাইটিৰ গড়াখহনীয়া হৈছিল সেই খহনীয় ৰোধ কৰি ৰক্ষণা-বেক্ষণ দিয়াৰ কাৰণে ব্যৱস্থা লব লাগে।

শ্ৰীদেবেন্দ্ৰ নাথ বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, বানপানী সম্পৰ্কে আজিৰ বিধান সভা অধিবেশনত মই এটা কথা কব বিচাৰিছো—মোৰ সমষ্টিৰ কথা স্পষ্টভাবে কৈছো যে মোৰ সমস্যাটো বানপানীৰ সমস্যা নহয় প্ৰথমতে নৰহ ডাঙৰীয়াই যিখিনি উল্লেখ কৰিছে সেই ক্ষেত্ৰত ৰাজহ মন্ত্ৰীয়ে সহায় কৰা কথাটো মই আকৌ উত্থাপন কৰিছো। তেখেতে মোৰ সমস্যাটো বুজা নাই। বানপানী কোনেও ধৰি ৰাখিব নোৱাৰে। নদীখনত পানী ওপচি পৰিলে চাৰিওফালে পানী বাগৰি গৈ ওচৰৰ ঠাইবিলাক প্লাৱিত কৰে

কিন্তু আমাৰ শদিয়া সমষ্টিত থকা নদীখনে গতি সলনি কৰিছে। কিছুমান গাওঁ খান্দি লৈ গৈছে। প্ৰায় ২৫ খন গাওঁ নিঃচিন্ন হৈ গৈছে। প্ৰায় ২ কিলোমিটাৰমান খান্দিছে। গতিকে অসমৰ বানপানীৰ নিচিনা শদিয়াৰ বান-পানী নহয়। চৰকাৰে ৯·১০ লাখ টকা খৰচ কৰি এটা অভূতপূৰ্ব কাম কৰিছে। চৰকাৰে ড্ৰেজাৰ লগাই নদীৰ গতি সলাই দিয়াৰ কাৰণে আমি ভাল পাইছো। সেইকাৰণে ড্ৰেজাৰখন আমি এৰি দিবলৈ ভয় কৰিছো। এইখিনি কৈ মোৰ বক্তব্য সামৰিছো।

★শ্ৰীজয় নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, বিষয়টোৰ লগত পোন পটীয়াভাৱে কামটো জড়িত হৈ আছে। পাব্লিক ডিমাণ্ড দিও মন্ত্ৰীৰ ফালৰ পৰা একো একচন লোৱাব পৰা নাই। চাৰ, উল্লেখ কৰি মই কেইঅ ষাৰমান কব খুজিছো—স্কুল হ'লে ভেনচাৰ স্কুল, বেমাৰ হ'লে কেন্সাৰ, সভাত মিনি-ষ্টাৰৰ লেকচাৰ, দেৱানন্দ কোঁৱৰৰ পইচা লোৱাৰ ভাওচাৰ সমষ্টিলৈ যাওঁ যেতিয়া বানপানীৰ অত্যাচাৰ, এতিয় হাউচত কিবা কবলৈ আহিলে অধ্যক্ষ মহোদয়ৰ পিকচাৰ এই সমস্যাবোৰ আজি হাউচত কবলগীয়া হৈছে।

১। পাতিদলং কিয় কৰা নাই ?

২। ব্ৰহ্মপুত্ৰৰ কুৰুৱাৰ মঠাউৰি বান্ধটো ভঙা আজি ২ বছৰে হ ল বান্ধটো পুনৰ মেৰামতি কৰিবলৈ বাৰে বাৰে মন্ত্ৰীক কোৱা সত্বেও কি কাৰণত কৰা নাই ?

৩। খাগ্ৰাৰ ৬০ লাখ টকাৰ এক্সটেন ন আজিলৈকে নকৰিলে। চীফ্ ইঞ্জি-নীয়াৰে কি কাৰণত কৰা নাই মন্ত্ৰীয়ে ব্যাখ্যা কৰিলে ভাল হয়। কুৰুৱাৰ গড়াখহনীয়াৰ একো ব্যৱস্থা নোলোৱাটো বিভাগীয় অনুসন্ধান কৰি মন্ত্ৰীয়ে জনালে ভাল হয়। কাৰণ অসম চৰকাৰে এখন চাৰ্কোলাৰ দিছে বান-নিয়ন্ত্ৰণ বিভাগে ১ কোটি টকালৈকে চেংচন কৰাৰ অধিকাৰ আছে। আগতে ৫০ লাখ দিয়াৰ এটা লিমিট বান্ধি দিছিল আজিকালি ১ কোটিলৈকে দিব পৰা অধিকাৰ দিছে। নেচনেল হাইওৱেৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত থকা ৫০ খন গাওঁ খেতি কৰিবলৈ অসুবিধা হৈ পৰিছে। মঠাউৰি কাটি তাত পানী বুৰাই পেলাইছে। সেই কাৰণে শালি খেতি কৰিব পৰা নাই। এই বিষয়ে মুখ্যমন্ত্ৰীয়ে কৈছে বিভিন্ন বিভাগৰ লগত আলোচনাও হৈছে। এই সমস্যাটো অতি গুৰুত্বপূৰ্ণ সমস্যা। এইটো নহয় যে ফাণ্ড আহিলে কাম কৰিম ৰাজ্যখনৰ অন্য ফাণ্ডৰ পৰা কাটি হলেও এইখিনি কৰি দিয়ক। মাননীয় বিধায়ক দিলীপ শইকীয়াই এই

সমস্যাটোৰ কথা উল্লেখ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ ওচৰতো হেঁচা দিব পাৰে। আপোনালোকে ১ বছৰীয়া খটিয়ান দাবি ধৰক। আপোনালোকৰ কংগ্ৰেছ বিধায়ক মন্ত্ৰী সকলে চেষ্টা কৰিব লাগে। আপোনালোকৰ হাইকমাণ্ডাৰ আছে বাইজৰ প্ৰতি দায়িত্ব আছে। এই দায়িত্ব শুদ্ধভাৱে পালন কৰক।

★ শ্ৰীমুনীন মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, বানপানীৰ সমস্যা আৰু গৰাখহনীয়াৰ সমস্যা সম্পৰ্কত বিভিন্ন মাননীয় সদস্যই সদনত নিজ নিজ বক্তব্য ৰাখিছে। মই আমাৰ জিলাৰ পৰিস্থিতি সম্পৰ্কে দুষাৰমান কথা কৰ বিচাৰিছো। মৰিগাওঁ জিলাৰ বানপানীত আমাৰ ৰাস্তা-ঘাট, দলং আদি সকলো বিচ্ছিন্ন হৈ গৈছে। সৰ্বসাধাৰণ মানুহৰ আৰু আমাৰ বিধান সভাৰ সদস্য কেইজনমানৰো এইটো মতামত যে—ব্ৰহ্মপুত্ৰৰ বানপানী আৰু গৰাখহনীয়াৰ সমস্যা অসমত যদি সমাধান কৰিব নোৱাৰে, তেতিয়াহলে আমাৰ ইয়াত ৰাস্তা-ঘাট, দলং আদি নিৰ্মাণ কৰি একো লাভ নাই।

আমি জনাত মৰিগাওঁ জিলাত ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া প্ৰতিৰোধ কৰাৰ বাবে ১৯৮৮ চনতে 'প্ৰটেক্চন অব্ ধিং লাহৰীঘাট এণ্ড বুঢ়া গাওঁ' নামাকৰণেৰে ৩৫ কিলোমিটাৰ দৈৰ্ঘ্য এলেকাত ৪৪.১৬ কোটি টকাৰে ১৭ টা স্পাৰ সহ এখন আঁচনি গ্ৰহণ কৰিছিল। ১৯৮৯ চনতে উচ্চ পৰ্য্যায়ৰ এটা কেন্দ্ৰীয় বিশেষজ্ঞ দলে স্থান পৰিদৰ্শন কৰে। পিচত তেওঁলোকৰ পৰামৰ্শৰ ভিত্তিত 'প্ৰটেক্চন অব্ ধিং লাহৰীঘাট এণ্ড বুঢ়া গাওঁ এৰিয়া ইন মৰিগাওঁ ডিষ্ট্ৰীকট্ ফ্ৰম ডি ইৰচন অব্ ৰিভাৰ ব্ৰহ্মপুত্ৰ' নামাকৰণেৰে গৰাখহনীয়া কবলিত সংকট-জনক স্থানত ১২ কিলোমিটাৰ দৈৰ্ঘ্যৰ ২০.২৯ কোটি টকাৰে ৭ স্পাৰ দিয়াৰ আঁচনি ১৯৯০ চনত গ্ৰহণ কৰি স্পাৰ বনোৱাৰ সম্ভাৱনীয়তা সম্পৰ্কে মডেল টেষ্টৰ বাবে 'ৰিভাৰ ৰিচাৰ্চ ষ্টেচন' অসমলৈ প্ৰেৰণ কৰা হৈছিল। এই কথাৰ ওপৰত ভিত্তি কৰি ১৯৯১ চনত এই বিধান সভাৰ মজিয়াতেই এটা প্ৰস্তাৱ উত্থাপন কৰিছিলো। তেতিয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে প্ৰপাৰ প্ৰটেক্চন কৰা হ'ব বুলি আশ্বাস দিছিল। কিন্তু আজি ২ বছৰ ধৰি এই কাম কৰা নহ'ল বা আৰম্ভ কৰাৰ ব্যৱস্থা এতিয়াও নহ'ল। ১৯৯১ চনত হোৱা ব্ৰহ্মপুত্ৰৰ প্ৰলয়ংকৰী বান আৰু গৰাখহনীয়াই সৃষ্টি কৰা সংকটাপন্ন পৰিস্থিতিৰ পিচত লাহৰীঘাটৰ পৰা খহনীয়া প্ৰতিৰোধ কৰাৰ বাবে পুনৰ ২৭-১২-৯১ তাৰিখে বান নিয়ন্ত্ৰণ বিভাগৰ এটা উচ্চ পৰ্য্যায়ৰ তদন্তকাৰী দলে স্থান পৰিদৰ্শন কৰি দিয়া পৰামৰ্শৰ ভিত্তিত ১৯৯২ চনৰ জুলাই মাহত ৪ টা লেণ্ড স্পাৰ সহ ১৭২৮

কোটি টকাৰে 'এন্টি ইৰচন মিজাৰ অৱ ডি ব্ৰহ্মপুত্ৰ ৰিভাৰ ফ্ৰম ভুজাখাইটি টু সোনাৰীগাওঁ ৪ কিলোলিটাৰ টু ৮ কিলোমিটাৰ অৱ ধিং টু চলিয়াবাৰী ৰিটায়াৰমেণ্ট নামাকৰণেৰে এটা প্ৰজেক্ট ৰিপোৰ্ট চি, ডব্লিউ, চি'ৰ পৰীক্ষাৰ বাবে দাখিল কৰে। কিন্তু আজি পৰ্য্যন্ত এই আচনিসমূহ কাৰ্য্যকৰী নহ'ল। বিভিন্ন দিশত ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াৰ নামত বিভিন্নজনক বগাহাতী হিচাপে নিযুক্তি দিছে।

ব্ৰহ্মপুত্ৰৰ বান নিয়ন্ত্ৰণৰ বাবে কেন্দ্ৰই হাতত লোৱা ১৬ খন আচনিৰ বাবদ ১৯৯২ ৯৩ চনত ঋণ সাহাযা অৱশেষত কৰ্তন কৰাত স্বয়ং প্ৰধান মন্ত্ৰীয়ে উদ্বেগ প্ৰকাশ কৰিছে। ১৯৮১ চনতে গঠন কৰা ব্ৰহ্মপুত্ৰ বৰ্ডে তেওঁলোকৰ লক্ষ্য আৰু প্ৰকৃত উদ্দেশ্যৰ পৰা যে বহুদূৰ আতৰি গৈছে—ৰাজ্যখনৰ বান পৰিস্থিতিয়ে এইটো প্ৰমাণ কৰিছে। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহে প্ৰতি বছৰে এটাৰ পিছত এটাকৈ বান সৃষ্টি কৰি বিস্তীৰ্ণ অঞ্চলৰ বহু ঘৰ-বাৰী খেতি পথাৰ ধ্বংস কৰাৰ পিচত কেন্দ্ৰীয় চৰকাৰৰ ব্ৰহ্মপুত্ৰ বোৰ্ডে হাত সাবটি বহি থকাটো অতি পৰিতাপৰ কথা। বান প্ৰতিৰোধৰ বাবে যুগুত কৰা মথাউৰিৰ প্লেন কেবল ধনৰ অভাৱত পেলাই ৰাখি কেন্দ্ৰীয় চৰকাৰে অসমবাসীক এই দুৰ্ধৰ্ষ পৰিস্থিতিলৈ ঠেলি দিছে। বানপানী সমস্যাৰ স্থায়ী সমাধান কৰিবলৈ হলে ব্ৰহ্মপুত্ৰ বোৰ্ডৰ আভ্যন্তৰিন ব্যৱস্থা অধিক শক্তিশালী কৰাটো অতীব প্ৰয়োজন।

মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই অকল অনুনয় বিনয় কৰিলেই নহয় -দীৰ্ঘদিন তিক্ততাৰ পিচত অসমবাসীয়ে ভালদৰে বুজি পাইছে। এই অভিজ্ঞতা আৰু তিক্ততাৰ কথাৰে আমাৰ মতামত দাঙি ধৰি বান বিভাগৰ মন্ত্ৰীয়ে কেন্দ্ৰীয় চৰকাৰৰ ওপৰত হেচা দি এই কথা এচাৰ্ট কৰিব পাৰিলেহেতেন। কিন্তু আজি সদনত উত্থাপিত হোৱা কথা আৰু অসমৰ ৰাইজৰ তিক্ততাৰ কথা দিল্লীত এচাৰ্ট কৰিব নোৱাৰিলে—কেবল অনুৰোধ আৰু আবেদন নিবেদনেৰে কেন্দ্ৰৰ পৰা কাম আদায় কৰি অনাটো সম্ভৱ নহয়।

আপোনালোকে জানে যে, ব্ৰহ্মপুত্ৰৰ বানপানীয়ে ১৯৫০ চনত হোৱা ভূমিকম্পৰ ফলত যিটো হাৰাশাস্তি হৈছিল, এতিয়া তাতোকৈ হাৰাশাস্তি চেৰাই গৈছে। এতিয়া ব্ৰহ্মপুত্ৰৰ তলি ওপৰলৈ উঠি আহিছে। যদি আৰু ২ ফুটমান ব্ৰহ্মপুত্ৰৰ তলি উঠি আহে তেন্তে ৰাজ্যখনৰ কোনোটো মথাউৰিয়ে ৰাইজক ৰক্ষা কৰিব নোৱাৰিব। সেই কাৰণে মই কৈছো, ব্ৰহ্মপুত্ৰৰ পৰা

প্ৰপাৰপ্ৰটেকচন পাবলৈ হলে ব্ৰহ্মপুত্ৰত খনন কাৰ্য্য চলাব লাগিব ব্ৰহ্মপুত্ৰৰ তলিত খনন কাৰ্য্য চলাই অসমত যিমান মথাউৰি আছে সেইবিলাক ৰক্ষা কৰিব লাগিব। ব্ৰহ্মপুত্ৰৰ তলিত খনন কাৰ্য্য নচলালে মথাউৰিবো কোনো প্ৰকাৰে ৰক্ষা নপৰিব । সেই কাৰণে খনন কাৰ্য্যৰ জৰিয়তে ব্ৰহ্মপুত্ৰৰ বান নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰি সুস্থ সমাধানৰ বাবে দাবী জনাই মোৰ বক্তব্য সামৰিলোঁ।

